
Content includes AI-generated material

## চিৰিয়াখানাত আকৌ মৃত্যু জিৰাফৰ



বিতং বাতৰি ৭ নং পৃষ্ঠাত

www.newsnextone.com

# e সংবাদ

Sacn to Donate
NEWSNEXTONE.COM

FRIDAY, FEBRUARY 07, 2025 ■ শুকুৰবাৰ, ২৪ মাঘ, ১৯৪৬ শকাব্দ ■ www.newsnextone.comৰ অনলাইন দৈনিক ■ দ্বিতীয় বছৰ, সংখ্যা ৪২ Guwahati, Assam ।। মূল্যঃ এটকা

## মাৰ্কিন বিতাড়ন এইবোৰ হৈয়েই থাকে, স্পষ্টীকৰণ বিদেশ মন্ত্ৰীৰ

নতুন দিল্লী, ৬ ফেব্ৰুৱাৰীঃ ক্ষমতালৈ ওভতাৰ পিছতে আমেৰিকাৰ ৰাষ্ট্ৰপতি ড'নাল্ড শেষাংশ ৫ পৃষ্ঠাত

### বিজেপিৰ বাবে দেশ প্ৰথম বুলি মন্তব্য, মাৰ্কিন বিতাড়নৰ প্ৰসংগ পৰিহাৰ

## ৰাজ্যসভাতো কংগ্ৰেছক গালি পাৰি ভাষণ মোদীৰ



নতুন দিল্লী, ৬ ফেব্ৰুৱাৰীঃ ১০ বছৰ ক্ষমতাসীন হৈ থাকিও যেন কংগ্ৰেছক সমালোচনা কৰি মন ভৰা নাই প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ! লোকসভাত ৰাষ্ট্ৰপতিৰ অভিভাষণৰ ধন্যবাদ প্ৰস্তাৱক কংগ্ৰেছ আৰু গান্ধী পৰিয়ালৰ বিৰুদ্ধে গৰল উগাৰাৰ পিছত এইবাৰ ৰাজ্যসভাতো শেষাংশ ৫ পৃষ্ঠাত

### আক্ৰমণলৈ পৰোক্ষ সমৰ্থন ইউনুছ নেতৃত্বাধীন চৰকাৰৰ

# অকৃতজ্ঞ বাংলাদেশ! জ্বলাই দিলে বংগবন্ধুৰ ঘৰ



### হাছিনাক বিচাৰি ভাৰতক পুনৰ হেঁচা ইউনুছ চৰকাৰৰ

ঢাকা, ৬ ফেব্ৰুৱাৰীঃ পুনৰ এবাৰ উত্তপ্ত হৈ পৰিছে বাংলাদেশ পুনৰ এবাৰ আক্ৰমণ সংঘটিত হ'ল বংগবন্ধু শ্বেখ মুজিবুৰ ৰহমানৰ স্মৃতি বিজড়িত ২ পৃষ্ঠাত

## নিৰ্বাপিত কলিতাৰ মন্ত্ৰী হোৱাৰ আশা, মুখ্যমন্ত্ৰীয়ে হেনো নকৰে সম্প্ৰসাৰণ!



ই-সংবাদ বিশেষ, ৬ ফেব্ৰুৱাৰীঃ মন্ত্ৰী হোৱাৰ আশা নিৰ্বাপিত হ'ল ভবেশ কলিতাৰ। এটা বিশেষ বাতৰি সম্প্ৰচাৰ হোৱাৰ পিছতে ৩ পৃষ্ঠাত

## হাতীৰ গচকত ধূপধৰাত যুৱকৰ মৃত্যু, আহত ১

ই-সংবাদ, ধূপধৰা, ৬ ফেব্ৰুৱাৰীঃ গোৱালপাৰা জিলাত অব্যাহত আছে হাতী আৰু মানুহৰ সংঘাত। খাদ্যৰ সন্ধানত শেষাংশ ৪ পৃষ্ঠাত

## মেঘালয়ত ধৃত ৩ বাইক চোৰ

ই-সংবাদ, ৬ ফেব্ৰুৱাৰীঃ গুৱাহাটীত সঘনাই বাইক চুৰি হৈ অহা ঘটনাৰ নতুন তথ্য শেষাংশ ২ পৃষ্ঠাত



## খনি বিভাগৰ পৰা এন আনন্দক দিলে অব্যাহতি

ই-সংবাদ, ৬ ফেব্ৰুৱাৰীঃ অৱশেষত অসম খনিজ উন্নয়ন নিগমৰ পৰিচালন সঞ্চালক শেষাংশ ৩ পৃষ্ঠাত

### শংকৰদেৱ সংঘৰ ৯৪ সংখ্যক বাৰ্ষিক অধিৱেশন

## যোৰহাটৰ এৰালতলিত ভকত-বৈষ্ণৱ, আই-মাতৃৰ ভিৰ



### ১৫খন গ্ৰন্থ উন্মোচন

যোৰহাটৰ ম'হবন্ধা এৰালতলি পথাৰৰ পৰা ৰমেন শইকীয়া, ৬ ফেব্ৰুৱাৰীঃ উত্তৰ পূৰ্বাঞ্চলৰ সৰ্ববৃহৎ আধ্যাত্মিক ধৰ্মীয় আৰু জাতীয় শেষাংশ ৬ পৃষ্ঠাত

ROYAL CONSTRUCTION
MANUFACTURER OF
CEMENT BRICK, PAVER BLOCK, COLOR PAVER BLOCK, CEMENT TILES
FACTORY ADDRESS
TITKURI, KAMARGAON, RANGIA, KAMRUP(R)
CALL: +91 88 76 99 50 95, +91 99 57 41 80 39

### ২৫০টকাকৈ সংগ্ৰহ কৰাৰ অভিযোগ এটা পক্ষৰ

## প্ৰতিবাদক লৈ দুভাগত বিভক্ত ১০৮ মৃত্যুঞ্জয় সন্থা!



ই-সংবাদ, ৬ ফেব্ৰুৱাৰীঃ কাৰ্যনিৰ্বাহক সমিতিৰ একাংশ সদস্যক অন্ধকাৰত ৰাখি সদৌ অসম ১০৮ শেষাংশ ৪ পৃষ্ঠাত

## বনমালী চাহ বাগিচাত নৃশংস হত্যাকাণ্ড

ই-সংবাদ, সোণাৰি, ৬ ফেব্ৰুৱাৰীঃ চৰাইদেউ জিলাৰ কাকতিবাৰী আৰক্ষী থানাৰ অন্তৰ্গত বনমালী চাহ বাগিচাৰ ভূগুৰা লাইনত শেষাংশ ৫ পৃষ্ঠাত

### বগা কাপোৰ দিব বুলি মন্তব্য

## নিৰ্বাচন আয়োগক মৃত আখ্যা অখিলেশৰ



লক্ষ্ণৌ, ৬ ফেব্ৰুৱাৰীঃ দেশত নিৰ্বাচন আহিলেই বিজেপিৰ পক্ষ লয় নিৰ্বাচন আয়োগে! বিগত সময়ত এই অভিযোগ অনেকবাৰ ২ পৃষ্ঠাত

■ **প্ৰথম পৃষ্ঠাৰ পৰা...**

# নিৰ্বাচন আয়োগক মৃত আখ্যা

উত্থাপন কৰিছে বিৰোধীয়ে। শেহতীয়াকৈ উত্তৰ প্ৰদেশৰ মিল্কিপুৰ বিধানসভাৰ উপ-নিৰ্বাচনৰ সময়তো একেই অভিযোগেৰে সৰৱ হৈ পৰিল সমাজবাদী পাৰ্টিৰ মুৰব্বী তথা সাংসদ অখিলেশ সিং যাদৱ। বিজেপিৰ বিৰুদ্ধে ভোট ৰিগিঙৰ গুৰুতৰ অভিযোগ উত্থাপন কৰি পোনপোটীয়াকৈ নিৰ্বাচন আয়োগক লক্ষ্য কৰি লয় অখিলেশ যাদৱে। আয়োগক কটাক্ষ কৰি তেওঁ কয়, "বিজেপিয়ে এনেদৰেই নিৰ্বাচনত যুঁজ দিয়ে। নিৰ্বাচন আয়োগ মৰি গৈছে। আমি তেওঁলোকক বগা কাপোৰ উপহাৰ দিব লাগিব।" তেওঁৰ এই মন্তব্যই ৰাজনৈতিক মহলত আলোড়নৰ সৃষ্টি কৰিছে। বিৰোধীয়ে দাবী কৰে যে বিজেপিয়ে নিৰ্বাচনক প্ৰহসনলৈ ৰূপান্তৰিত কৰিছে, আৰু নিৰ্বাচন আয়োগ মৌন দৰ্শক হিচাপে বহি আছে। উল্লেখ্য যে, নিৰ্বাচন আয়োগৰ বিৰুদ্ধে অখিলেশ যাদৱৰ আক্ৰমণাত্মক ৰূপ এয়াই প্ৰথম নহয়, ইয়াৰ পূৰ্বেও উত্তৰ প্ৰদেশৰ প্ৰাক্তন মুখ্যমন্ত্ৰীগৰাকীয়ে শাসকীয় দল বিজেপিৰ বিৰুদ্ধে নিৰ্বাচনী প্ৰতাড়নাৰ অভিযোগ তুলি সৰৱ হৈছিল আয়োগৰ বিৰুদ্ধে। এইবাৰো মিল্কিপুৰৰ উপ-নিৰ্বাচনত বিজেপিয়ে গণতান্ত্ৰিক ব্যৱস্থা দুৰ্বল কৰাৰ অভিযোগ উত্থাপন কৰে এছপিৰ নেতাজনে। তেওঁ দাবী কৰে যে আৰক্ষী আৰু প্ৰশাসনৰ সহায়ত বিজেপিয়ে নিৰ্বাচনত হস্তক্ষেপ কৰিছে। বিভিন্ন বুথত থকা সমাজবাদী পাৰ্টিৰ এজেণ্টক ভাবুকি দি আঁতৰাই দিয়া হৈছে। বিজেপিয়ে এনে কৰ্ম কাণ্ডৰ পিছতে আৰক্ষী-প্ৰশাসনে চকু মুদা কুলিৰ ভাও লোৱা বুলি অভিযোগ কৰে অখিলেশে। তেওঁ কয় যে শাসকীয় দলৰ গুণ্ডাবাহিনীৰ হিংসা বিয়পোৱাত আৰক্ষীয়ে পৰোক্ষভাৱে সমৰ্থন কৰি আহিছে। অন্যহাতে নিৰ্বাচনী আচৰণ বিধি উলংঘা কৰাৰ পিছতো কোনো ব্যৱস্থা গ্ৰহণ কৰা নাই নিৰ্বাচন আয়োগে। ইফালে নিৰ্বাচনত বিজেপিয়ে ভুৱা ভোট সৃষ্টি কৰাৰো গুৰুতৰ অভিযোগ কৰে সমাজবাদী পাৰ্টিয়ে। দলৰ প্ৰাৰ্থী অজিত প্ৰসাদে নিজেই একাংশ লোকক ভুৱা ভোট দিয়াৰ সময়ত হাতে-লোটে ধৰা পেলোৱা বুলিও দাবী কৰে। তেওঁৰ কয়, "মিল্কিপুৰৰ ৰায়পট্টি আমণিগঞ্জৰ এজন ব্যক্তিয়ে ভুৱা ভোট দিয়া বুলি নিজে স্বীকাৰ কৰিছে। বিজেপিৰ শাসনত প্ৰশাসন কেনেদৰে দুৰ্নীতিৰ লগত জড়িত হৈ পৰিছে তাৰ এইটোৱেই প্ৰমাণ। নিৰ্বাচন আয়োগক আৰু কি প্ৰমাণৰ প্ৰয়োজন?"

■ **প্ৰথম পৃষ্ঠাৰ পৰা...**

# অকৃতজ্ঞ বাংলাদেশ! জ্বলাই দিলে

ধানমণ্ডিস্থিত ৩২নং বাসগৃহ। বুধবাৰে নিশা প্ৰায় ৮ বজাত এদল প্ৰতিবাদকাৰীয়ে ঘৰৰ সন্মুখত সমবেত হৈ উত্তপ্ত পৰিস্থিতিৰ সৃষ্টি কৰে। ইয়াৰ পিছতে সহস্ৰাধিক প্ৰতিবাদকাৰীয়ে বংগবন্ধুৰ বাসগৃহত প্ৰৱেশ কৰি এফালৰ পৰা ধ্বংসলীলা চলাই অগ্নিসংযোগ কৰে। ইয়াৰ পিছত নিশাৰ ভাগলৈ বুলডোজাৰেৰে ভাঙি পেলোৱা হয় বাসগৃহটোৰ এটা অংশ। বুধবাৰে সংঘটিত এই আক্ৰমণৰ ঘটনাই বাংলাদেশৰ ৰাজনৈতিক পৰিস্থিতি আৰু অধিক অস্থিৰ কৰি তুলিছে। উল্লেখ্য যে, শেখ হাছিনাৰ চৰকাৰৰ পতনৰ ছমাহ পূৰ্তিত বুধবাৰে নিশা লাইভযোগে দেশবাসীক সম্বোধন কৰাৰ কথা আছিল প্ৰাক্তন প্ৰধানমন্ত্ৰীগৰাকীয়ে। কিন্তু তাৰ পূৰ্বেই ধানমণ্ডিৰ ৩২নং বাসগৃহত আক্ৰমণ চলায় ছাত্ৰসমাজে। প্ৰতিবাদকাৰীসকলে আৱামী লীগ বিৰোধী শ্লোগান দি ভাৰতত আশ্ৰিতা হাছিনাৰ গ্ৰেপ্তাৰৰো দাবী জনায়। ইফালে প্ৰতিবাদকাৰী ইমানতে ক্ষান্ত নাথাকি শেখ হাছিনাৰ ব্যক্তিগত বাসগৃহ সুধা সদনতো অগ্নিসংযোগ কৰে। তদুপৰি বাংলাদেশত আৱামী লীগৰ কেইবাগৰাকীও নেতাৰ বাসগৃহ আৰু দলীয় কাৰ্যালয়তো আক্ৰমণ চলোৱা হয়, বহু ঠাইত ভাঙি পেলোৱা হয় বাংলাদেশৰ জনক শেখ মজিবুৰ ৰহমানৰ প্ৰতিমূৰ্তি। অন্যহাতে এই আক্ৰমণৰ আঁৰত কোন আছে সেই সন্দৰ্ভত বিভিন্ন পক্ষৰ পৰা আলোচনা অব্যাহত আছে। কেইবাটাও সংবাদ মাধ্যমে দাবী কৰিছে যে হাছিনাৰ বিৰুদ্ধে ছাত্ৰ আন্দোলন এই আক্ৰমণৰ আঁৰত থাকিব পাৰে। অৱশ্যে এই আক্ৰমণৰ দায়িত্ব কোনেও পোনপটীয়াকৈ লোৱা নাই। বাংলাদেশৰ অন্তৰ্বৰ্তীকালীন চৰকাৰৰ উপদেষ্টা আছিফ মাহমুদ ছাজিব ভূঞাকে ধৰি বহু লোকে ছ'চিয়েল মিডিয়াত এই ঘটনাৰ সমৰ্থনত পোষ্ট কৰা দেখা গৈছে। উল্লেখ্য যে, ধানমণ্ডিৰ ৩২ নং বাসগৃহটো বাংলাদেশৰ স্বাধীনতাৰ ইতিহাসৰ অবিচ্ছেদ্য অংগ হিচাপে পৰিচিত হৈ আহিছে। ইয়াৰ পৰাই বংগবন্ধু শেখ মুজিবুৰ ৰহমানে মুক্তিযুদ্ধৰ আহ্বান জনাইছিল। ১৯৭৫ চনৰ ১৫ আগষ্টত এই ঘৰটোত সশস্ত্ৰ আক্ৰমণত বংগবন্ধু শেখ মুজিবুৰ ৰহমান আৰু তেওঁৰ পৰিয়ালৰ অধিকাংশ সদস্য নিহত হয়। ইয়াৰ পিছত এই ঘৰটোক স্মৃতি সংগ্ৰহালয় হিচাপে গঢ়ি তোলা হয়। ইফালে নিশা সংঘটিত এই আক্ৰমণৰ পিছতে ভাৰ্চুৱেলি নিজৰ প্ৰতিক্ৰিয়া ব্যক্ত কৰে শেখ হাছিনাই। তেওঁ মহম্মদ ইউনুছৰ নেতৃত্বত গঠিত অন্তৰ্বৰ্তীকালীন চৰকাৰৰ সহযোগত এই আক্ৰমণ সংঘটিত হোৱাৰ অভিযোগ উত্থাপন কৰে। হাছিনাই কয়, "ধানমণ্ডিত এই ঘৰৰ পৰা জাতিৰ পিতা শেখ মুজিবুৰ ৰহমানে স্বাধীনতা ঘোষণা কৰিছিল। আনকি পাকিস্তানী দখলদাৰী বাহিনীয়েও এই ঘৰটো জ্বলাই বা ভাঙি পেলোৱা নাছিল। কিন্তু আজি বাংলাদেশৰ একাংশ লোকে এই কাম কৰিছে।" তেওঁ লগতে কয় যে যিসকলে এই কাম কৰি আছে তেওঁলোকক ইতিহাসে কেতিয়াও ক্ষমা নকৰে। এই আক্ৰমণৰ পিছত বাংলাদেশৰ ৰাজনৈতিক পৰিস্থিতি আৰু অধিক উত্তপ্ত হৈ পৰিছে। আৱামী লীগে দেশজুৰি প্ৰতিবাদ আৰু বিক্ষোভৰ আহ্বান জনাইছে। ইয়াৰ বিপৰীতে এই ঘটনা জনসাধাৰণৰ ক্ষোভৰ প্ৰকাশ বুলি দাবী কৰিছে অন্তৰ্বৰ্তীকালীন চৰকাৰে। ইউনুছ চৰকাৰে কয় যে শেখ হাছিনাই ভাৰতত বহি উচটনিমূলক বক্তব্য দিছে, যাৰ ফলত জনমানসত ক্ষোভৰ সৃষ্টি হৈছে। কিন্তু হাছিনাই এই অভিযোগ নাকচ কৰি কয়, "ইতিহাস মচি পেলাব নোৱাৰি। যিসকলে এই কাম কৰি আছে তেওঁলোকক ইতিহাসে কেতিয়াও ক্ষমা নকৰে।" বাংলাদেশৰ উত্তেজনাই ভাৰততো প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে।

■ **প্ৰথম পৃষ্ঠাৰ পৰা...**

# মেঘালয়ত ধৃত ৩ বাইক চোৰ

পোহৰলৈ আহিছে। জানিব পৰা মতে, গুৱাহাটীত বাইক চুৰি কাৰ্যত জড়িত হৈ পৰিছে একাংশ মেঘালয়ৰ যুৱক। গুৱাহাটী মহানগৰীৰ বশিষ্ঠ আৰক্ষীয়ে মেঘালয়ৰ পূব খাচী পাহাৰৰ ৰাইম্বাই গাঁৱত মেঘালয় আৰক্ষীৰ সহায়ত অভিযান চলাই তিনিজন বাইক চোৰক গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হৈছে। তিনি বাইক চোৰক ৰিভেকি থু (৩৪), হেমনমে থু (৩১) আৰু আৰ্জেণ্ট নংটড়ু (৩১) বুলি চিনাক্ত কৰা হৈছে। গ্ৰেপ্তাৰৰ সময়ত আৰক্ষীয়ে চুৰি ৰঙা স্প্লেণ্ডাৰ বাইক, চুৰি কাৰ্যত ব্যৱহৃত সা-সজুলি, নগদ ১.৪৯ লাখ টকা আৰু তিনিটা মোবাইল ফোন জব্দ কৰিবলৈ সক্ষম হয়। আৰক্ষীয়ে তিনি চোৰক গ্ৰেপ্তাৰ কৰি জেৰা অব্যাহত ৰাখিছে। জেৰাত বহু তথ্য সংগ্ৰহ কৰিবলৈ সক্ষম হৈছে গুৱাহাটী আৰক্ষী। গুৱাহাটী আৰক্ষীয়ে মেঘালয়ৰ পৰা অহা চোৰে গুৱাহাটীৰ খানাপাৰা, যোৰাবাট এলেকাত প্ৰায়ে বাইক চুৰি কাণ্ড সংঘটিত কৰাৰ সন্দেহ কৰিছে। ইয়াৰ পূৰ্বে কেইবাখনো বাইক চুৰি কাণ্ডত মেঘালয়ৰ যুৱক জড়িত থকাৰ সন্দেহ কৰা হৈছে। আন এক অভিযানত বশিষ্ঠ আৰক্ষীয়ে খানাপাৰাৰ পৰা চুৰি হোৱা এএছ-০১-ইএক্স-১৬৭৩ নম্বৰৰ স্কুটী ২৪ ঘণ্টাৰ ভিতৰত উদ্ধাৰ কৰিবলৈ সক্ষম হয়। নিৰ্দিষ্ট তথ্যৰ ভিত্তিত আৰক্ষীয়ে বাহনখন সোণাপুৰৰ যোগদলত উদ্ধাৰ কৰিবলৈ সক্ষম হয়। চুৰিৰ সন্দেহত মণ্টিপ কোঁৱৰ (২৪) আৰু দামুন ৰাভাক (৩০) গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হয় আৰক্ষীয়ে। ইফালে, মণ্টিপ কোঁৱৰ আন আন চুৰি কাণ্ডৰ সৈতেও জড়িত থকাৰ সন্দেহ কৰি অনুসন্ধান চলাই আছে আৰক্ষীয়ে। অন্যহাতে, ভগদত্তপুৰ উপ-আৰক্ষী চকীৰ আৰক্ষীয়ে অভিযান চলাই কাহিলীপাৰাত চুৰিৰ সন্দেহত বিশ্বজিৎ বাছফৰক (২৬) গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হয়। বিশ্বজিৎ বাছফৰৰ পৰা চুৰি হোৱা আইপেডো উদ্ধাৰ হয়।

Nucleomed- পেটচিটি স্কেন / PETCT Scan- 970701223

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# খনি বিভাগৰ পৰা এন আনন্দক দিলে

তথা ভূতত্ব আৰু খনি বিভাগৰ সঞ্চালক নটৰাজন আনন্দক পদৰ পৰা আঁতৰালে ৰাজ্য চৰকাৰে। কিছু পলমকৈ হ'লেও বিতৰ্কিত ভাৰতীয় বন সেৱাৰ বিষয়া এন আনন্দক ভূতত্ব আৰু খনি সঞ্চালক পদৰ পৰা অব্যাহতি দিয়ে ৰাজ্য চৰকাৰে। নটৰাজন আনন্দে দিয়া লিখিত অনুমতিত কণিকা হোজায়ে খনন কৰা অবৈধ ৰেট হোল মাইনিঙত সোমাই ৯ শ্ৰমিকে প্ৰাণ হেৰুওৱাত নটৰাজন আনন্দক লৈ বিৰোধী সৰৱ হৈছিল। আনকি অসমৰ বিৰোধী দলসমূহে গণেশগুৰিস্থিত অসম খনিজ উন্নয়ন নিগমৰ কাৰ্যালয় ঘেৰাও কৰি নটৰাজনক গ্ৰেপ্তাৰৰ দাবী উত্থাপন কৰিছিল। এন আনন্দক ভূতত্ব আৰু খনি সঞ্চালক পদৰ পৰা অব্যাহতি দি এচিএছ পৰাগমণি মহন্তক ভূতত্ব আৰু খনি সঞ্চালক পদত স্থলাভিষিক্ত কৰা হৈছে। অসমৰ কয়লৰ অবৈধ ৰেট হোল মাইনিংক লৈ বিৰোধী দল অসম জাতীয় পৰিষদে সৰৱ ভূমিকা পালন কৰি আহিছে। অবৈধ কয়লা খনন আৰু সৰবৰাহৰ বিৰুদ্ধে অসম চৰকাৰে লোৱা শেহতীয়া পদক্ষেপক সমালোচনা কৰিছে অসম জাতীয় পৰিষদৰ সাধাৰণ সম্পাদক জগদীশ ভূঞাই। আগতে কয়লাৰ খন চলি আছিল যদিও চৰকাৰে মানি লোৱা নাছিল। চৰকাৰে মানি ল'লে ৯ শ্ৰমিকৰ মৃত্যু নহ'লহেঁতেন। এন আনন্দে ভুৱা চালানেৰে ১৩ টাকৈ গ্ৰুপক অবৈধ কয়লা খননৰ অনুমতি দিয়াৰ অভিযোগ আনে জগদীশ ভূঞাই। উল্লেখ্য যে, ৬ জানুৱাৰীত ডিমা হাচাওৰ তিলি কিলোত অবৈধ কয়লাখনিত কয়লা খনন কৰি থকাৰ সময়তে ৯জনকৈ শ্ৰমিক সুৰংগ আৱদ্ধ হৈছিল ইয়াৰে চাৰিটা মৃতদেহ উদ্ধাৰ হৈছে যদিও ৫টা মৃতদেহ আজিও সুৰংগতে সোমাই আছে। এই কাণ্ডত শাসকীয় বিজেপি দলৰ লোক জড়িত। খোদ ডিমা হাচাও স্বায়ত্ব শাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী দেৱলাল গাৰ্লোছাৰ পত্নী কণিকা হোজাই জড়িত আছিল। যিটো ৯ শ্ৰমিকে প্ৰাণ হেৰুৱাই সেই খনিটো অসম খনিজ উন্নয়ন নিগমৰ পৰিচালন সঞ্চালক তথা ভূতত্ব আৰু খনি বিভাগৰ সঞ্চালক নটৰাজন আনন্দে কণিকা হোজাইক খনন কৰিবলৈ অনুমতি দিছিল। সেই খনিটোতে ৯ শ্ৰমিকে প্ৰাণ হেৰুৱাই। এই ঘটনাৰ পিছতে অসমৰ বিৰোধী দলসমূহে সৰৱ হৈছিল। ঘটনাৰ উচিত তদন্ত কৰিবলৈ দাবী জনোৱাত মুখ্যমন্ত্ৰীয়ে ন্যায়িক তদন্ত ঘোষণা কৰাৰ লগতে ৰেট হোল মাইনিং তথা সকলো অবৈধ কয়লাৰ বন্ধ কৰিবলৈ কঠোৰ নিৰ্দেশ দিছিল। তাৰ পিছতে চৰকাৰ, আৰক্ষী, প্ৰশাসন ৰেট হোল মাইনিং বন্ধ কৰিবলৈ উঠি-পৰি লাগিছিল। ১৮ জানুৱাৰীৰ পৰা তিনিচুকীয়া জিলাৰ মাৰ্ঘেৰিটাত ৰেট হোল মাইনিং বন্ধ কৰিবলৈ অভিযান চলিছিল। আৰক্ষী প্ৰশাসনে মাৰ্ঘেৰিটাত অবৈধ ৰেট হোল মাইনিং বন্ধ কৰি দিয়ে। বিদ্যুৎ সংযোগ ব্যাহত কৰাৰ লগতে খনন সঁজুলি জব্দ কৰা হৈছিল। ১৯ জানুৱাৰীত উজনি অসম ভ্ৰমণ কৰি অসম আৰক্ষীৰ সঞ্চালক প্ৰধান জি.পি সিঙে এই লৈ প্ৰতিক্ৰিয়া দিছিল। জি.পি সিঙে কয় যে মুখ্যমন্ত্ৰী জ্ঞাত হৈছে যে মাৰ্ঘেৰিটা, লিডু, লেখাপানী আদি এলেকাত ৰেট হোল মাইনিং চলি আছে। স্থানীয় প্ৰশাসন, কোল ইণ্ডিয়াকে ধৰি বিভিন্ন স্থানীয় সংস্থাক এক সপ্তাহৰ ভিতৰত সকলো ৰেট হোল মাইনিং বন্ধ কৰিবলৈ নিৰ্দেশ দিয়া হৈছে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# নিৰ্বাপিত কলিতাৰ মন্ত্ৰী হোৱাৰ আশা

মন্ত্ৰীসভা সম্প্ৰসাৰণৰ সম্ভাৱনাৰ কথা নস্যাৎ কৰিছে মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই। ইয়াৰ পিছতে ভৱেশ কলিতাই মন্ত্ৰিত্ব পোৱাৰ আশাত চেঁচাপানী পৰিছে। অৱশ্যে বিষয়টো এতিয়াও ভিন্নমহলত ভিন্ন ধৰণে চৰ্চিত হৈয়েই আছে। উল্লেখ্য যে, হিমন্ত বিশ্ব শৰ্মা নেতৃত্বাধীন মন্ত্ৰীসভাত বৰ্তমানেও এটা মন্ত্ৰীপদ খালী হৈ আছে। দুই-এদিনৰ ভিতৰতে খালী মন্ত্ৰীপদটো পূৰণ কৰিব হিমন্ত বিশ্ব শৰ্মাই। এটা সূত্ৰই প্ৰকাশ কৰা মতে খালী পদত মন্ত্ৰী ৰূপে ভৱেশ কলিতাই শপত লোৱাটো নিশ্চিত হৈছে। আনুষ্ঠানিক ঘোষণা নকৰিলেও ইতিমধ্যে ভৱেশ কলিতাক মন্ত্ৰীত্ব দিয়াটো ঠিৰাং হোৱা বুলি জানিব পৰা গৈছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ অসম ভ্ৰমণৰ পূৰ্বে ৰাজভৱনত মন্ত্ৰী ৰূপে শপত ল'ব ভৱেশ কলিতাই। ২৪ ফেব্ৰুৱাৰীত অসম ভ্ৰমণলৈ আহিব প্ৰধানমন্ত্ৰী মোদী। ২৪ ফেব্ৰুৱাৰীত বিশ্ব ৰেকৰ্ড বাবে অনুষ্ঠিত ঝুমুৰ নৃত্য প্ৰতিযোগিতা আৰু ২৫ ফেব্ৰুৱাৰীত এডভান্টেজ আসামৰ উদ্বোধনী কাৰ্যসূচীত অংশ ল'ব। এই দুই কাৰ্যসূচীৰ পূৰ্বে ভাগ্য উদয় হ'ব পাৰে ভৱেশ কলিতাৰ। কলিতাই প্ৰায় ১৩ মাহৰ বাবে মন্ত্ৰী হৈ থাকিব পাৰিব। ইয়াৰ পূৰ্বেও ভৱেশ কলিতাই মন্ত্ৰী পদত আছিল। সৰ্বানন্দ সোণোৱাল চৰকাৰৰ কাৰ্যকালত জলসিঞ্চন মন্ত্ৰী আছিল। পুনৰবাৰ ২০২১ চনত চৰকাৰ গঠন হ'ল যদিও মুখ্যমন্ত্ৰী সলনি হয়। সৰ্বানন্দ সোণোৱালৰ ঠাইত হিমন্ত বিশ্ব শৰ্মা মুখ্যমন্ত্ৰী হয়। কিন্তু শৰ্মা মন্ত্ৰীসভাত স্থান নাপালে যদিও কলিতাক কেইমাহমানৰ পিছতে সভাপতিৰ দায়িত্ব দিয়া হয়। ২০২১ চনৰ ২৬ জুনত ৰাজ্যিক সভাপতিৰ দায়িত্ব লাভ কৰিছিল। বিগত ১৭ জানুৱাৰীত সভাপতি পদৰ কাৰ্যকাল সমাপ্ত হয়। সভাপতি পদত বিনা প্ৰতিদ্বন্দ্বিতাত জয়ী হৈছিল দৰং-ওদালগুৰিৰ সাংসদ দিলীপ শইকীয়া। সভাপতি পদ হেৰুওৱা ভৱেশ কলিতাক লৈ মুখ্যমন্ত্ৰীয়ে প্ৰতিক্ৰিয়া প্ৰকাশ কৰি কৈছিল যে ভৱেশ কলিতাৰ বাবে আমি কিবা এটা চিন্তা কৰিব লাগিব। সেই মৰ্মে ভৱেশ কলিতাক মন্ত্ৰিত্ব দিয়া হ'ব বুলি চৰ্চা চলিছিল। পূৰ্বে ৭ ডিচেম্বৰত হিমন্ত বিশ্ব শৰ্মাই মন্ত্ৰীসভাৰ সম্প্ৰসাৰণ কৰিছিল যদিও এটা মন্ত্ৰীৰ পদ এতিয়াও খালী হৈ আছে। লক্ষীপুৰৰ বিধায়ক কৌশিক ৰায়, ডুমডুমাৰ বিধায়ক ৰূপেশ গোৱালা, ডিব্ৰুগড়ৰ বিধায়ক প্ৰশান্ত ফুকন, পাথাৰকান্দিৰ বিধায়ক কৃষ্ণেন্দু পালক মন্ত্ৰীসভাত স্থান দিছিল মুখ্যমন্ত্ৰী শৰ্মাই। বৰাকৰ দুই বঙালী নেতাক মন্ত্ৰীসভাত স্থান দিয়া হৈছে। উজনিৰ দুজন বিধায়কক মন্ত্ৰীসভাত স্থান হৈছে। জাতি-জনগোষ্ঠীৰ সমীকৰণক অত্যাধিক গুৰুত্ব দিয়া পৰিলক্ষিত হৈছে। ইপিনে নতুন মন্ত্ৰী সভা সম্প্ৰসাৰণৰ দুদিন পূৰ্বে চাহ জনগোষ্ঠীৰ আগশাৰীৰ নেতা সঞ্জয় কিষাণে মন্ত্ৰী পদৰ পৰা পদত্যাগ কৰিছিল। চাহ-জনজাতি উন্নয়ন মন্ত্ৰী সঞ্জয় কিষাণৰ ঠাইত ডুমডুমাৰ বিজেপি বিধায়ক ৰূপেশ গোৱালাক মন্ত্ৰী কৰা হয়। সঞ্জয় কিষাণক ৰাজ্যিক সভাপতি পদ দিব পাৰে চৰ্চা হৈছিল যদিও সেই চৰ্চাই অমূলক আছিল। বিজেপিৰ পুৰণি নেতা তথা আৰএছএছৰ ঘনিষ্ঠ ভৱেশ কলিতাই সভাপতি হৈ থকা কালত বিধানসভাৰ উপ-নিৰ্বাচন, লোকসভা নিৰ্বাচনত সফলতা অৰ্জন কৰিছিল। যাৰ বাবে ভৱেশ কলিতাকে ৰাজ্যিক সভাপতিৰ পদ বাহাল ৰাখিব বুলি চৰ্চা চলিছিল যদিও কলিতাক সভাপতি পদৰ পৰা আঁতৰাই সাংসদ দিলীপ শইকীয়াক বিজেপিৰ ৰাজ্যিক সভাপতি পতা হয়। বিজেপিৰ এটা সূত্ৰই দাবী কৰা মতে, কলিতাক এতিয়া মন্ত্ৰিত্ব নিদিলেও ২০২৬ৰ পাছত ৰাজ্যসভাৰ সাংসদ হিচাপে দিল্লীলৈ প্ৰেৰণ কৰা হ'ব পাৰে।

Nucleomed- পেটচিটি স্কেন / PETCT Scan- 970701223

• ইউনিক বৰা ফটোগ্ৰাফী ইনষ্টিটিউট •
UniqueBorah.Com
• অসমীয়া মাধ্যমত শিকক ফটোগ্ৰাফী আৰু ইডিটিংৰ প্ৰতিটো কথা •
88764 90887
• গুৱাহাটীত অৱস্থিত উন্নত মানদণ্ডৰ ষ্টুডিঅ'ত শিক্ষা গ্ৰহণৰ সুবিধা •
• আসন সীমিত, শীঘ্ৰেই যোগাযোগ কৰক •
নামভৰ্তিৰ বাবে ওপৰৰ নংত যোগাযোগ কৰক।

প্ৰথম পৃষ্ঠাৰ পৰা...

# প্ৰতিবাদক লৈ দুভাগত বিভক্ত ১০৮

মৃত্যুঞ্জয় কৰ্মচাৰী সন্থাৰ একাংশ নেতা-সদস্যই প্ৰতিবাদ কৰিবলৈ সাজু হোৱাত সংগঠনটোৰ ভিতৰচ'ৰাত প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে বুলি জানিব পৰা গৈছে। সদৌ অসম ১০৮ মৃত্যুঞ্জয় কৰ্মচাৰী সন্থাৰ সৈতে জড়িত প্ৰায় ৪ হাজাৰ চালক আৰু কৰ্মচাৰীৰ পৰা ২৫০ টকাকৈ সংগ্ৰহ কৰি একাংশ নেতা-সদস্য প্ৰতিবাদ কৰিবলৈ সাজু হোৱাত আন একাংশ নেতা-সদস্য নাৰাজ হোৱা বুলি জানিব পৰা গৈছে। প্ৰতিজন সদস্যই ২৫০ টকাকৈ জিলা সমিতিৰ জৰিয়তে কেন্দ্ৰীয় সমিতিলৈ প্ৰেৰণ কৰিব লাগিব বুলি নিৰ্দেশ দিয়া হৈছে। যদি ২৫০ টকাকৈ সংগ্ৰহ কৰা হয়, তেন্তে প্ৰায় ১০ লাখ টকা একত্ৰিত কৰিবলৈ পথ মোকোলোৱা হৈছে। ইতিমধ্যে সভাপতি আৰু যুটীয়া সম্পাদকে সদৌ অসম ১০৮ মৃত্যুঞ্জয় কৰ্মচাৰী সন্থাৰ নামত প্ৰতিবাদী কাৰ্যসূচীৰ বাবে হোৱাটছএপ গ্ৰুপত প্ৰতিবাদী কাৰ্যসূচীৰ বিষয়ে বিবৃতিযোগে প্ৰচাৰ কৰিছে। ১০৮ মৃত্যুঞ্জয় সেৱা চলাই থকা ইএমআৰআই গ্ৰীণ হেল্‌থ চাৰ্ভিছ নামৰ প্ৰতিষ্ঠানটোৱে কৰ্মচাৰীৰ দৈনিক উপস্থিতি অনলাইনযোগে নথিভুক্ত কৰিবলৈ সিদ্ধান্ত লোৱাৰ পিছতে একাংশ নেতা-সদস্যই সংগঠনৰ সংবিধানক আওকান কৰি নিজ ইচ্ছামতে, প্ৰতিবাদী কাৰ্যসূচী ঘোষণা কৰি প্ৰায় ১০ লক্ষ টকা সংগ্ৰহ কৰিবলৈ উঠি-পৰি লাগিছে বুলি সংগঠনটোৰ সৈতে জড়িত একাংশ নেতা-সদস্যই প্ৰকাশ কৰিছে। নাম প্ৰকাশত অনিচ্ছুক সংগঠনৰ সৈতে দীৰ্ঘকালে জড়িত কেইবাগৰাকী নেতাই প্ৰকাশ কৰা মতে, নীতিবৰ্হিভূত আৰু সংবিধানৰ নীতি উলংঘা কৰি প্ৰতিবাদী কাৰ্যসূচী ঘোষণা কৰা হৈছে। যাক লৈ সংগঠনটোৰ ভিতৰচ'ৰাত ব্যাপক বিভাজন আৰু খামখেয়ালিৰ সৃষ্টি হৈছে। সূত্ৰটোৱে প্ৰকাশ কৰা মতে, পূৰ্বে কোনো প্ৰতিবাদী কাৰ্যসূচী হাতত ল'বলগীয়া হ'লে মুখ্যতঃ সংগঠনৰ শীৰ্ষ পদবীধাৰী আৰু জ্যেষ্ঠ-কনিষ্ঠ কাৰ্যনিৰ্বাহক সদস্যৰ পৰামৰ্শ গ্ৰহণ কৰা হয়। পূৰ্বে যিমানবোৰ প্ৰতিবাদ কাৰ্যসূচী ৰূপায়ন কৰা হৈছে সকলোবোৰ কাৰ্যসূচীয়েই ঐক্যমতত উপনীত হৈ লোৱা সিদ্ধান্ত মৰ্মে ৰূপায়ন কৰা হৈছিল। কিন্তু প্ৰথমবাৰ নিজ মইমতালিৰে কেইজনমান নেতা-সদস্যই প্ৰতিবাদী কাৰ্যসূচী ঘোষণা কৰিছে। যিটো বিষয়ক লৈ প্ৰতিবাদ কৰা হৈছে সেইটো বিষয় প্ৰতিবাদ কৰিবলগীয়া বিষয় নহয়। প্ৰতিদিনে কৰ্তব্যত উপস্থিতি অনলাইনযোগে দিবলগীয়াৰ ব্যৱস্থা কৰিছে। এয়া কোনো সমস্যা নহয়। এতিয়া গোটেই পৃথিৱী অনলাইন ব্যৱস্থাৰ মাধ্যমেৰে চলে। সকলো কাৰ্যালয়তে আজিকালি এপত অনলাইনযোগে উপস্থিতি নথিভুক্ত কৰিবলগীয়া হয়। এয়া সময়ৰ সৈতে খাপ খোৱা এক ব্যৱস্থা। ইয়াত কোনো বিৰোধৰ কথা নাহে বুলি স্পষ্ট কৰিছে সংগঠনৰ কেইবাগৰাকী নেতাই। এতিয়া সদৌ অসম ১০৮ মৃত্যুঞ্জয় কৰ্মচাৰী সন্থা প্ৰতিবাদী কাৰ্যসূচীক লৈ দুটা ভাগত বিভক্ত হৈছে। এটা পক্ষই বিচাৰিছে অনলাইন এপত উপস্থিতি নথিভুক্ত হওক আৰু এই ব্যৱস্থা প্ৰৱৰ্তনে কোনো সমস্যাৰ সৃষ্টি নকৰে। সদৌ অসম ১০৮ মৃত্যুঞ্জয় কৰ্মচাৰী সন্থাৰ সভাপতি আৰু যুটীয়া সম্পাদকে হোৱাটছএপত প্ৰকাশ কৰা বিবৃতিত কোৱা হৈছে যে নিজৰ প্ৰাপ্যৰ পৰা বঞ্চিত কৰিলে লাচিতৰ দেশৰ মানুহে, প্ৰথম শাৰীৰ পৰা যুদ্ধ কৰি ন্যায় কাঢ়ি আনিব পৰাটো অসমৰ ইতিহাসে সাক্ষী দিয়ে। তেনে এক ইতিহাসৰ পুনৰাবৃত্তি কৰাৰ সময় সমাগত। কেন্দ্ৰীয় প্ৰতিনিধি, প্ৰভাৰী, জিলা সমিতি আৰু সাধাৰণ সদস্যসকলৰ লগত কেইবালানি আলোচনাৰ লগতে অল ইণ্ডিয়া ট্ৰেড ইউনিয়ন কংগ্ৰেছৰ সাধাৰণ সম্পাদক আৰু আইনজ্ঞৰ লগত আলোচনা, মত-বিনিময়, যুক্তি-যুক্ততা বিশ্লেষণ কৰি কিছু সিদ্ধান্ত সৰ্বসন্মতিক্ৰমে গ্ৰহণ কৰা হয়। আমাৰ প্ৰাপ্য আৰু দাবীসমূহ খুব সুন্দৰ আৰু স্পষ্টভাৱে উল্লেখ কৰি নিৰ্ধাৰিত সময়ত উক্ত দাবীসমূহ পূৰণ নকৰিলে নিম্ন উল্লেখিত প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ন কৰিবলৈ বাধ্য হ'ম বুলি এখন পত্ৰ মুখ্য কাৰ্যালয়লৈ প্ৰেৰণ কৰা হ'ব। যাৰ প্ৰতিলিপি অসম চৰকাৰৰ বিভিন্ন বিভাগ, মুখ্যমন্ত্ৰী, স্বাস্থ্যমন্ত্ৰী, এনঅইচএম, শ্ৰম আয়ুক্ত মহোদয় আৰু হায়দৰাবাদৰ মুখ্য কাৰ্যালয়লৈ প্ৰেৰণ কৰা হ'ব। উক্ত কাৰ্য্যসূচীসমূহৰ সমান্তৰালভাৱে গুৱাহাটী উচ্চ ন্যায়ালয়ত এটা গোচৰ আৰু জিলাই প্ৰতি অসমবাসী ৰাইজ আৰু কৰ্মচাৰীৰ মানৱ অধিকাৰ ভংগ কৰাৰ বাবে গোচৰ ৰুজু কৰিবলৈ প্ৰস্তুতি প্ৰায় সমাপনৰ পৰ্যায়ত আছে। ঘোষিত কাৰ্যসূচী অনুসৰি ১০ ফেব্ৰুৱাৰীত গুৱাহাটীত এক ঘণ্টীয়া অনশন, অনশন কাৰ্যসূচীৰ ঠিক ৭২ ঘণ্টাৰ পিছত ১৪ ফেব্ৰুৱাৰীৰ পৰা আসোঁৱাহপূৰ্ণ এটেনডেন্টে এপ বৰ্জন কৰা হ'ব। এপ বৰ্জনৰ পুনৰ ৭২ ঘণ্টাৰ পিছত ১৮ ফেব্ৰুৱাৰীৰ পৰা কেচ ক্লজিং বন্ধ কৰা হ'ব। ২৬ ফেব্ৰুৱাৰীত ২৪ ঘণ্টা কৰ্মবিৰতি পালনৰ সিদ্ধান্ত গ্ৰহণ কৰা হৈছে। তাৰ পিছতো সমস্যা সমাধান নহ'লে মাৰ্চ মাহত অনিৰ্দিষ্টকাললৈ কৰ্মবিৰতি লোৱাৰ সিদ্ধান্ত গ্ৰহণ কৰা বুলি প্ৰকাশ কৰিছে সভাপতি আৰু যুটীয়া সম্পাদকে। এইবাৰ আইনী যুঁজৰ বাবে বিশেষ প্ৰস্তুতি আৰম্ভ হৈছে। এই যুঁজৰ বাবে এক বৃহৎ পৰিমাণৰ ধনৰ প্ৰয়োজন নিশ্চয় আছে। সেইবাবে এই মাহৰ দৰমহা পোৱাৰ পিছত বা আগতেই প্ৰতিজন সদস্যই ২৫০ টকাকৈ জিলা সমিতিৰ জৰিয়তে কেন্দ্ৰীয় সমিতিলৈ প্ৰেৰণ কৰিব লাগিব বুলিও সিদ্ধান্ত গ্ৰহণ কৰিছে। ইপিনে যিসকল নেতা-সদস্যই সমিতিৰ অনুশাসন ভংগ কৰিব তেওঁলোকৰ বিৰুদ্ধে ব্যৱস্থা গ্ৰহণৰ হুংকাৰ দিছে সভাপতি আৰু যুটীয়া সম্পাদকে। দুয়োগৰাকী নেতাই সন্থাৰ অফিচিয়েল হোৱাটছএপত এইখিনি কথা উল্লেখ কৰাৰ পিছতে একাংশ সদস্য নাৰাজ হৈ পৰিছে। ৪ হাজাৰ কৰ্মচাৰীক অন্ধকাৰত ৰাখি সংগঠনৰ একাংশ নেতৃত্বই নিজৰ মুনাফাৰ বাবে প্ৰতিবাদী কাৰ্যসূচী ঘোষণা কৰা বুলি ক্ষোভ জাহিৰ কৰিছে। অসমৰ জনগণত মৃত্যুঞ্জয় ১০৮ সেৱাই বিগত ১৬ বছৰ ধৰি সেৱা আগবঢ়াই আহিছে। ক'ৰোনা কাল, অন্যান্য জৰুৰীকালীন সময়ৰ লগতে ২৪ ঘণ্টাই ইএমআৰআই গ্ৰীণ হেল্‌থ চাৰ্ভিছে চৰকাৰী বিধি মতে কাৰ্য সমাপণ কৰি গৈছে। তাৰ পিছতো একাংশ কৰ্মচাৰীৰ হেঁচাই ৰাইজৰ ক্ষতি কৰিব বুলি আশংকা কৰা হৈছে। ইপিনে কোম্পানীৰ কৰ্তৃপক্ষই কয় যে সকলো চৰকাৰী-বেচৰকাৰী প্ৰতিষ্ঠানত উপস্থিতি এপ ব্যৱহাৰ কৰা হয়। কৰ্মচাৰী সন্থাৰ একাংশ লোকে উপস্থিতি এপ বৰ্জনৰ কৰাৰ কথাটোৱে সেৱাৰ মনোভাৱক লৈ প্ৰশ্নৰ উত্থাপন কৰিছে।

প্ৰথম পৃষ্ঠাৰ পৰা...

# হাতীৰ গচকত ধূপধৰাত যুৱকৰ মৃত্যু

জনবসতিপূৰ্ণ অঞ্চললৈ প্ৰৱেশ কৰা বন্যহস্তীয়ে জিলাখনৰ বিভিন্ন প্ৰান্তত সময়ে-সময়ে সৃষ্টি কৰি আহিছে সন্ত্ৰাসৰ। ইয়াৰ মাজতে জিলাখনৰ পূব প্ৰান্তৰ ধূপধৰা থানাৰ অন্তৰ্গত ধনুভাঙাৰ বাখ্ৰাখুঁটি গাঁৱত আজি বন্যহস্তীৰ আক্ৰমণত প্ৰাণ হেৰুৱাবলগীয়া হয় এজন যুৱকে। বন্যহস্তীৰ আক্ৰমণত আহত হৈছে আন এজন ব্যক্তিও। প্ৰাপ্ত তথ্য মতে, ৰংজুলি বনাঞ্চলৰ কাৰ্যালয়ৰ ওচৰৰ ধনুভাঙাৰ বাখ্ৰাখুঁটি গাঁৱৰ দুজন ব্যক্তিয়ে বনাঞ্চলৰ কাষত গৰু চৰাবলৈ গৈছিল। কিন্তু সেই সময়তে বনাঞ্চলৰ পৰা ওলাই অহা এটা অকলশৰীয়া হাতীয়ে হঠাতে দুয়োকে খেদি আহে। প্ৰাণৰক্ষাৰ বাবে দুয়োজনে দৌৰি পলাবলৈ চেষ্টা কৰে যদিও ইয়াৰে এজনক হাতীটোৱে আক্ৰমণ কৰে। ফলত হাতীৰ গচকত থিতাতে প্ৰাণ হেৰুৱাবলগীয়া হয় বাখ্ৰাখুঁটি গাঁৱৰ পদ্মলোচন ৰাভা (৩৫) নামৰ যুৱকজনে। আনহাতে হাতীটোৰ আক্ৰমণত গুৰুতৰভাৱে আহত হয় একে গাঁৱৰে নবীন ৰাভা (৫৫) নামৰ আন এজন ব্যক্তি। পৰৱৰ্তী সময়ত আহত লোকজনক স্থানীয় ৰাইজে উদ্ধাৰ কৰি ততাতৈয়াকৈ গোৱালপাৰা চিকিৎসালয়লৈ প্ৰেৰণ কৰে। আহত ব্যক্তিজনৰ অৱস্থা গুৰুতৰ বুলি জানিব পৰা গৈছে। ইফালে ঘটনাস্থলীত উপস্থিত হৈ বন বিভাগৰ কৰ্মী আৰু আৰক্ষীয়ে মৃত যুৱকজনক উদ্ধাৰ কৰি মৰণোত্তৰ পৰীক্ষাৰ বাবে গোৱালপাৰালৈ প্ৰেৰণ কৰে। উল্লেখ্য যে, বিগত কেইবাদিনো ধৰি ধনুভাঙা-দেওশীলা বনাঞ্চলত এটা অকলশৰীয়া হাতীয়ে বিচৰণ কৰি থকা বুলি জানিবলৈ দিয়ে স্থানীয় ৰাইজে। হাতীৰ আক্ৰমণৰ ঘটনাৰ পিছতে সমগ্ৰ অঞ্চলটোত এক তীব্ৰ আতংকময় পৰিৱেশৰ সৃষ্টি হৈছে।

Nucleomed-পেটিচিটি স্কেন / PETCT Scan- 970701223

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# বনমালী চাহ বাগিচাত নৃশংস হত্যাকাণ্ড

বুধবাৰে নিশা সংঘটিত হয় এক নৃশংস হত্যাকাণ্ড। স্বামীয়ে এগৰাকী মহিলাৰ ককায়েকৰ লগ হৈ হত্যা কৰে পত্নীক। স্বামী আৰু ককায়েকে হত্যা কৰা মহিলাগৰাকী তিনি সন্তানৰ মাতৃ আৰু মৃত্যুৰ সময়ত এটি এবছৰীয়া সন্তান কোলাত আছিল মহিলাগৰাকীৰ। ঘটনাৰ তথ্য অনুসৰি, বুধবাৰে সন্ধিয়া বিক্ৰম ভূঞা নামৰ চাহ শ্ৰমিকজনে কৰ্মস্থানৰপৰা ঘৰলৈ আহি পোৱাৰ সময়তে পত্নী অনিতা ভূঞা আৰু তেওঁৰ ককায়েক অৰ্থাৎ বিক্ৰমৰ জেঠৈৱীয়েক প্ৰদীপ মুণ্ডাই কিবা কথাত তৰ্ক কৰি আছিল। সেই সময়ত সুৰামত্ত অৱস্থাত থকা বিক্ৰমো সেই তৰ্ক-বিতৰ্কত চামিল হৈ আৰু পৰৱৰ্তী সময়ত ই য়ে হতাহতি ৰূপ ধাৰণ কৰে। পৰিস্থিতি অধিক উত্তপ্ত হৈ পৰে আৰু মহিলাগৰাকীৰ ককায়েক প্ৰদীপ মুণ্ডা আৰু সুৰামত্ত স্বামী বিক্ৰম ভূঞাই নিশা মাৰ-ধৰ কৰাতে ক্ষান্ত নাথাকি ডিঙি চেপি হত্যা কৰে। ইফালে, আজি পুৱা ঘৰৰ ভিতৰত মহিলাগৰাকীৰ নিথৰ দেহ স্থানীয় ৰাইজে উদ্ধাৰ কৰি স্থানীয় গাঁওৰক্ষী বাহিনীৰ জৰিয়তে আৰক্ষীক খবৰ দিয়াত আৰক্ষীয়ে উদ্ধাৰ কৰে মৃতদেহটো। ঘটনাস্থলীত উপস্থিত হোৱা কাকতিবাৰী আৰক্ষীয়ে ইতিমধ্যে মৃতদেহটো মৰণোত্তৰ পৰীক্ষাৰ বাবে প্ৰেৰণ কৰিছে। আনহাতে, ঘটনা সন্দৰ্ভত তদন্তৰ বাবে আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰিছে মহিলাগৰাকীৰ স্বামী বিক্ৰম ভূঞা আৰু মহিলাগৰাকীৰ ককায়েক প্ৰদীপ মুণ্ডাক। এই ঘটনাই সমগ্ৰ অঞ্চলটোতে তীব্ৰ চাঞ্চল্যৰ সৃষ্টি কৰিছে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# ৰাজ্যসভাতো কংগ্ৰেছক গালি পাৰি

একেদৰেই সৰৱ হৈ পৰিল নৰেন্দ্ৰ মোদী। বৃহস্পতিবাৰে ৰাজ্যসভাত ৰাষ্ট্ৰপতিৰ অভিভাষণৰ ধন্যবাদ প্ৰস্তাৱত ভাষণ প্ৰদান কৰি প্ৰধানমন্ত্ৰীগৰাকীয়ে পুনৰ কয়, "কংগ্ৰেছৰ বাবে পৰিয়াল প্ৰথম, কিন্তু আমাৰ বাবে দেশ প্ৰথম।" তেওঁ অভিযোগ কৰে যে কংগ্ৰেছৰ ৰাজনীতি সদায় আনৰ লাইন চুটি কৰাৰ ওপৰত নিৰ্ভৰ কৰি আহিছে। সেইবাবেই তেওঁলোকে চৰকাৰক অস্থিৰ কৰি তুলিছে। যেতিয়াই কোনো ৰাজনৈতিক দল ক্ষমতালৈ আহে তেতিয়াই কংগ্ৰেছে তেওঁলোকক তললৈ টানি নিয়াৰ চেষ্টা চলায়। মোদীয়ে কয় যে এইবাৰ পৰিস্থিতি কংগ্ৰেছৰ বিৰুদ্ধেহে গৈছে। আনকি তেওঁলোকৰ অংশীদাৰসকলেও লোকসভা নিৰ্বাচনৰ পিছত তেওঁলোকক পৰিত্যাগ কৰি আছে। প্ৰধানমন্ত্ৰীয়ে দাবী কৰে যে কংগ্ৰেছে বি আৰ আম্বেদকাৰক কেতিয়াও প্ৰাপ্য সন্মান দিয়া নাছিল। মোদীয়ে কয়, "তেওঁলোকে আম্বেদকাৰক ভাৰতৰত্নৰ যোগ্য বুলিও গণ্য কৰা নাছিল। কিন্তু এতিয়া 'জয় ভীম' জপ কৰিবলৈ বাধ্য হৈছে।' কংগ্ৰেছে পৰিস্থিতিৰ হেঁচাত আম্বেদকাৰক স্মৰণ কৰিবলৈ বাধ্য হোৱা বুলিও দাবী কৰে প্ৰধানমন্ত্ৰী মোদীয়ে। লক্ষ্যণীয় যে, যদিও ৰাজনৈতিক ক্ষেত্ৰখনত বাৰে বাৰে কংগ্ৰেছ আৰু বিজেপিৰ বাকযুদ্ধ পৰিলক্ষিত হয়, কিন্তু এইবাৰ যেন এই বাকযুদ্ধক অন্যৰূপ প্ৰদান কৰিছে প্ৰধানমন্ত্ৰী মোদীয়ে। ৰাজ্যসভাত মোদীৰ অভিযোগ- কংগ্ৰেছৰ পৰা 'সকলোৰে বাবে সমৃদ্ধি' আশা কৰাটো ভুল। কাৰণ এই দলটো মাত্ৰ এটা পৰিয়ালক লৈহে ব্যস্ত থাকে। তেওঁলোকৰ ৰাজনীতি সদায় তুষ্টিকৰণৰ ওপৰত নিৰ্ভৰশীল। মোদীৰ কটুক্তি- "কংগ্ৰেছৰ বাবে তুষ্টিকৰণ একমাত্ৰ উপায়।" আনহাতে নিজৰ চৰকাৰৰ খতিয়ান দাঙি ধৰি প্ৰধানমন্ত্ৰী মোদীয়ে কয় যে ভাৰতে ২০১৪ চনৰ পিছত নতুন শাসন আৰ্হি দেখিছে। এই শাসনত তুষ্টিকৰণৰ বিপৰীতে সকলোৰে সন্তুষ্টিৰ ওপৰত গুৰুত্ব দিয়া হৈছে। মোদীয়ে কয়, "ৰাষ্ট্ৰ বিভাজনৰ বিষ সমাজত বিয়পাই দিয়াৰ প্ৰয়াস চলি আছে। বহু বছৰ ধৰি সকলো দলৰ অ'বিচি সাংসদে অ'বিচি পেনেলৰ বাবে সাংবিধানিক মৰ্যাদা প্ৰদানৰ দাবী জনাই আহিছে। কিন্তু কংগ্ৰেছে সেই দাবী মানি লোৱা নাছিল, কাৰণ সেইটো তেওঁলোকৰ ৰাজনৈতিক পৰিকল্পনাৰ লগত খাপ নাখায়। কিন্তু সেইটো কাৰ্যকৰী কৰিছে বিজেপি চৰকাৰে।" লক্ষ্যণীয় যে, লোকসভাৰ ভাষণৰ দৰেই বৃহস্পতিবাৰৰ ৰাজ্যসভাৰ প্ৰধানমন্ত্ৰীগৰাকীৰ দীঘলীয়া ভাষণো সাৰশূণ্য আছিল বুলি কটাক্ষ কৰিছে বিৰোধীয়ে। সমগ্ৰ ভাষণত কেৱল গান্ধী পৰিয়াল আৰু কংগ্ৰেছকে আক্ৰমণৰ লক্ষ্য কৰি লোৱা দেখা যায় প্ৰধানমন্ত্ৰী মোদীক। প্ৰধানমন্ত্ৰীগৰাকীৰ ভাষণৰ সময়ত বিজেপিৰ বহু নেতাই আমনি পাই এঘুমতি মাৰি লোৱা বুলিও কটাক্ষ কৰিছে প্ৰিয়ংকা গান্ধীকে ধৰি বিৰোধী সাংসদসকলে। এনে পৰিপ্ৰেক্ষিতত বিগত দহ বছৰ ক্ষমতাধিষ্ঠিত হৈ থাকিও কিয় কংগ্ৰেছ আৰু গান্ধী পৰিয়ালকে বাৰে বাৰে দেশৰ প্ৰধানমন্ত্ৰীগৰাকীয়ে ভাষণৰ সম্পদ হিচাপে ব্যৱহাৰ কৰিবলগীয়া হৈছে, সেই প্ৰশ্ন উত্থাপন কৰিছে ৰাজনৈতিক বিশ্লেষক সকলেও।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# এইবোৰ হৈয়েই থাকে, স্পষ্টীকৰণ

ট্ৰাম্পে ভাৰতলৈ ঘূৰাই পঠালে অবৈধ ভাৰতীয় অনুপ্ৰৱেশকাৰীক! আমেৰিকাৰ পৰা শতাধিক ভাৰতীয়ক বিতাড়িত কৰাক লৈ বৃহস্পতিবাৰে বিৰোধীয়ে উত্তাল কৰি তোলে সংসদভৱন। চৰকাৰক জবাবদিহী কৰা বিৰোধীৰ তীব্ৰ প্ৰতিবাদৰ মাজতে বৈদেশিক পৰিক্ৰমা মন্ত্ৰী এছ জয়শংকৰে স্পষ্ট কৰি দিয়ে যে প্ৰতিখন দেশৰ নাগৰিকক ঘূৰাই অনাটো মৌলিক দায়িত্ব। তেওঁ দাবী কৰে যে আমেৰিকাৰ এই পদক্ষেপ নতুন নহয়, বৰঞ্চ ২০১৩ চনৰ পৰাই বিতাড়িত লোকসকলক এইদৰে ঘূৰাই পঠিওৱা হৈছে। অৱশ্যে একে সময়তে তেওঁ আশ্বাস দিয়ে যে ভাৰত চৰকাৰে আমেৰিকা কৰ্তৃপক্ষৰ সৈতে যোগাযোগ কৰি বিতাড়িত হোৱা লোকসকলৰ লগত যাতে দুৰ্ব্যৱহাৰ নহয় সেয়া নিশ্চিত কৰিব। ৰাজ্যসভাত ভাষণ দি বৈদেশিক পৰিক্ৰমা মন্ত্ৰীগৰাকীয়ে কয়, "যিকোনো দেশেই নিজৰ অবৈধ অনুপ্ৰৱেশকাৰীক ঘূৰাই ল'ব লাগিব। কিন্তু আমাৰ প্ৰকৃত লক্ষ্য হ'ব লাগে এই অবৈধ অনুপ্ৰৱেশ চক্ৰৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা গ্ৰহণ কৰা।" তেওঁ কয় যে বিতাড়িতসকলৰ পৰা লাভ কৰা তথ্যৰ ভিত্তিত আইন প্ৰয়োগকাৰী সংস্থাই দালালৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা গ্ৰহণ কৰিব। উল্লেখ্য যে, মঙলবাৰে আমেৰিকাৰ সামৰিক বিমানেৰে ১০৪ জন ভাৰতীয় নাগৰিকক অমৃতসৰলৈ অনা হৈছিল। জানিব পৰা মতে, ইয়াৰে ৩৩ জন হাৰিয়ানাৰ, ৩৩ জন গুজৰাটৰ, ৩০ জন পঞ্জাৱৰ, ৩ জন মহাৰাষ্ট্ৰৰ, ৩ জন উত্তৰ প্ৰদেশৰ আৰু ২ জন চণ্ডীগড়ৰ বাসিন্দা। এই ঘটনাই সংসদত তীব্ৰ উত্তেজনাৰ সৃষ্টি কৰে। আলোচনাৰ দাবীত কংগ্ৰেছকে ধৰি কেইবাটাও বিৰোধী দলে সংসদত প্ৰতিবাদ সাব্যস্ত কৰে। আনকি অমৃতসৰৰ সাংসদ গুৰুজিৎ সিং আউজলাকে ধৰি কেইবাজনো নেতাই হেণ্ডকাফ পিন্ধি সংসদত প্ৰতীকী প্ৰতিবাদত যোগদান কৰে। ইফালে, বিতাড়ন প্ৰক্ৰিয়াক তীব্ৰ সমালোচনা কৰিছে কংগ্ৰেছ নেতা শশী থাৰুৰেও। তেওঁ কয়, "আমেৰিকাৰ অবৈধ অনুপ্ৰৱেশকাৰীক বিতাড়িত কৰাৰ অধিকাৰ আছে। কিন্তু ভাৰতীয়ক হেণ্ডকাফ লগাই অপৰাধী বা দুষ্কৃতিকাৰী হিচাপে ঘূৰাই পঠোৱাটো সম্পূৰ্ণ অপ্ৰয়োজনীয় আছিল।" তেওঁ দাবী কৰে যে আমেৰিকা প্ৰশাসনে তেওঁলোকক ব্যক্তিগত বিমান বা নিয়মীয়া যাত্ৰীবাহী বিমানেৰে ঘূৰাই পঠিয়াব পাৰিলেহেঁতেন, যিটো বহুত বেছি মানৱীয় হ'লহেঁতেন। মন কৰিবলগীয়া যে ২০২৪ চনত বাইডেন প্ৰশাসনৰ সময়ত ১১০০ৰো অধিক ভাৰতীয়ক বিতাড়িত কৰা হৈছিল। এইবাৰ এশৰো অধিক ভাৰতীয়ক প্ৰত্যাৱৰ্তনক লৈ ব্যাপক প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। অবৈধ অনুপ্ৰৱেশৰ দালালৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা গ্ৰহণৰ দাবী বাঢ়িছে। ভাৰতীয়ক আমেৰিকাৰ বিতাড়নে দেশত প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে।

Nucleomed- পেটচিটি স্কেন / PETCT Scan- 970701223

প্ৰথম পৃষ্ঠাৰ পৰা...

# যোৰহাটৰ এৰালতলিত ভকত-বৈষ্ণৱ

অনুষ্ঠান শ্ৰীমন্ত শংকৰদেৱ সংঘৰ ৯৪সংখ্যক বাৰ্ষিক অধিৱেশন আজিৰে পৰা চাৰিদিনীয়া কাৰ্যসূচীৰে পশ্চিম যোৰহাটৰ ম'হবন্ধাৰ এৰালতলি পথাৰত অনুষ্ঠিত হৈছে। ভকত-বৈষ্ণৱ, আই-মাতৃ, দৰ্শনাৰ্থীৰে লোকাৰণ্য হৈ পৰিছে অধিৱেশনস্থলীৰ লগতে অঞ্চলটো। আজি প্ৰথম দিনাই অধিৱেশনস্থলীত নিৰ্মাণ কৰা নামঘৰ, নাটঘৰ, দিল্লীৰ সংসদ ভৱনৰ আৰ্হিত নিৰ্মিত প্ৰতিনিধি সভাগৃহ, বিশেষ প্ৰতিনিধিৰ কক্ষ, বাণিজ্য মেলা, গ্ৰন্থমেলা-প্ৰদৰ্শনী, সেৱা বাহিনীৰ শিবিৰ, প্ৰতিনিধি শিবিৰ, মূল সভা মঞ্চ, ভোজনালয়, ৰন্ধনশালা, ভঁৰাল, আদৰণিৰ লগতে উপ-সমিতিসমূহৰ কাৰ্যালয়, ধৰ্মধ্বজাস্থলীৰ লগতে কাকডোঙাৰ পৰা পূবে ৰাষ্ট্ৰীয় পথ-উপ পথৰ সংযোগস্থলীলৈকে বিভিন্নগৰাকী ব্যক্তিৰ সোঁৱৰণত নিৰ্মিত তোৰণসমূহ উন্মোচন কৰা হয়। ৯৪সংখ্যক অধিৱেশনৰ লগত সংগতি ৰাখি যোৰহাট জিলাৰ সংঘৰ ৯৪ গৰাকী শিল্পীয়ে পৰিৱেশন কৰা সমূহীয়া বৰগীতেৰে প্ৰাক্তন পদাধিকাৰ তীৰ্থনাথ গোস্বামী সোঁৱৰণী মূল মঞ্চত দিনৰ ২ বজাৰ পৰা পদাধিকাৰ ড০ ভবেন্দ্ৰনাথ ডেকাৰ সভাপতিত্বত অনুষ্ঠিত সভাখনত অধিৱেশন উপলক্ষে নিৰঞ্জন বৰাৰ সম্পাদনাত প্ৰায় ৬০০ পৃষ্ঠাৰ স্মৃতিগ্ৰন্থ 'বৈকুণ্ঠ কুসুম'ৰ লগতে শ্ৰীমন্ত শংকৰদেৱ সংঘৰ সাহিত্য শাখা আৰু যোৰহাট জিলা সংঘৰ সাহিত্য শাখাই প্ৰকাশ কৰা ১৫ খন গ্ৰন্থ উন্মোচন কৰা হয়। স্মৃতিগ্ৰন্থ 'বৈকুণ্ঠ কুসুম' উন্মোচন কৰি অসম কৃষি বিশ্ববিদ্যালয়ৰ উপাচাৰ্য বিদ্যুৎ চৰণ ডেকাই কয়, "বৃহৎ অনুষ্ঠানটো প্ৰতিবছৰে ৰাজ্যৰ বিভিন্ন স্থানত আয়োজন কৰি অহা হৈছে। তাৰ বাবে নতুন পৰিকল্পনা বছৰি লৈ আহিছে যদিও মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ আদৰ্শৰে কিছু কাম কৰিব লাগে। কৃষি ক্ষেত্ৰত কৰিবলগা কামৰ ভিতৰত প্ৰতিবছৰৰ অধিৱেশনসমূহত যথেষ্ট শাক-পাচলিৰ প্ৰয়োজন হয়। অধিৱেশনৰ বাবে শাক-পাচলি প্ৰস্তুত কৰি লোৱা হয় যদিও সংগীসকলৰ স্বাৱলম্বীতাৰ বাবে পাছত একো কৰা নহয়। অসমত শালি খেতিৰ পাছত পথাৰবোৰ ছন পৰি থাকে। গতিকে, অধিৱেশন হৈ যোৱাৰ পাছত সংগীসকলে অধিৱেশন হৈ যোৱা স্থানতেই হওক নাইবা নিজৰ স্থানত শাক-পাচলিৰ খেতি কৰি ছন পৰি থকা মাটি ব্যৱহাৰ কৰি উৎপাদন কৰিলেহে মহাপুৰুষজনাৰ আদৰ্শ প্ৰচাৰ কৰা হ'ব। এই কাম কৰা উচিত।" বৈষ্ণৱ পণ্ডিত সোণাৰাম চুতীয়াৰ ৰচনাৱলীৰ প্ৰবন্ধৰ ইংৰাজী সংকলন উন্মোচন কৰি শ্ৰীমন্ত শংকৰদেৱ বিশ্ববিদ্যালয়ৰ উপাচাৰ্য মৃদুল হাজৰিকাই বৈষ্ণৱ পণ্ডিতজনক সন্মানীয় আৰু পণ্ডিত ব্যক্তি আছিল বুলি কয়। প্ৰজ্ঞাশ্ৰী দাসে গ্ৰন্থখন ইংৰাজীলৈ অনুবাদ কৰিছে। শ্ৰীমন্ত শংকৰদেৱ সংঘৰ অধীনত পৰিচালিত শংকৰদেৱ বিশ্ববিদ্যালয়খনৰ দহবছৰীয়া যাত্ৰাৰ চমু খতিয়ান আগবঢ়োৱাৰ লগতে সফলতা আৰু ভৱিষ্যত পৰিকল্পনাৰ সম্পৰ্কেও ব্যাখ্যা কৰে। বিশ্ববিদ্যালয়খনৰ প্ৰতিটো বিভাগতে সংঘৰ সংগীৰ সন্তানৰ বাবে দুখনকৈ আসন সংৰক্ষিত কৰাৰ লগতে ৩০ শতাংশ মাছুল ৰেহাই দিয়াৰো সিদ্ধান্ত কৰা হৈছে বুলি কয়। মহেশ্বৰ নেওগে গৱেষণা কৰি ডক্টৰেট ডিগ্ৰী লাভ কৰা ইংৰাজী ভাষাৰ গ্ৰন্থখন অসমীয়ালৈ অনুবাদ কৰে সিদ্ধান্ত গোস্বামী আৰু পৰিস্মিতা হাজৰিকাই। উন্মোচন কৰে পদাধিকাৰ ভবেন্দ্ৰনাথ ডেকাই। শ্ৰীমন্ত শংকৰদেৱ সংঘৰ শতবাৰ্ষিকীৰ সৈতে সংগতি ৰাখি এশখন মহৎ গ্ৰন্থ প্ৰকাশৰ পৰিকল্পনা কৰা বুলিও তেওঁ ভাষণত উল্লেখ কৰে। ডিম্বেশ্বৰ নেওগৰ 'যুগনায়ক শংকৰদেৱ', 'শ্ৰীমন্ত শংকৰদেৱ আৰু শংকৰদেৱৰ সময়' গ্ৰন্থ দুখনো উন্মোচন কৰা হয়। তদুপৰি, প্ৰতিভা বৰাই ব্ৰেইলিত লিখি উলিওৱা 'শ্ৰীমন্ত শংকৰদেৱৰ ভক্তি প্ৰদীপৰ গদ্যৰূপ'ৰ উন্মোচন কৰে ড০ জগত চন্দ্ৰ কলিতাই, 'শ্ৰীমন্ত শংকৰদেৱ সংঘৰ কেন্দ্ৰীয় আৰু জিলা শিশু, আই-মাতৃ কল্যাণ শাখাৰ ইতিবৃত্ত' গ্ৰন্থ উন্মোচন কৰি অসম মহিলা বিশ্ববিদ্যালয়ৰ উপাচাৰ্য অজন্তা বৰগোহাঁই ৰাজকোঁৱৰে শ্ৰীমন্ত শংকৰদেৱ সংঘই বৰ্তমান সময়ৰ লগত সংগতি ৰাখি আধুনিক প্ৰযুক্তি প্ৰয়োগ কৰিব লাগে বুলি ভাষণত উল্লেখ কৰে। গ্ৰন্থসমূহত কিউ আৰ ক'ড দিব লাগে তেতিয়া সকলোৱেই অধ্যয়ন কৰিব পাৰিব বুলি তেওঁ কয়। তদুপৰি, গুগ'লতো গ্ৰন্থখন দিলে বিশ্বৰ যিকোনো লোকেই বিভিন্ন ভাষাত অধ্যয়ন কৰিব পাৰিব বুলি কোৱাৰ লগতে বিশ্ববিদ্যালয়খনে উদ্ভাৱন কৰা ৰবটটো সংঘৰ আগন্তুক অধিৱেশনসমূহলৈ আনিব বুলিও উল্লেখ কৰে। মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ নাট্য সংকলন ডিমাছা ভাষালৈ অনুবাদ কৰা হৈছে। গ্ৰন্থখন উন্মোচন কৰে কাজিৰঙা বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ড০ বসন্ত খেতানে। 'শ্ৰীমন্ত শংকৰদেৱৰ জীৱনী' 'শংকৰদেৱ-মাধৱদেৱৰ সাহিত্যত নাৰী চৰিত্ৰ', 'ড০ বাণীকান্ত কাকতিৰ শংকৰদেৱ গ্ৰন্থৰ পুনৰ মুদ্ৰণ' শীৰ্ষক গ্ৰন্থ কেইখন ভৱেন্দ্ৰনাথ ডেকা প্ৰমুখ্যে সংঘৰ বিষয়ববীয়া আৰু শংকৰদেৱ বিশ্ববিদ্যালয়ৰ পঞ্জীয়ক আদিয়ে সমূহীয়াভাৱে উন্মোচন কৰে। তদুপৰি, শ্ৰীমন্ত শংকৰদেৱ সংঘৰ যোৰহাট জিলা সাহিত্য শাখাই প্ৰকাশ কৰা মৃদুল শইকীয়াৰ ভাগৱতৰ আধ্যাত্মিক বিশ্লেষণধৰ্মী গ্ৰন্থ 'অমৃত কথা' ড০ মানস প্ৰতীম, বৰাই, অৰুণা বৰাৰ প্ৰবন্ধ সংকলন 'প্ৰভাতী সুৰ্ব্বয', কবিতা পুথি 'অনুভৱৰ নিলাভ' ড০ ভৱেন্দ্ৰনাথ ডেকাই, মণিমালা বৰা কলিতাৰ কবিতা সংকলন 'কবিতা মালা' কুশল ঠাকুৰীয়াই, কবিতা সংকলন, কবিতা ৰহঘৰা চক্ৰধৰ সোণোৱাল, জুনুমণি বৰাৰ প্ৰবন্ধ বিথিকা ড০ জগত কলিতাই উন্মোচন কৰে। তাৰ পাছতে, শ্ৰীমন্ত শংকৰদেৱ সংঘৰ থ্ৰিফট এণ্ড ক্ৰেডিট কোঃঅপাঃ ছ'চাইটি লিমিটেডৰ সভা হৰেন্দ্ৰনাথ বৰাৰ সভাপতিত্বত অনুষ্ঠিত হয়। কুশল ঠাকুৰীয়াই উদ্বোধন কৰা সভাখনত ভৱেন্দ্ৰনাথ ডেকা, যোগেন মহন, বিশ্বজিৎ চক্ৰৱৰ্তী, সুশীল সৰকাৰ, সমীৰ দাসে বক্তব্য আগবঢ়ায়। পুৱা অধিৱেশনস্থলীৰ নামঘৰত প্ৰাতঃ প্ৰসংগ কৰাৰ পাছতে গছপুলি ৰোপণ কৰা হয়। জিলাখনৰ পৰা সংঘত পদাধিকাৰৰূপে কাৰ্যনিৰ্বাহ কৰি যোৱা কেইগৰাকীৰ সোঁৱৰণত নিৰ্মিত তোৰণসমূহ পুৱা বিভিন্নজন বৰেণ্য ব্যক্তিয়ে উন্মোচন কৰে। সন্ধিয়া শিশু, আই মাতৃ কল্যাণ সমিতিৰ সাধাৰণ পৰিষদৰ সভা অনুষ্ঠিত হয়। কিৰণ শইকীয়া বৰাৰ সঞ্চালনাত অনুষ্ঠিত সভাত প্ৰধান সম্পাদক পদাধিকাৰৰ লগতে ড০ গীতিমণি হাতীমুৰীয়া, ডা০ পল্লৱী বৰাই ভাষণ আগবঢ়ায়। নিশালৈ অনুষ্ঠিত অংকীয়া নাট প্ৰদৰ্শনৰ শুভাৰম্ভ কৰে দিপাংকৰ বিশ্ব দত্তই। প্ৰথম দিনাৰ সাংস্কৃতিক সমাৰোহ এঞ্জেলা চাংমাইয়ে শুভাৰম্ভ কৰাৰ লগতে কেন্দ্ৰীয় সেৱা বাহিনীৰ সাধাৰণ পৰিষদৰ সভা ভৱেন্দ্ৰনাথ ডেকাই সঞ্চালনা কৰে। কুশল ঠাকুৰীয়াই উদ্বোধন কৰা সভাখনত কেইবাগৰাকী বিশিষ্ট ব্যক্তিয়ে বক্তব্য আগবঢ়ায়। ইফালে ৭ ফেব্ৰুৱাৰীত পুৱা পৰিৱেশ নিকাকৰণ, প্ৰাতঃ প্ৰসংগৰ পিছতে জিলা শাখাৰ সভাপতি-সম্পাদকসকলৰ সন্মিলন আৰু ১১ বজাৰ পৰা সাহিত্য শাখা সমিতিৰ মুকলি সভা মূল মঞ্চত অনুষ্ঠিত হ'ব। ২ বজাৰ পৰা সংস্কৃতি শাখাৰ মুকলি সভাত তেজপুৰ বিশ্ববিদ্যালয়ৰ ড০ প্ৰদীপজ্যোতি মহন্ত, ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ড০ জীতেন হাজৰিকা, মাজুলী সাংস্কৃতিক বিশ্ববিদ্যালয়ৰ পঞ্জীয়ক ড০ বিনোদ বৰা, শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰ সমাজৰ সচিব সুদৰ্শন ঠাকুৰৰ লগতে সাংসদ পবিত্ৰ মাৰ্ঘেৰিটা, মন্ত্ৰী বিমল বৰা উপস্থিত থাকিব। নৃত্যাচাৰ্য্য যতীন গোস্বামী আৰু সংগীত নাটক অকাডেমি বঁটাপ্ৰাপক ৰামকৃষ্ণ তালুকদাৰেও অংশগ্ৰহণ কৰিব এই মুকলি সভাত। সন্ধিয়া সমূহীয়া প্ৰাৰ্থনাৰ পাছতে নাম-প্ৰসংগ, নিশালৈ সাংস্কৃতিক সমাৰোহ আৰু অংকীয়া নাট প্ৰদৰ্শন কৰা হ'ব। সন্ধিয়া ৭ বজাৰ পৰা প্ৰতিনিধিৰ সভাকক্ষত হ'বলগীয়া প্ৰতিনিধি সভাত আদৰণি ভাষণ আগবঢ়াব মন্ত্ৰী অজন্তা নেওগে।

• ইউনিক বৰা ফটোগ্ৰাফী ইনষ্টিটিউট •
• অসমীয়া মাধ্যমত শিকক ফটোগ্ৰাফী আৰু ইডিটিংৰ প্ৰতিটো কথা •
• গুৱাহাটীত অৱস্থিত উন্নত মানদণ্ডৰ ষ্টুডিঅ'ত শিক্ষা গ্ৰহণৰ সুবিধা •
• আসন সীমিত, শীঘ্ৰেই যোগাযোগ কৰক •
UniqueBorah.Com
88764 90887
নামভৰ্তিৰ বাবে ওপৰৰ নংত যোগাযোগ কৰক।

# শব্দ প্ৰদূষণ! চিৰিয়াখানাত জিৰাফৰ মৃত্যু

**ই-সংবাদ, ৬ ফেব্ৰুৱাৰীঃ** অসম ৰাজ্যিক চিৰিয়াখানাৰ ভিতৰত চলি থকা নিৰ্মাণ কাৰ্য কাল হৈ পৰিছে নেকি জীৱ-জন্তুৰ বাবে। নিৰ্মাণ কাৰ্যত ব্যৱহৃত যন্ত্ৰ-পাতিৰ বিকট শব্দ মৃত্যুৰ কাৰণ হৈছে নেকি? বিগত ২৪ ঘণ্টাত গুৱাহাটীৰ চিৰিয়াখানা এলেকাত এই অভিযোগ সঘনাই উত্থাপন হ'ব ধৰিছে। কিয়নো বুধবাৰে সন্ধিয়া এটা সুস্থ-সবল জিৰাফৰ আকস্মিক মৃত্যু হয়। সুস্থ জিৰাফটোৰ শব্দ প্ৰদূষণৰ ফলত মৃত্যু হোৱাৰ সন্দেহ কৰিছে। ইপিনে জিৰাফৰ মৃত্যুৰ ঘটনাক লুকুৱাৰ প্ৰয়াস কৰে চিৰিয়াখানা কৰ্তৃপক্ষই। সাংবাদমাধ্যমে যাতে জিৰাফটোৰ মৃত্যুৰ খবৰ নাপায় তাৰ বাবে বিভিন্ন কৌশল ৰচনা কৰে কৰ্তৃপক্ষই। অসম ৰাজ্যিক চিৰিয়াখানাত এটা প্ৰকাণ্ড জিৰাফৰ অস্বাভাৱিক মৃত্যুক লৈ প্ৰকৃতিপ্ৰেমী সংগঠনসমূহো নিমাত। চিৰিয়াখানা কৰ্তৃপক্ষৰ ভুলৰ বাবেই জিৰাফটোৰ অকাল মৃত্যু হোৱাৰ সন্দেহ কৰা হৈছে। বুধবাৰে সন্ধিয়া জিৰাফটোক মৃত অৱস্থাত উদ্ধাৰ কৰিছিল কৰ্তৃপক্ষই। ২০২১ চনত দুটা জিৰাফৰ মৃত্যু হৈছিল। ২০২০ চনত মহীশূৰৰ চমৰাজেন্দ্ৰ জু'লজিকেল পাৰ্কৰ পৰা অসম ৰাজ্যিক চিৰিয়াখানালৈ অনা হৈছিল 'ৰঙিলী' আৰু 'বিজয়'ক। 'বিজয়'ৰ কেইটামান মাহৰ পূৰ্বে মৃত্যু ঘটিছিল। আনহাতে ২০২১ চনৰ ২৪ ডিচেম্বৰত 'ৰঙিলী'ৰ মৃত্যু হৈছিল। ২০১৮ চনত এটা মাইকী জিৰাফ ৰাজ্যিক চিৰিয়াখানালৈ অনা হৈছিল।

## শৈক্ষিক খণ্ডত গুণগত মান বৃদ্ধিৰ পদক্ষেপেই হৈছে গুণোৎসৱ

# শিক্ষকৰ ৰূপত চাবুৱাৰ বিধায়ক পোনাকণ বৰুৱা

**ই সংবাদ, চাবুৱা-লাহোৱাল, ৬ ফেব্ৰুৱাৰীঃ** ৰাজ্যত আৰম্ভ হৈছে তৃতীয় পৰ্যায়ৰ গুণোৎসৱ। তৃতীয় পৰ্যায়ত উজনিৰ ডিব্ৰুগড় জিলাত গুণোৎসৱ অনুষ্ঠিত হৈছে। আজি জিলাৰখনৰ পানীতোলা শিক্ষা খণ্ডৰ অন্তৰ্গত পি এম শ্ৰী কাঞ্জিখোৱা প্ৰাথমিক বিদ্যালয়ত চাবুৱা সমষ্টিৰ বিধায়ক পোনাকণ বৰুৱাই উপস্থিত হৈ ছাত্ৰ-ছাত্ৰীসকলৰ সৈতে মত-বিনিময় কৰে। পি এম শ্ৰী কাঞ্জিখোৱা প্ৰাথমিক বিদ্যালয়ৰ গুণোৎসৱত বহী মূল্যাংকনৰ লগতে সকলো দিশতে পৰ্যবেক্ষন কৰে বিধায়ক বৰুৱাই। পি এম শ্ৰী কাঞ্জিখোৱা প্ৰাথমিক বিদ্যালয়ৰ গুণোৎসৱত আন এগৰাকী বহী মূল্যায়ক হিচাপে উপস্থিত থাকে চাবুৱাৰ ডিডিআৰ মহাবিদ্যালয়ৰ সহকাৰী অধ্যাপিকা মৃদুস্মিতা ঘৰফলীয়াই। বিধায়ক পোনাকণ বৰুৱাই কয় যে গুণগত শিক্ষাৰ মান নিশ্চিতকৰণ আৰু শৈক্ষিক মানদণ্ড উন্নত কৰাৰ লক্ষ্যৰে সোমবাৰৰ পৰা আৰম্ভ হৈছে গুণোৎসৱ-২০২৫। শিক্ষক আৰু ছাত্ৰ-ছাত্ৰীসকলক ভাল কাম কৰিবলৈ তথা সেই কামসমূহ প্ৰদৰ্শন কৰিবলৈ অনুপ্ৰাণিত কৰাৰ উদ্দেশ্যে এক বিশেষ অভিযানৰ অংশ হিচাপে প্ৰাথমিক পৰ্যায়ত ছাত্ৰ-ছাত্ৰীৰ শিক্ষণ স্তৰৰ উন্নতি অনাৰ বাবে শৈক্ষিক খণ্ডত ৰাজ্যৰ গুণগত মান বৃদ্ধিৰ এক পদক্ষেপেই হ'ল গুণোৎসৱ। গুণোৎসৱৰ এগৰাকী মূল্যায়নকাৰী হিচাপে আজি পি এম শ্ৰী কাঞ্জিখোৱা প্ৰাথমিক বিদ্যালয়ত উপস্থিত হোৱাৰ অভিজ্ঞতা জীৱনৰ বাবেই স্মৰণীয় হৈ থাকিব। ১৯১০ চনতেই প্ৰতিষ্ঠিত বিদ্যালয়খনৰ ছাত্ৰ-ছাত্ৰীসকলৰ সৈতে মত-বিনিময় কৰাৰ লগতে তেওঁলোকৰ প্ৰতিভা দেখি অভিভূত হও। প্ৰতি বছৰে প্ৰকাশ হৈ আহিছে বিদ্যালয়খনত একোখনকৈ প্ৰাচীৰ পত্ৰিকা। দেখি ভাল লাগিল বিদ্যালয় চৌহদত এখন কিটচেন গাৰ্ডেন প্ৰস্তুত কৰাৰ বিষয়টো। প্ৰধান শিক্ষক মুকুল হাজৰিকাই আমাক দেখুৱাইছিল শিশু গ্ৰন্থৰ সংগ্ৰহেৰে সৰু গ্ৰন্থাগাৰটো। সকলো দিশতেই উন্নবিদ্যালয়খনৰ মধ্যাহ্ন ভোজনো খুউব সুন্দৰকৈ চলি আহিছে। পি এম শ্ৰী কাঞ্জিখোৱা প্ৰাথমিক বিদ্যালয়ৰ গুণোৎসৱত প্ৰধান শিক্ষক মুকুল হাজৰিকাৰ লগতে শিক্ষক-শিক্ষয়িত্ৰী, মধ্যাহ্ন ভোজনাৰ ৰান্ধনী আদি উপস্থিত থাকে। পানীতোলা শিক্ষাখণ্ডৰ অন্তৰ্গত সৰ্বমুঠ ১৫৪ খন বিদ্যালয়ত অনুষ্ঠিত হৈছে গুণোৎসৱ। ইতিমধ্যে বুধবাৰে প্ৰথম দিনা ৫২ খন বিদ্যালয়ত গুণোৎসৱ অনুষ্ঠিত হৈ গ'ল। বৃহস্পতিবাৰে দ্বিতীয় দিনা ৫২খন বিদ্যালয়ত অনুষ্ঠিত হৈছে গুণোৎসৱ।

# নগাঁৱত বিশ্ব ৰেডিঅ' দিৱসৰ আয়োজন

**ই-সংবাদ, বেবেজীয়া, ৬ ফেব্ৰুৱাৰীঃ** ২০২৪ বৰ্ষৰ ১৩ ফেব্ৰুৱাৰীত জন্ম হোৱা মধ্য অসম ৰেডিঅ' শ্ৰোতা সংঘৰ সৌজন্যত নগাঁও জিলাৰ ৰূপহী মহাবিদ্যালয়ৰ প্ৰেক্ষাগৃহত অহা ১৩ ফেব্ৰুৱাৰীত বিশ্ব ৰেডিঅ' দিৱস আৰু সংঘৰ বাৰ্ষিক প্ৰতিষ্ঠা দিৱসটি উদযাপনৰ দিহা কৰা হৈছে। কাৰ্যসূচী অনুসৰি সেইদিনা পুৱা ৯ বজাত ৰূপহী মহাবিদ্যালয় প্ৰাংগনৰ পৰা এটি চাইকেল ৰেলিৰে অনুষ্ঠানৰ শুভাৰম্ভ কৰা হ'ব। তাৰ পিছতে বৃক্ষ ৰোপন আৰু থিতাতে লিখা ৰচনা প্ৰতিযোগীতা অনুষ্ঠিত হ'ব। দিনৰ ১১ বজাত ৰূপহী মহাবিদ্যালয়ৰ প্ৰেক্ষাগৃহত অনুষ্ঠিত হব মুকলি সভা আৰু ৰেডিঅ' বিতঁৰণ কাৰ্যসূচী। ৰেডিঅ'ক জনতাৰ মাজলৈ লৈ যোৱাৰ অনন্য প্ৰয়াস হিচাপে ছাত্ৰ-ছাত্ৰী আৰু জনগণৰ মাজত বিভিন্ন কাৰ্যসূচীৰ ওপৰি বৰ্তমান উঠি অহা প্ৰজন্মৰ মাজত ড্ৰাগছৰ প্ৰচলন ৰোধ কৰাৰ ক্ষেত্ৰটো এক বিশেষ আলোচনা অনুষ্ঠিত হব। উল্লেখ্য যে, মধ্য অসম ৰেডিঅ' শ্ৰোতা সংঘই এই বৰ্ষৰ লোকশিল্পী বঁটা বিশিষ্ট অনাঁতাৰ শিল্পী মিলেশ্বৰ ডেকালৈ আগবঢ়োৱাৰ কথা ঘোষণা কৰিছে আৰু উক্ত বঁটা সেইদিনাই প্ৰদান কৰা হ'ব বুলি মধ্য অসম ৰেডিঅ' শ্ৰোতা সংঘৰ মুখ্য সঞ্চালক কিৰণ চন্দ্ৰ নাথে জানিবলৈ দিছে ।

# অসামৰিক প্ৰতিৰক্ষাৰ স্বেচ্ছাসেৱকৰ প্ৰশিক্ষণৰ সামৰণি

**ই-সংবাদ, ডুমডুমা, ৬ ফেব্ৰুৱাৰীঃ** তিনিচুকীয়া অসামৰিক প্ৰতিৰক্ষা বিভাগৰ স্বেচ্ছাসেৱকৰ ২২ দিনীয়া প্ৰশিক্ষণ কাৰ্যসূচীৰ আজি সফল সামৰণি পৰে। এই উপলক্ষে পুৱাৰ ভাগত তিনিচুকীয়াৰ বৰগুৰিস্থিত অসামৰিক প্ৰতিৰক্ষা বিভাগৰ কাৰ্যালয়ৰ পৰা জিলা পৰিষদৰ কাৰ্যালয়ৰ সন্মুখলৈকে এক চাফাই অভিযান চলোৱা হয়। তাৰ পিছতে কাৰ্যালয়ৰ চৌহদত অনুষ্ঠিত হোৱা সভাত ৩৪ গৰাকী প্ৰশিক্ষাৰ্থীক প্ৰমাণ পত্ৰ বিতৰণ কৰা হয়। মুখ্য প্ৰতিপালক ড০ ৰাজীৱ বৰদলৈয়ে সঞ্চালনা কৰা সামৰণি অনুষ্ঠানত অসামৰিক প্ৰতিৰক্ষা বিভাগ, তিনিচুকীয়াৰ ভাৰপ্ৰাপ্ত নিয়ন্ত্ৰক তথা অতিৰিক্ত জিলা আয়ুক্ত মন্দিৰা বৰুৱা, ভাৰপ্ৰাপ্ত উপ-নিয়ন্ত্ৰক ৰূপান্ত সোণোৱাল, দুৰ্যোগ ব্যৱস্থাপনা বিভাগৰ জিলা প্ৰকল্প বিষয়া ৰুবী গগৈ, জিলা অসামৰিক প্ৰতিৰক্ষাৰ উপ-মুখ্য প্ৰতিপালক মনোৰঞ্জন মৰাণ, প্ৰশিক্ষক মানৱজ্যোতি পাংগিং আদিও উপস্থিত থাকে। সভাত মুখ্য অতিথি হিচাপে দিয়া ভাষণত অতিৰিক্ত জিলা আয়ুক্ত মন্দিৰা বৰুৱাই অসামৰিক প্ৰতিৰক্ষা বিভাগৰ কামৰ শলাগ লয়। নিজৰ ভাষণত তেওঁ অসামৰিক প্ৰতিৰক্ষা বিভাগ জিলা প্ৰশাসনৰ এক অভিন্ন অংগ বুলি উল্লেখ কৰি স্বেচ্ছাসেৱকসকলৰ ভূমিকা অতুলনীয় আখ্যা দিয়ে। ধৃতি ভট্টাচাৰ্য, প্ৰেৰণা শ্ৰীবাস্তৱে আঁত ধৰা অনুষ্ঠানটোত প্ৰশিক্ষাৰ্থীসকলে নৃত্য, গীত পৰিৱেশনেৰে অনুষ্ঠানটো জীপাল কৰি তোলে।

# নামনি মাজুলীৰ ধৰ্মপ্ৰাণ ব্যক্তি, বৈষ্ণৱ কৃষ্ণ বৰাৰ মৃত্যু

**ই-সংবাদ বিশেষ, মাজুলী, ৬ ফেব্ৰুৱাৰীঃ** মাজুলী জিলাৰ নামনি মাজুলীৰ অভয়পুৰ গাঁৱৰ বাসিন্দা, আদিএলেঙী সত্ৰৰ প্ৰপন্ন বৈষ্ণৱ, সৰবৰহী, ধৰ্মপ্ৰাণ ব্যক্তি কৃষ্ণ বৰাৰ আজি দুপৰীয়া মৃত্যু হয়। নামনি মাজুলীত সত্ৰীয়া কৃষ্টি-সংস্কৃতিৰ প্ৰসাৰত অনবদ্য অৱদান আগবঢ়োৱা কৃষ্ণ বৰা বাৰ্ধক্যজনিত কাৰণত যোৱা এমাহ শৰ্য্যাশায়ী হৈ আছিল।নামনি মাজুলীৰ বালিচাপৰিৰ শ্ৰীশ্ৰী মুক্তিনাথ শিৱ মন্দিৰৰ প্ৰতিষ্ঠা কালৰ পৰাই তেওঁ নামলগোৱা, পাঠক আৰু দেউৰী হিচাপে অশেষ অৱদান আগবঢ়াই গৈছে। অভয়পুৰ গাঁৱৰ নামঘৰ নিৰ্মাণৰ লগতে নামঘৰ পৰিচালনা কৰাত আগভাগ লোৱা কৃষ্ণ বৰা এজন সমাজ হৈতষী ব্যক্তি আছিল। গাঁৱৰ দেউৰী, বিলনীয়া আদি ডাইছালি কৰ্ম কৰা কৃষ্ণ বৰা এজন জনপ্ৰিয় ব্যক্তি আছিল। মৃত্যুৰ সময়ত তেওঁৰ বয়স আছিল ৭১ বছৰ। মৃত্যুৰ সময়ত তেওঁ পত্নীসহ এজন পুত্ৰ, পাঁচগৰাকী কন্যা, পাঁচজন জোঁৱাই আৰু কেইবাজনো নাতি-নাতিনীক ইহ-সংসাৰত এৰি থৈ গৈছে। সৰবৰহী, ধৰ্মপ্ৰাণ ব্যক্তি কৃষ্ণ বৰাৰ মৃত্যুত নামনি মাজুলীৰ অভয়পুৰ, বালিচাপৰি, আদিএলেঙী সত্ৰত গভীৰ শোকৰ ছাঁ পৰিছে। ধৰ্মপ্ৰাণ ব্যক্তিজনৰ মৃত্যুত অভয়পুৰ গাঁৱৰ পৰিচালনা আৰু উন্নয়ন সমিতি, শ্ৰীশ্ৰী মুক্তিনাথ শিৱ মন্দিৰৰ পৰিচালনা সমিতি, আদিএলেঙী সত্ৰ পৰিচালনা সমিতি আদিয়ে গভীৰ শোক প্ৰকাশ কৰাৰ লগতে শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ সমবেদনা জ্ঞাপন কৰিছে।

# সানোৱা উচ্চতৰ মাধ্যমিক বিদ্যালয়ত তৃতীয় পৰ্যায়ৰ গুণোৎসৱ সম্পন্ন

**ই-সংবাদ, দুমুনিচকী, ৬ ফেব্ৰুৱাৰীঃ** ছিপাঝাৰ শিক্ষা খণ্ডৰ অন্তৰ্গত সানোৱা উচ্চতৰ মাধ্যমিক বিদ্যালয়ত আজি তৃতীয় পৰ্যায়ত গুণোৎসৱৰ বহিৰ্মূল্যায়ন অনুষ্ঠিত হৈ যায়। পুৱা ৯.০০ বজাত অনুষ্ঠিত ছাত্ৰ-ছাত্ৰীসকলৰ প্ৰাৰ্থনা আৰু প্ৰাতঃসভাত বিদ্যালয়ত বহিৰ্মূল্যায়ক হিচাপে উপস্থিত থাকে দেউমৰনৈ স্নাতক মহাবিদ্যালয়ৰ সহকাৰী অধ্যাপক ৰমেন চন্দ্ৰ লহকৰ আৰু দৰং জিলাৰ মঙলদৈস্থিত লোকেল ফাণ্ড অডিট কাৰ্যালয়ৰ সহকাৰী সঞ্চালক ইব্ৰাহীম আলী। প্ৰাৰ্থনা আৰু প্ৰাতঃসভাৰ পিছত জয়মতী কুঁৱৰী উচ্চ মাধ্যমিক বিদ্যালয়ৰ শিক্ষকসকলৰ তত্ত্বাৱধানত ছাত্ৰ-ছাত্ৰীসকলৰ বহিৰ্মূল্যায়ন আৰম্ভ হয়। গুণোৎসৱৰ বহিৰ্মূল্যায়ন কাৰ্যসূচীত বিদ্যালয়খনৰ একাডেমিক ইনচাৰ্জ নাজিমুদ্দিন আহমেদ, নোডেল শিক্ষক ৰাজীৱ ডেকা, বিদ্যালয় পৰিচালনা আৰু উন্নয়ন সমিতিৰ সভাপতি তথা উপ-সভাপতি ক্ৰমে চামছুল হক, চুলতান মাহমুদ আৰু মাতৃগোটৰ সঞ্চালিকা আনোৱাৰা বেগম সহ সদস্যসকলে সহযোগিতা আগবঢ়ায়।

## মেট্ৰিকৰ আগত আদিবাসী মহাসভা আয়োজনক লৈ মত-বিৰোধ

# ওদালগুৰিত আছাৰ জিলা সভাপতিক বহিষ্কাৰ

**ই-সংবাদ, ডিমাকুছি, ৬ ফেব্ৰুৱাৰীঃ** সদৌ অসম আদিবাসী ছাত্ৰ সন্থা চমুকৈ আছাৰ ওদালগুৰি জিলা সমিতিৰ সভাপতি প্ৰতাপ সিং গোঁড়ক বহিষ্কাৰ কৰা হয়। সংগঠনটোৰ সংবিধান উলংঘা কৰি সংগঠন বিৰোধী কাৰ্যত লিপ্ত হোৱাৰ অভিযোগত আছা নেতা প্ৰতাপ সিং গোঁড়ক আছাৰ সভাপতি পদৰ লগতে প্ৰাথমিক সদস্য পদৰ পৰা বহিষ্কাৰ কৰে। আজি ডিমাকুছি আছা ভৱনত সংগঠনটোৰ ওদালগুৰি জিলা সমিতিৰ এখন জৰুৰী কাৰ্যনিৰ্বাহক সভা অনুষ্ঠিত হয়। আদিবাসী ছাত্ৰ সন্থাৰ কেন্দ্ৰীয় সমিতিৰ উপ-সভাপতি প্ৰকাশ বাড়া আৰু কাৰ্যনিৰ্বাহক সদস্য শ্যাম সোনাৰ উপস্থিতিত অনুষ্ঠিত সভাই প্ৰতাপ সিং গোঁড়ক আছাৰ সভাপতি আৰু প্ৰাথমিক সদস্য পদৰ পৰা বহিষ্কাৰৰ সিদ্ধান্তৰ কথা সদৰি কৰে। সভাই পৰৱৰ্তী অধিৱেশন অনুষ্ঠিত নোহোৱা পৰ্যন্ত ওদালগুৰি জিলা সমিতিৰ বাবে শিৱদুত তাঁন্তী আৰু আলবিছ কেৰকেটাক ক্ৰমে সভাপতি আৰু সাধাৰণ সম্পাদক হিচাপে নিৰ্বাচন কৰি আছাৰ ওদালগুৰি জিলা সমিতিখন পুনৰ গঠন কৰে। সভাৰ শেষত সংবাদ মাধ্যমক সম্বোধন কৰি আদিবাসী ছাত্ৰ সন্থাৰ উপ-সভাপতি প্ৰকাশ বাড়াই কয় যে, হাইস্কুল শিক্ষান্ত আৰু উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাৰ প্ৰাকমুহূৰ্তত আছাৰ প্ৰদীপ নাগ গোটে ওদালগুৰি জিলাৰ ডিমাকুছিৰ বৰংগাজুলি চাহ বাগিচাত আদিবাসী মহাসভা অনুষ্ঠিত কৰিবলৈ ওলোৱা কাৰ্যতো তীব্ৰ অসন্তুষ্টি প্ৰকাশ কৰে আছা নেতাগৰাকীয়ে। আদিবাসী ছাত্ৰ-ছাত্ৰীৰ পৰীক্ষাৰ ফলাফল উন্নত কৰাত গুৰুত্ব আৰোপ কৰাৰ পৰিৱৰ্তে একাংশ তথাকথিত সংগঠনে মহাসভাৰ নামত ছাত্ৰ-ছাত্ৰীৰ জীৱন ধ্বংস কৰিবলৈ ওলাইছে বুলি অভিযোগ তুলি আছাৰ গডউইন হেমব্ৰম গোটে পৰীক্ষাৰ প্ৰাক্মুহূতত চাৰি পাঁচদিন আদিবাসী ৰাইজক নাচ-গানত ব্যস্ত কৰাই ৰখাৰ যুক্তি ক'ত বুলিও আদিবাসী মহাসভাৰ উদ্যোক্তাসকলক উদ্দেশ্যি প্ৰশ্ন কৰে আছা নেতাগৰাকীয়ে।

# তামুলপুৰত অংগনাবাড়ী কেন্দ্ৰৰ কৰ্মী, সহায়িকা নিযুক্তিত কেলংকাৰিৰ অভিযোগ

**ই-সংবাদ, তামুলপুৰ, ৬ ফেব্ৰুৱাৰীঃ** বিতৰ্কই লগ এৰা নাই তামুলপুৰৰ সংহত শিশু উন্নয়ন প্ৰকল্প বিষয়াৰ কাৰ্যালয়ক। তামুলপুৰ জিলাৰ তামুলপুৰ সংহত শিশু আৰু মহিলা উন্নয়ন প্ৰকল্পৰ ভাৰপ্ৰাপ্ত প্ৰকল্প বিষয়া কাৰ্যলয়ে একাংশ অংগনাবাড়ী কেন্দ্ৰত কৰ্মী আৰু সহায়িকা পদৰ বাবে আবেদন বিচাৰিছিল। এই আবেদনৰ ভিত্তিত খণ্ড পৰ্যায়ত আৰু জিলা পৰ্যায় বাছনি সমিতি গঠন কৰি প্ৰাৰ্থীসকলক নিৰ্বাচিত কৰাৰ বাবে মৌখিক পৰীক্ষাৰ অনুষ্ঠিত কৰে। ইমানলৈ সকলো প্ৰক্ৰিয়া ঠিকে আছিল যদিও শেহতীয়াকৈ এগৰাকী আবেদনকাৰীয়ে এগৰাকী প্ৰাৰ্থীৰ বিৰুদ্ধে গুৰুতৰ অভিযোগ আনিছে। আজি সাংবাদিকক জনোৱা মতে, অংগনবাড়ী কৰ্মী পদত আবেদন জনোৱা তামুলপুৰৰ তেতেলীগুৰি গাঁৱৰ ডিম্পী দাস নামৰ এগৰাকী প্ৰাৰ্থীয়ে আনিছে এই অভিযোগ। প্ৰাৰ্থীগৰাকীয়ে জানিবলৈ দিয়া মতে, বিগত ২৫ অক্টোবৰত তামুলপুৰ জিলাত অংগনবাড়ী কৰ্মী-সহায়িকা পদৰ বিজ্ঞাপন দিয়া হৈছিল। উক্ত বিজ্ঞাপনৰ অন্তিম তাৰিখ আছিল ৯ নৱেম্বৰ। তামুলপুৰ জিলাৰ তামুলপুৰ সংহত শিশু আৰু মহিলা উন্নয়ন প্ৰকল্পৰ অন্তৰ্গত ২নং তেতেলীগুৰিৰ ১২৪ নং কেন্দ্ৰত এটা অংগনবাড়ী কৰ্মী পদৰ বিজ্ঞাপন দিছিল। উক্ত পদৰ বিপৰীতে কেন্দ্ৰটোত নিৰ্ধাৰিত তাৰিখৰ ভিতৰত ৫ গৰাকী প্ৰাৰ্থীয়ে আবেদন জনাইছিল বুলি প্ৰাৰ্থীগৰাকীয়ে জনায় যদিও তাৰিখ উকলি যোৱাৰ পিছত উক্ত কেন্দ্ৰটোৰ বিপৰীতে খালী হোৱা অংগনাবাড়ী কৰ্মী পদত জনৈক পল্লৱী বৰ্মন নামৰ এগৰাকী প্ৰাৰ্থীয়ে অবৈধভাৱে আবেদন জনোৱাৰ অভিযোগ কৰিছে ডিম্পী দাস নামৰ প্ৰাৰ্থীগৰাকীয়ে। অভিযোগ অনুসৰি অন্তিম তাৰিখ উকলি যোৱাৰ পিছত স্থানীয় গাঁওবুঢ়াৰ পৰা প্ৰমাণপত্ৰ উলিয়াই অভিযুক্ত প্ৰাৰ্থীগৰাকীয়ে আবেদন কৰে। ইপিনে, উক্ত ঘটনাৰ তদন্ত বিচাৰি তামুলপুৰ জিলাৰ তামুলপুৰ সংহত শিশু আৰু মহিলা উন্নয়ন প্ৰকল্পৰ ভাৰপ্ৰাপ্ত প্ৰকল্প বিষয়াক আবেদন দিবলৈ আহে যদিও বিষয়াগৰাকীয়ে জিলা আয়ুক্তৰ হাতত এই আবেদন দিবলৈ কোৱাত ক্ষুব্ধ হৈ পৰে অভিযোগকাৰী প্ৰাৰ্থীগৰাকীৰ লগতে পৰিয়ালৰ সদস্য। উল্লেখ্য যে ডিম্পী দাসে উক্ত কেন্দ্ৰটোত কৰ্মী নোহোৱা বাবে বিগত এবছৰৰ পৰা বিনা বেতনে অংগনবাড়ী কৰ্মীৰ কাম কৰি আহিছে বুলি দাবী কৰে। ঘটনা সন্দৰ্ভত অসমৰ মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মা আৰু বিটিআৰ প্ৰধান প্ৰমোদ বড়োক উচিত তদন্ত কৰি ন্যায় প্ৰদান কৰিবলৈ আহ্বান জনায় অভিযোগকাৰী প্ৰাৰ্থীগৰাকীয়ে। এইক্ষেত্ৰত প্ৰয়োজনত আইনৰ আশ্ৰয় ল'ব বুলিও সাংবাদিকক জনাইছে অভিযোগকাৰী প্ৰাৰ্থী ডিম্পী দাসে। আজি সাংবাদিকৰ তামুলপুৰ সংহত শিশু আৰু মহিলা উন্নয়ন প্ৰকল্প বিষয়াগৰাকীক সমগ্ৰ ঘটনা সন্দৰ্ভত অৱগত কৰি তেওঁৰ পৰা জানিবলৈ বিচৰাত প্ৰাৰ্থী বাছনিৰ সকলো প্ৰক্ৰিয়া ঠিক মতে চলি আছে বুলি কয়। ইতিমধ্যে অভিযোগকাৰী প্ৰাৰ্থীগৰাকীয়ে সমগ্ৰ ঘটনাৰ সবিশেষ জিলা আয়ুক্তৰ ওচৰত দাখিল কৰিছে। জিলা আয়ুক্তই অভিযোগকাৰী ডিম্পী দাসৰ অভিযোগৰ সত্য-সত্যতা বিচাৰ কৰিলেহে প্ৰকৃত ৰহস্য ফাদিল হ'ব।

ROYAL CONSTRUCTION
MANUFACTURER OF
CEMENT BRICK, PAVER BLOCK, COLOR PAVER BLOCK, CEMENT TILES
FACTORY ADDRESS : TITKURI, KAMARGAON, RANGIA, KAMRUP(R)
CALL: +91 88 76 99 50 95, +91 99 57 41 80 39

## বিজেপি বিধায়ক সুৰেন ফুকনৰ বিৰুদ্ধে ৰাইজৰ প্ৰচণ্ড ক্ষোভ

# ডিগবৈৰ সমষ্টিৰ কাষৰীয়া এখনো বনগাঁৱে নাপালে ৰাজহ গাঁৱৰ স্বীকৃতি

**ই-সংবাদ, ডিগবৈ, ৬ ফেব্ৰুৱাৰীঃ** শেহতীয়াকৈ ৰাজ্য চৰকাৰে ৰাজ্য বিভিন্ন প্ৰান্তৰৰ কেইবাখনো বন গাঁৱক ৰাজহ গাঁৱৰ স্বীকৃতি দিয়াৰ কথা ঘোষণা কৰাৰ পাছতে ডিগবৈ সমষ্টিৰ ৰাইজক তীব্ৰ ক্ষোভ প্ৰকাশ কৰাহে দেখা গৈছে। ডিগবৈ সমষ্টিৰ বিশেষকৈ তামুলি বন গাঁও, পানবাৰী বন গাঁও, খেৰজান-ঢেকীয়াজান, মুলুক গাঁও, ভীমপথাৰ, বালিজান-বৰজান লক্ষীপথাৰৰ এটা অংশ আদিকে ধৰি কেইবাখনো বনগাঁৱত যুগ যুগ ধৰি খিলঞ্জীয়া ভূমিপুত্ৰ লোকসকলে বসবাস কৰি আছে। কিন্তু এইসমূহ গাঁৱৰ এখনো বনগাঁৱে বৰ্তমান ৰাজহ গাঁৱৰ স্বীকৃতি নাপালে। বিশেষকৈ স্থানীয় বিধায়ক সুৰেন ফুকনৰ দুৰ্বল ভূমিকাৰ বাবেই এই গাঁওসমূহ ৰাজহ গাঁও ৰূপে স্বীকৃতি নাপালে বুলি অভিযোগ তুলিছে স্থানীয় ৰাইজে। উল্লেখ্য যে বিগত সময়ত বিধানসভা সমষ্টিসমূহৰ পুনৰ্নিৰ্ধাৰণ কৰাৰ পাছত ডিগবৈ বিধানসভা সমষ্টিত নতুনকৈ অন্তৰ্ভুক্ত হোৱা বুঢ়ীদিহিং মৌজাৰ তিনিখনকৈ বনগাঁৱক ৰাজহ গাঁও ৰূপে স্বীকৃতি দিলে ৰাজ্য চৰকাৰে। কিন্তু পুৰণি ডিগবৈ সমষ্টিত অন্তৰ্গত এখনো বন গাঁৱে ৰাজহ গাঁৱৰ স্বীকৃতি নোপোৱাত বিধায়ক ফুকনে ব্যৱস্থা গ্ৰহণ নকৰাৰ অভিযোগ উঠিছে। উল্লেখ্য যে বহু হাজাৰ হাজাৰ লোকে উক্ত বন গাঁওসমূহত শ শ খন গাঁও পাতি বহু হাজাৰ বিঘা কৃষিভূমিত কৃষি কাৰ্য কৰি জীৱন নিৰ্বাহ কৰাৰ লগতে শ শ বিঘা মাটিত ঘৰ-বাৰী সাজি প্ৰজন্মৰ পাছত প্ৰজন্মই দিন পাৰ কৰাৰ পাছতো চৰকাৰী ভূমিৰ হিচাপে ৰাজহ সংগ্ৰহৰ স্বীকৃতি নোপোৱাত বিভিন্নজনে ক্ষোভ প্ৰকাশ কৰি নিজৰ নিজৰ বক্তব্যসমূহ সামাজিক মাধ্যমৰ জৰিয়তে প্ৰকাশ কৰা দেখা গৈছে।

# চেঙাৰ বাঘমাৰা-কাৰাইখাইতি প্ৰাথমিক বিদ্যালয়ত সম্প্ৰদায় উৎসৱ

**ই-সংবাদ, নগৰবেৰা, ৬ ফেব্ৰুৱাৰীঃ** বৰপেটাৰ জিলা সমগ্ৰ শিক্ষাৰ উদ্যোগত মন্দিয়া শিক্ষা খণ্ডৰ সহযোগত ইয়াৰ অন্তৰ্গত ফুলনৈ চৰ মণ্ডল সমল কেন্দ্ৰৰ অন্তৰ্গত ১২৫৬নং বাঘমাৰা কাৰাইখাইতি প্ৰাথমিক বিদ্যালয় প্ৰাংগণত আজি দিনজোৰা বৰ্ণাঢ্য কাৰ্যসূচীৰে সম্প্ৰদায় উৎসৱ আয়োজন কৰে। দহখন বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী, শিক্ষকসকলৰ উপস্থিতিত পুৱা ১০ বজাত কেন্দ্ৰটোৰ সমন্বয়ক ছাহজাহান আলী আহমেদে পতাকা উত্তোলন কৰাৰ পিছত বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীয়ে এন চি চি পেৰেড কৰে তাৰ পিছত স্মৃতিচাৰণ আৰু দোৱায়ে মাগফিৰাত, সাধাৰণ খেল-ধেমালি, প্ৰশ্নোত্তৰ প্ৰতিযোগিতা, নৃত্য প্ৰতিযোগিতা অনুষ্ঠিত হয়। ইয়াৰ পিছত আবেলি ২.৩০ বজাত ৮৬৮ নং বাঘমাৰা ফুলনৈ ছোৱালী প্ৰাথমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক আলহাজ আব্দুছ ছামাদ আহমেদৰ সভাপতিত্বত মুকলি আৰু বঁটা বিতৰণী সভা অনুষ্ঠিত হয়। সভাত দলগোমা আঞ্চলিক মহাবিদ্যালয়ৰ সহকাৰী অধ্যাপক আবু শ্বামা আহমেদে মুখ্য অতিথি হিচাপে উপস্থিত থাকি ভাষণ প্ৰদান কৰে। তদুপৰি বিদ্যালয়খনৰ সহকাৰী শিক্ষক নবীৰ আলমে অতিথিসকলৰ পৰিচয় পৰ্ব অনুষ্ঠান পৰিচালনা কৰা সভাত বাঘমাৰা চৰ ছিনিয়ৰ ছেকেণ্ডেৰী স্কুলৰ অধ্যক্ষ তাইজুদ্দিন সৰকাৰ, অধ্যাপক মহম্মদ আলী, ৭২ নং বাঘমাৰা গাঁও পঞ্চায়তৰ প্ৰাক্তন সভানেত্ৰী আকলিমা খাতুন, মৈৰাদিয়া প্ৰাথমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক হিকমত আলী, প্ৰাক্তন আঞ্চলিক সদস্য হবিবৰ ৰহমান ভূঞা, জালাল উদ্দিন মেমোৰিয়াল এম ই স্কুলৰ প্ৰধান শিক্ষক মিৰ্জা ওচমান গনি, বাঘমাৰা কাৰাইখাইতি প্ৰাথমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক জাকিৰ হুছেইন আৰু পৰিচালনা সমিতিৰ সভাপতি ফৰিজুল হকৰ লগতে অন্যান্য কেবাগৰাকী বিশিষ্ট অতিথি ৰূপে অংশ গ্ৰহণ কৰে। ফুলনৈ চৰ সমল কেন্দ্ৰৰ অন্তৰ্গত দহখন বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীয়ে বিভিন্ন প্ৰতিযোগিতামূলক কাৰ্যসূচীত অংশগ্ৰহণ কৰে।

# মৰিগাঁৱত জ্যেষ্ঠ নাগৰিক সভাৰ গুৰুত্বপূৰ্ণ বৰ্ধিত কাৰ্যনিৰ্বাহক সভা

**ই-সংবাদ, মৰিগাঁও, ৬ ফেব্ৰুৱাৰীঃ** মৰিগাঁও জিলা জ্যেষ্ঠ নাগৰিক সভাৰ এখন বৰ্ধিত কাৰ্যনিৰ্বাহ সভা আজি মৰিগাঁও চহৰৰ ঐতিহ্য ভৱনত অনুষ্ঠিত হয়। সভাৰ স্থায়ী সভাপতি মহেন্দ্ৰনাথ হাজৰিকাৰ সভাপতিত্ব অনুষ্ঠিত এই সভাত জিলাখনৰ অন্তৰ্গত মৰিগাঁও সদৰ জ্যেষ্ঠ নাগৰিক সভা, জাগীৰোড জ্যেষ্ঠ নাগৰিক সন্থা, ধৰমতুল জ্যেষ্ঠ নাগৰিক সন্মিলন, বাৰপূজীয়া জ্যেষ্ঠ নাগৰিক সন্মিলন আৰু আঁহতগুৰি জ্যেষ্ঠ নাগৰিক সন্মিলনৰ বহু কেইগৰাকী সদস্যই অংশগ্ৰহণ কৰে। সভাত জিলাখনৰ ৰাস্তা-ঘাট, বিশুদ্ধ খোৱা পানী, যান-বাহনকে ধৰি বহুকেইটা সমস্যাৰ ওপৰত বিস্তাৰিতভাৱে আলোচনা কৰা হয়। উক্ত সভাতে মৰিগাঁও জিলা জ্যেষ্ঠ নাগৰিক সভাক অসম জ্যেষ্ঠ নাগৰিক সন্মিলনৰ অন্তৰ্ভুক্ত কৰিবলৈ সৰ্বসন্মতিক্ৰমে প্ৰস্তাৱ গ্ৰহণ কৰা হয়। আনহাতে, মৰিগাঁও জিলা জ্যেষ্ঠ নাগৰিক সভাৰ অন্তৰ্গত শাখা আৰু আঞ্চলিক সভা কেইখনৰ সাংগঠনিক ভেটি অধিক শক্তিশালী কৰাৰ পোষকতা কৰে। লগতে জিলাখনৰ বিভিন্ন সমস্যাৰ বিষয়ে উল্লেখ কৰি মৰিগাঁৱৰ জিলা আয়ুক্তক এখন আবেদন পত্ৰ দিয়াৰ প্ৰস্তাৱ গ্ৰহণ কৰে। এই সভাতে জ্যেষ্ঠ নাগৰিক সভাৰ সত্তৰৰ উৰ্ধৰ সদস্যসকলৰ পূৰ্বতে বনোৱা আয়ুষ্মান কাৰ্ডসমূহ বিতৰণ কৰা হয়। লগতে প্ৰায় ২৫ খন নতুন কাৰ্ড দিয়াৰ ব্যৱস্থা গ্ৰহণ কৰা হয়। সভাত চৰকাৰে গ্ৰহণ কৰা নীতি অনুসৰি সত্তৰৰ উৰ্ধৰ লোকৰ পৰিৱৰ্তে যাঠিৰ উৰ্ধৰ লোকককহে আয়ুষ্মান কাৰ্ড দিয়াৰ ব্যৱস্থা গ্ৰহণ কৰাৰ বাবে অসম চৰকাৰক অনুৰোধ জনাই এটা প্ৰস্তাৱ গ্ৰহণ কৰা হয়। মৰিগাঁও জিলা জ্যেষ্ঠ নাগৰিক সভাৰ সম্পাদক ভুজেন ডেকাই আঁত ধৰা এই সভাত জিলা সমিতিৰ কাৰ্যকৰী সভাপতি তথা মৰিগাঁও জিলা সাহিত্য সভাৰ নৱনিৰ্বাচিত সভাপতিও উপস্থিত থাকে।

# সপ্তম শ্ৰেণীৰ ছাত্ৰীক নিৰ্যাতন চলাই ৰঙাঘৰৰ আলহী হ'ল বিজ্ঞান শিক্ষক

**ই-সংবাদ, বৰপেটাৰোড, ৬ ফেব্ৰুৱাৰীঃ** গুৰু শিষ্যৰ পৱিত্ৰ সম্পৰ্কত কালিমা সানিলে ৫৯ বছৰীয়া লম্পট শিক্ষক ছফিজুল হুছেইনে (বাবুল)। বৰপেটা জিলাৰ ৰূপসী শিক্ষা খণ্ডৰ অন্তৰ্গত এখন বিদ্যালয়ত সংঘটিত হৈছে শিক্ষিত সমাজক লজ্জানত কৰা জঘন্য ঘটনা। পাষণ্ড শিক্ষকৰ কামনাৰ বলি ১৩ বছৰীয়া এগৰাকী সপ্তম শ্ৰেণীৰ ছাত্ৰী। যোৱা মঙলবাৰে বিদ্যালয় ছুটিৰ পিছত ছাত্ৰীগৰাকীক স্কুলৰ চাবি বিচাৰি এগৰাকী ছাত্ৰীৰ দ্বাৰা মাতি পঠায় লম্পট শিক্ষক ছফিজুল হুছেইন ওৰফে বাবুলে। ছাত্ৰীগৰাকীয়ে শিক্ষকৰ আদেশ মতে স্কুললৈ অহাৰ পিছতে কোনো নথকাৰ সুযোগত শ্ৰেণী কোঠাতে যৌন নিৰ্যাতন চলায় বিজ্ঞান শিক্ষক ছফিজুল হুছেইনে। ইপিনে, ঘটনাৰ পিছতে ছাত্ৰীগৰাকীয়ে সমস্ত ঘটনা পৰিয়ালৰ লোকক জনোৱাৰ পিছতে লম্পট শিক্ষক ছফিজুল হুছেইনৰ বিৰুদ্ধে বুধবাৰে সৰভোগ থানাত এজাহাৰ দাখিল কৰে ছাত্ৰীগৰাকীৰ পৰিয়ালৰ লোকে। নিশাই সৰভোগ থানাৰ আৰক্ষীয়ে লম্পট শিক্ষক ছফিজুল হুছেইনক গ্ৰেপ্তাৰ কৰে। আজি সৰভোগ থানাই কেছ নং ১৩/২৫ আৰু ভাৰতীয় ন্যায় সংহিতা ৭৪, ১০ নং ধাৰাত POSCO আইনত এক গোচৰ ৰুজু কৰে। ইপিনে, এগৰাকী হিন্দু নাবালিকা ছাত্ৰী এজন লম্পট শিক্ষকৰ কামনাৰ বলি হোৱাৰ ঘটনাক তীব্ৰ ভাষাৰে গৰিহণা দিছে বিভিন্ন দল-সংগঠনে।

# ৰঙিয়া মহাবিদ্যালয়ত বাৰ্ষিক সপ্তাহৰ শুভাৰম্ভ

**ই-সংবাদ, ৰঙিয়া, ৬ ফেব্ৰুৱাৰীঃ** উত্তৰ কামৰূপৰ অগ্ৰণী উচ্চ শিক্ষানুষ্ঠান ৰঙিয়া মহাবিদ্যালয়ৰ বাৰ্ষিক সপ্তাহৰ শুভাৰম্ভণি উপলক্ষে আজি বিশাল সাংস্কৃতিক শোভাযাত্ৰা উলিওৱা হয়। প্ৰথম দিনাৰ প্ৰাথমিক কাৰ্যসূচীৰূপে ৰূপায়ণ কৰা সাংস্কৃতিক শোভাযাত্ৰত মহাবিদ্যালয়খনৰ সকলো বিভাগৰ ছাত্ৰ-ছাত্ৰীয়ে অংশগ্ৰহণ কৰে। ৰঙিয়া আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত বিষয়া নৱজিৎ নাথে উদ্বোধন কৰা শোভাযাত্ৰাত অসমীয়া চহা জনজীৱনৰ লগত জড়িত বিভিন্ন বিষয় উপস্থাপন কৰা হয়। ৰঙিয়া নগৰৰ মাজেৰে পৰিভ্ৰমণ কৰা সাংস্কৃতিক শোভাযাত্ৰা কালত অসমীয়া সমাজ জীৱনৰ লগত সংপৃক্ত বিষয়সমূহৰ ধাৰণা আগবঢ়োৱাৰ বিশেষ পদক্ষেপ গ্ৰহণ কৰা হয়। সাংস্কৃতিক, আধ্যাত্মিক, পৰম্পৰা সামৰি চহা জীৱনৰ লগত জড়িত বিষয় সংলগ্ন কৰাত দৃষ্টি নন্দন হৈ পৰে শোভাযাত্ৰাটি। উল্লেখ্য যে আজিৰে পৰা সাদিনিয়াকৈ অনুষ্ঠিত হ'বলগীয়া মহাবিদ্যালয় বাৰ্ষিক খেল সপ্তাহৰ প্ৰথমটো আকৰ্ষণীয় অনুষ্ঠান সাংস্কৃতিক শোভাযাত্ৰাত উন্নত তথা আকৰ্ষণীয় প্ৰদৰ্শন কৰা বিভাগসমূহক মহাবিদ্যালয় সপ্তাহৰ বঁটা বিতৰণী আনুষ্ঠানত সন্মানিত কৰা হ'ব।

# অখিল ভাৰতীয় সাহিত্য পৰিষদ, অসমৰ সভাত অৱনী ৰঞ্জন পাঠক

**ই-সংবাদ, গুৱাহাটী, ৬ ফেব্ৰুৱাৰীঃ** অখিল ভাৰতীয় সাহিত্য পৰিষদ, অসমে প্ৰতি বছৰে হেম সৰস্বতী দিৱস উদযাপন কৰি অহাৰ লেখিয়াকৈ এইবেলিও কালি হেম সৰস্বতী দিৱস উদযাপন কৰে। এইবেলি সামাজিক-সাংস্কৃতিক অনুষ্ঠান 'অ' মোৰ আপোনাৰ দেশ'ৰ সহযোগত অসম সাহিত্য সভাৰ নেহা আগৰৱালা প্ৰেক্ষাগৃহত আবেলি ৪ বজাত অনুষ্ঠিত হৈ যায়। অনুষ্ঠানটি 'অ' মোৰ আপোনাৰ দেশ'ৰ সচিব প্ৰধান বন্দনা তালুকদাৰে পৰিৱেশন কৰা এটি গণেশ বন্দনাৰে শুভাৰম্ভ কৰে। সভাৰ প্ৰাককথনতে সদ্য প্ৰয়াত বিশিষ্ট সংস্কৃত পণ্ডিত, শিক্ষাবিদ সাহিত্যিকদ্বয় ডঃ অশোক কুমাৰ গোস্বামী আৰু তিলক চন্দ্ৰ শৰ্মা শাস্ত্ৰীৰ প্ৰতি শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। তাৰ পাছতে হেম সৰস্বতী দিৱসৰ কাৰ্যসূচীৰ প্ৰথমে 'অ' মোৰ আপোনাৰ দেশ'ৰ শিল্পীবৃন্দই এটি সৰস্বতী বন্দনা পৰিৱেশন কৰে। অখিল ভাৰতীয় সাহিত্য পৰিষদ, অসমৰ সভাপতি মৃণালিনী দেৱীয়ে সঞ্চালনা কৰা অনুষ্ঠানটিত মূল বক্তৃতা দি আকাশবাণী গুৱাহাটীৰ অৱসৰপ্ৰাপ্ত সঞ্চালক তথা বিশিষ্ট সংগীত শিল্পী অৱনী ৰঞ্জন পাঠকে কয়- অসমীয়া লিখিত সাহিত্যৰ আদি কবি হেম সৰস্বতীৰ বংশ পৰিচয়, অন্যান্য সাহিত্য কৃতি আদিৰ বিষয়ে গৱেষণা কৰাৰ প্ৰয়োজন আছে। নতুন প্ৰজন্মৰ মাজত হেম সৰস্বতীৰ বিষয়ে আলোচনা আনিব লাগে। সভাপতিৰ ভাষণত মৃণালিনী দেৱীয়েও কালিদাসৰ প্ৰসংগৰে হেম সৰস্বতীৰ বিষয়ে সাৰুৱা বক্তব্য ৰাখে। সুলেখা চক্ৰৱৰ্তীয়ে এটি কবিতা পাঠ কৰে। “অ' মোৰ আপোনাৰ দেশ”ৰ সভাপতি কল্পনা ৰাজকুমাৰে আদৰণি জনোৱা অনুষ্ঠানটিত গীতিকাৰ বেণুধৰ কলিতা, আব্দুল মালিক, প্ৰমোদ চন্দ্ৰ ভট্টাচাৰ্য, স্বৰ্গেশ্বৰ স্বৰ্গীয়াৰী সাংস্কৃতিক সাহিত্যৰ বহুকেইগৰাকী গুণী-জ্ঞানী ব্যক্তি উপস্থিত থাকে। শলাগৰ শৰাই আগবঢ়ায় অখিল ভাৰতীয় সাহিত্য পৰিষদ, অসমৰ সচিব প্ৰণতি তালুকদাৰ মুদিয়াৰে।

## বৰপেটাৰোড পৌৰসভাত আতচবাজী ফুটাই আনন্দ-উল্লাস

# পৌৰ নিগমৰ কৰ্মচাৰীৰ সেৱা প্ৰাদেশিকীকৰণৰ কৰা সিদ্ধান্তক আদৰণি

**ই-সংবাদ, বৰপেটাৰোড, ৬ ফেব্ৰুৱাৰীঃ** অসমৰ ৭১খন পৌৰ পৰিষদৰ ১,০৪৪ গৰাকী পৌৰ নিগমৰ কৰ্মচাৰীৰ সেৱা প্ৰাদেশিকীকৰণৰ কৰাৰ পিছতেই বৰপেটাৰোড পৌৰসভাত কৰ্মচাৰীসকলে আতচবাজী ফুটাই, মিঠাই খুৱাই আনন্দ-উল্লাহ প্ৰদৰ্শন কৰে। অসম চৰকাৰৰ কেবিনেট বৈঠকত মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই গ্ৰহণ কৰা গুৰুত্বপূৰ্ণ সিদ্ধান্ত মৰ্মে, ৪ ছেপ্টেম্বৰ ২০১৩ তাৰিখে বা তাৰ আগতে নিযুক্ত ৭১খন পৌৰ পৰিষদৰ ১,০৪৪ গৰাকী পৌৰ নিগমৰ কৰ্মচাৰীৰ সেৱা প্ৰাদেশিকীকৰণৰ কৰে। বৰপেটাৰোড পৌৰসভাৰ ১৫ গৰাকী কৰ্মীৰ চাকৰি নিয়মীয়াকৰণ কৰাৰ বাতৰিয়ে বৰপেটাৰোড পৌৰসভাৰ কৰ্মচাৰীসকলৰ মুখত হাঁহি বিৰিঙাইছে। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ এই ঐতিহাসিক সিদ্ধান্তক আদৰণি জনায় বৰপেটাৰোড পৌৰ কৰ্মচাৰী গোটৰ সভাপতি ধনজিৎ দাস আৰু সম্পাদক নিতাই সাহাই। লগতে এই তালিকাৰ পৰা বাদ পৰা পৌৰ সভাৰ চাফাই কৰ্মীসকলৰ প্ৰতিও সদিচ্ছা প্ৰকাশ কৰাৰ বাবে চৰকাৰক এক বিবৃতি যোগে অনুৰোধ জনায়।

# মিচিং স্বায়ত্তশাসিত পৰিষদৰ বিত্তীয় পুঁজিৰ উদ্যোগত লোহিত খাবলুত সাতটা নামঘৰ উদ্বোধন

**ই-সংবাদ, মাজুলী, ৬ ফেব্ৰুৱাৰীঃ** মিচিং স্বায়ত্তশাসিত পৰিষদৰ উদ্যোগত ২০২৪-২০২৫ বিত্তীয় পুঁজিৰে নিৰ্মাণ কৰা মাজুলীৰ লোহিত খাবলু অঞ্চলত আজি সাতটা নামঘৰৰ শুভ উদ্বোধন কৰা হয়। মিচিং স্বায়ত্তশাসিত পৰিষদৰ ২৩ নং লোহিত পৰিষদীয় সমষ্টিৰ অন্তৰ্গত লোহিত খাৱলু গাঁও পঞ্চায়তৰ অন্তৰ্গত মিচিং স্বায়ত্তশাসিত পৰিষদৰ ২০২৪-২৫ বৰ্ষৰ সমষ্টি উন্নয়ন পুজিৰে নিৰ্মাণ কৰা উক্ত সাতটা নামঘৰৰ ইতিমধ্যে নিৰ্মাণ কাৰ্য সম্পূৰ্ণ কৰাৰ পিছত আজি উদ্বোধন কৰা হয়। মিচিং স্বায়ত্তশাসিত পৰিষদৰ ২৩ নং লোহিত পৰিষদীয় সমষ্টিৰ সাধাৰণ সদস্য মুকুল পেগুয়ে আজি আনুষ্ঠানিকভাৱে ফিটা কাটি উক্ত সাতটা নামঘৰৰ শুভ উদ্বোধন কৰে। জনপ্ৰতিনিধি পেগুৱে উক্ত সাতটা নামঘৰ উদ্বোধন কৰাৰ পিছত ৰাইজৰ উপাসনাৰ বাবে আনুষ্ঠানিকভাৱে নিৰ্মাণ সমিতিৰ তৰফৰ পৰা ৰাইজক সমৰ্পিত কৰা হয়। আজি উদ্বোধন কৰা উক্ত নামঘৰকেইটা হৈছে কামৰেক গাঁৱৰ নামঘৰ, যোগীবাৰী নামঘৰ, দুঘৰীয়া চেলেক নামঘৰ, শিমলুগুৰি গামচুক ডাঙ্গোকীয়াল নামঘৰ, কাম্বং গাঁৱৰ নামঘৰ, উজনি মৰলীয়া নামঘৰ আৰু মৰলীয়ামুখ গাঁৱৰ নামঘৰ। উল্লিখিত আটাইকেইটা নৱনিৰ্মিত নামঘৰ উদ্বোধন উপলক্ষে আজি দিনজোৱা কাৰ্যসূচীৰে মিচিং স্বায়ত্তশাসিত পৰিষদৰ উদ্যোগত নামঘৰ উদ্বোধন অনুষ্ঠান অনুষ্ঠিত হয়। প্ৰতিখন গাঁৱৰ ৰাইজে ২৩ নং লোহিত পৰিষদীয় সমষ্টিৰ সাধাৰণ সদস্য মুকুল পেগুক উষ্ম আদৰণি জনায় আৰু ৰাইজৰ উপাসনাৰ বাবে উক্ত ধৰ্মীয় অনুষ্ঠানসমূহ নিৰ্মাণ কৰি দিয়াৰ বাবে কৃতজ্ঞতা প্ৰকাশ কৰে। উক্ত নামঘৰসমূহ উদ্বোধন কৰি মুকুল পেগুৱে ভগৱানক উপাসনা কৰিলে সমাজখন আধ্যাত্মিক শক্তিৰে শক্তিশালী হ'ব বুলি উল্লেখ কৰে আৰু ৰাইজক এখন শৃংখলিত সমাজ গঢ়ি তুলিবলৈ আহ্বান জনায়। আজিৰ উক্ত সাতটা নামঘৰৰ উদ্বোধনী অনুষ্ঠান লোহিত খাৱলু আঞ্চলিক টি এম পি কে, এম এম কে আৰু টি এম এম কে (TMPK, MMK TMMK)ৰ শতাধিক সদস্য, সন্মিলিত গণশক্তি অসমৰ লোহিত খাবলু আঞ্চলিক সমিতিৰ নেতৃবৃন্দ, স্থানীয় মাজুলী জিলা সমিতি আৰু কেন্দ্ৰীয় সমিতিৰ নেত্ৰী বৃন্দই পূৰ্ণ সহযোগিতা কৰে।

# গুৱাহাটীৰ নেৰিমত নেহৰু যুৱ কেন্দ্ৰৰ হিন্দী ৰাজভাষা সন্মিলন

**ই-সংবাদ, গুৱাহাটী, ৬ ফেব্ৰুৱাৰীঃ** ভাৰত চৰকাৰৰ নেহৰু যুৱ কেন্দ্ৰ সংগঠনৰ উদ্যোগত মহানগৰীৰ ব্যক্তিগত খণ্ডৰ প্ৰতিষ্ঠান নেৰিমত অলপতে হিন্দী ৰাজভাষাৰ সন্মিলন অনুষ্ঠিত হয়। দিনযোৱা কাৰ্যসূচীৰে অনুষ্ঠিত হিন্দী ৰাজভাষাৰ সন্মিলনত নেহৰু যুৱ কেন্দ্ৰ সংগঠন অসমৰ সকলো উপ-নিৰ্দেশক, জিলা যুৱ বিষয়া, গাণনিক বিষয়া তথা স্বেচ্ছাসেৱকসকল উপস্থিত থাকে। শতাধিক লোকৰ উপস্থিতিত অনুষ্ঠিত সন্মিলনত আদৰণি ভাষণ প্ৰদান কৰে উপ-নিৰ্দেশক প্ৰমথেশ চক্ৰৱৰ্তীয়ে আৰু উদ্দেশ্য ব্যাখ্যা কৰে নিৰ্দেশক ইংখং গোৱাঙে। কেইবাগৰাকী বক্তাই চৰকাৰী কাৰ্যালয়সমূহত হিন্দী ভাষাৰ ব্যৱহাৰ সম্পৰ্কে সুন্দৰকৈ ব্যাখ্যা আগবঢ়ায়। সন্মিলনত অংশগ্ৰহণকাৰীসকলৰ মাজত হিন্দী লিখাৰ প্ৰতিযোগিতা অনুষ্ঠিত হয়। প্ৰতিযোগিতাত প্ৰথম পুৰস্কাৰ লাভ কৰে বিপাসা মজুমদাৰে, দ্বিতীয় পুৰস্কাৰ লাভ কৰে



অভিজিত বৰা আৰু তৃতীয় স্থান লাভ কৰে ইকবাল বি চৌধুৰীয়ে। সন্মিলনত অতিথি হিচাপে নেহৰু যুৱ কেন্দ্ৰ সংগঠনৰ গুৱাহাটীৰ আঞ্চলিক নিৰ্দেশক ইংখং গোৱাং, ৰাজ্যিক উপ-নিৰ্দেশক দিনবন্ধু সাহা, উপ-নিৰ্দেশক প্ৰমথেশ চক্ৰৱৰ্তী, আটোৱাৰ ৰহমান, আয়কৰ বিষয়া ৰাম লাল শৰ্মা, উত্তৰ পূৰ ৰেলৱে বিষয়া নিপুন কুমাৰ বৰদলৈ উপস্থিত থাকে। হিন্দী ভাষাক লৈ আয়োজিত এই অনুষ্ঠানটোক লৈ সন্তুষ্টি প্ৰকাশ কৰিছে মহানগৰীৰ ভিন্ন প্ৰান্তৰ শিক্ষাৰ্থীসকলে।

## আন্তঃবিশ্ববিদ্যালয় যুৱ মহোৎসৱত স্বৰ বাদ্যত উজলিছে দূবৰি

# নগাঁও মহাবিদ্যালয়ৰ ছাত্ৰীৰ সফলতা, আনন্দৰ বন্যা

**ই-সংবাদ, পুৰণিগুদাম, ৬ ফেব্ৰুৱাৰীঃ** নগাঁও মহাবিদ্যালয়ৰ ইংৰাজী বিভাগৰ ষষ্ঠ ষাণ্মাসিকৰ ছাত্ৰী দূবৰি শইকীয়াই গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰা ত্ৰিপুৰাত অনুষ্ঠিত আন্তঃবিশ্ববিদ্যালয় যুৱ মহোৎসৱত অংশগ্ৰহণ কৰি সফলতা আঁজুৰি আনিবলৈ সক্ষম হৈছে। যোৱা ২৬ জানুৱাৰীৰ পৰা ৩১ জানুৱাৰী লৈকে ত্ৰিপুৰাত অনুষ্ঠিত হোৱা উত্তৰ-পূব মাণ্ডলিক আন্তঃবিশ্ববিদ্যালয় যুৱ মহোৎসৱত গুৱাহাটী বিশ্ববিদ্যালয়ক প্ৰতিনিধিত্ব কৰে প্ৰতিভাৱান ছাত্ৰী দূবৰি শইকীয়াই। উত্তৰ-পূব ভাৰতৰ সকলো ৰাজ্যৰ আগশাৰীৰ বিশ্ববিদ্যালয়সমূহৰ লগতে গুৱাহাটী বিশ্ববিদ্যালয়ৰ ৫২ জনীয়া এটি সাংস্কৃতিক দলে অংশগ্ৰহণ কৰে। ত্ৰিপুৰাৰ আই চি এফ আই বিশ্ববিদ্যালয়ত অনুষ্ঠিত ৩৮ সংখ্যক আন্তঃবিশ্ববিদ্যালয় উত্তৰ-পূব মাণ্ডলিক যুৱ-মহোৎসৱৰ সংগীত শাখাৰ স্বৰবাদ্য (বাঁহী) প্ৰতিযোগিতাত দূবৰি শইকীয়াই দ্বিতীয় স্থান লাভ কৰিবলৈ সক্ষম হয়। ইতিমধ্যে শেহতীয়াকৈ দূবৰিয়ে গুৱাহাটী বিশ্ববিদ্যালয়ত অনুষ্ঠিত অসমৰ আন্তঃবিশ্ববিদ্যালয় যুৱ মহোৎসৱতো সফলতা অৰ্জন কৰি ত্ৰিপুৰাৰ যুৱ মহোৎসৱলৈ নিৰ্বাচিত হৈছিল। সম্প্ৰতি দূবৰিয়ে ত্ৰিপুৰাৰ আন্তঃবিশ্ববিদ্যালয় যুৱ মহোৎসৱত দ্বিতীয় স্থান অধিকাৰ কৰি নয়দাত অনুষ্ঠিত হ'বলগীয়া আগন্তুক ৰাষ্ট্ৰীয় যুৱ মহোৎসৱত অংশগ্ৰহণৰ সুযোগ লাভ কৰিছে। দূবৰি নগাঁও জিলাৰ পুৰণিগুদামৰ গায়ন-বৈৰাগী গাঁও নিবাসী অৱসৰপ্ৰাপ্ত শিক্ষক পৰেশ শইকীয়া আৰু গীতামণি শইকীয়াৰ জ্যেষ্ঠ কন্যা। শিক্ষাৰ্থীগৰাকীৰ এই সফলতাৰ বাবে আজি নগাঁও মহাবিদ্যালয়ত আনন্দৰ বন্যা বৈছে।

# মহামায়াত কেন্দ্ৰীয় ইউ পি পি এল দলৰ মিডিয়া কোষৰ উদ্যোগত মত বিনিময় কাৰ্যসূচী

**ই-সংবাদ, পৰ্বতঝোৰা, ৬ ফেব্ৰুৱাৰীঃ** বিটিআৰত পৰিষদীয় নিৰ্বাচনৰ কুচ-কাৱাজ চলি থকাৰ সময়তে আজি দিনৰ ১১ মান বজাত বিটিআৰ কোকৰাঝাৰ জিলাৰ পৰ্বতঝোৰা পৰিষদীয় সমষ্টিৰ ইউ পি পি এল দলৰ মহামায়া প্ৰাইমাৰী কাৰ্যালয়ৰ প্ৰেক্ষাগৃহত ইউ পি পি এল দলৰ কেন্দ্ৰীয় কমিটীৰ মিডিয়া কোষৰ উদ্যোগত তথা পৰ্বতঝোৰা জিলা কমিটীৰ সৌজন্যত বিভিন্ন কোষৰ সদস্য/সদস্যাসকলক লৈ এক মত বিনিময় কাৰ্যসূচী অনুষ্ঠিত কৰা হয়। জিলা ইউ পি পি এল দলৰ সভাপতি প্ৰসেন কুমাৰ ব্ৰহ্মৰ সভাপতিত্বত অনুষ্ঠিত সভাখনত কেন্দ্ৰীয় কমিটীৰ মিডিয়া কোষৰ অধ্যক্ষ শান্তি গিৰি নাৰ্জাৰী, উজ্জ্বল দাস, বৰ্জ কুমাৰ বসুমাতাৰী, হোম শৰ্মা, পৰ্বতঝোৰা জিলা ইউ পি পি এল দলৰ সাধাৰণ সম্পাদক ছেলিম আহমেদ খান, মহামায়া ভিচিডিছিৰ সভাপতি আব্দুছ কালাম তালুকক আদি কৰি বিভিন্ন পৰ্যায়ৰ নেতৃবৃন্দ উপস্থিত থকাৰ লগতে বিভিন্ন কোষৰ



দুই শতাধিক কৰ্মী উপস্থিত থাকে। আজিৰ বিভিন্ন কোষৰ নেতৃবৃন্দক লৈ মত বিনিময় কাৰ্যসূচী সন্দৰ্ভত মিডিয়া কোষৰ উজ্জ্বল দাস, পৰ্বতঝোৰা জিলা ইউ পি পি এল দলৰ সাধাৰণ সম্পাদক ছেলিম আহমেদ খানৰ লগতে মেডিয়া কোষৰ অধ্যক্ষ শান্তি গিৰি নাৰ্জাৰীয়ে বিভিন্ন কোষৰ সদস্য-সদস্যাসকলক নিজৰ নিজৰ বুথৰ ভেটি মজবুত কৰিবলৈ আহ্বান জনায়।

# মাণ্ডলিক ভিত্তিত যোৰহাটত 'ঝুমুইৰ বিনন্দিনী' শীৰ্ষক অনুষ্ঠানৰ প্ৰশিক্ষণ, প্ৰদৰ্শন সম্পন্ন

**ই-সংবাদ, যোৰহাট, ৬ ফেব্ৰুৱাৰীঃ** মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ বিশেষ তৎপৰতাত অসম চৰকাৰৰ সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ উদ্যোগত ৰাজ্যৰ চাহ জনগোষ্ঠীয় লোকসকলৰ জাতীয় চানেকি ঝুমুৰ নৃত্যক বিশ্বমুখী কৰি তোলাৰ লক্ষ্যৰে 'ঝুমুইৰ বিনন্দিনী' শীৰ্ষক অনুষ্ঠানৰ আয়োজন কৰা হৈছে। অহা ২৪ ফেব্ৰুৱাৰীত গুৱাহাটীৰ সৰুসজাই ষ্টেডিয়ামত দেশৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ সন্মুখত ৰাজ্যৰ প্ৰায় ৮ হাজাৰ চাহ জনগোষ্ঠীৰ যুৱক-যুৱতীয়ে ঝুমুৰ নৃত্য প্ৰদৰ্শন কৰি বিশ্ব অভিলেখ সৃষ্টি কৰিব। ইয়াৰ অংশস্বৰূপে আজি যোৰহাট ষ্টেডিয়ামত যোৰহাট, শিৱসাগৰ আৰু গোলাঘাট জিলাৰ ঝুমুৰ নৃত্য শিল্পীসকলক সামৰি মাণ্ডলিক ভিত্তিত ঝুমুৰ নৃত্যৰ প্ৰশিক্ষণ আৰু প্ৰদৰ্শন অনুষ্ঠান অনুষ্ঠিত হয়। অনুষ্ঠানত কাজিৰঙা লোকসভা সমষ্টিৰ সাংসদ কামাখ্যা প্ৰসাদ তাছা, মৰিয়নি বিধানসভা সমষ্টিৰ বিধায়ক ৰূপজ্যোতি কুৰ্মী আৰু দেৰগাঁও বিধানসভা সমষ্টিৰ বিধায়ক ভবেন্দ্ৰ নাথ ভৰালীয়ে ভাষণ প্ৰদান কৰি আটাইকেইখন জিলাৰ ঝুমুৰ নৃত্য শিল্পীসকলক শুভেচ্ছা জ্ঞাপন কৰে। অসমৰ লোক-সংস্কৃতিৰ বৰ্ণাঢ্যতাক অনুপম সৌন্দৰ্যৰে সমৃদ্ধ কৰি ৰখা ঝুমুৰ নৃত্যক বিশ্বমুখী কৰাৰ ক্ষেত্ৰত ৰাজ্যৰ মুখ্যমন্ত্ৰীগৰাকীয়ে গ্ৰহণ কৰা এই সুদূৰপ্ৰসাৰী চিন্তাৰ শলাগ জ্ঞাপন কৰে। অনুষ্ঠানত পদ্মশ্ৰী লখিমী বৰুৱা, প্ৰাক্তন বিধায়ক হেমন্ত কলিতা, প্ৰাক্তন বিধায়ক ৰাণা গোস্বামী, প্ৰাক্তন বিধায়িকা আঙুৰলতা ডেকা, টীয়ক পৌৰসভাৰ পৌৰপতি, যোৰহাট জিলা আয়ুক্ত, তিতাবৰ সমজিলা আয়ুক্ত, জিলা উন্নয়ন আয়ুক্ত, যোৰহাট, শিৱসাগৰ আৰু গোলাঘাটৰ জিলা-প্ৰশাসনৰ বিষয়া, বৰ বিহুৱা ৰঞ্জিত গগৈ, চাজান নায়ক, কৰিঅ'গ্ৰাফাৰ পংকজ ইংতি, ঝুমুৰ নৃত্যৰ প্ৰশিক্ষকসকল প্ৰমুখ্যে ভালে সংখ্যক গণ্য-মান্য ব্যক্তি আৰু ঝুমুৰ নৃত্য শিল্পীসকল উপস্থিত থাকে।

## দাইচাত 'গ্ৰামোদ্যোগ বিকাশ যোজনা'ৰ কেন্দ্ৰ উদ্বোধন

**ই-সংবাদ, ডুমডুমা, ৬ ফেব্ৰুৱাৰীঃ** ইয়াৰ নিলগৰ দাইচা গাঁৱত কালি ভাৰত চৰকাৰৰ অধীনস্থ 'গ্ৰামোদ্যোগ বিকাশ যোজনা'ৰ এটি কেন্দ্ৰ উদ্বোধন কৰা হয়। এই উপলক্ষে দাইচা বৰদলৈ নগৰস্থিত দাইচা বালিজান প্ৰাথমিক বিদ্যালয়ৰ প্ৰাংগণত এখন সভা অনুষ্ঠিত হয়। ইতিপূৰ্বে, দাইচা গাঁৱত স্থাপন হোৱা বিভিন্ন বাঁহ-বেতৰ সামগ্ৰী নিৰ্মাণ, ধূপ কাঠি নিৰ্মাণৰ লগতে বয়ন শিল্পৰ প্ৰশিক্ষণ কেন্দ্ৰত আচবাব আদিৰ নিৰ্মাণ কাৰ্যৰ শেষত অৱশিষ্ট কাঠৰ দ্বাৰা খেলনা, পুতলা তথা অন্যান্য উপভোগ্য সামগ্ৰী নিৰ্মাণ কৰি সেইবোৰৰ বিক্ৰীৰ জৰিয়তে স্বাৱলম্বী হোৱাৰ ক্ষেত্ৰত যুৱক-যুৱতী তথা উৎসাহীসকলক প্ৰশিক্ষণ দিয়াৰ সন্দৰ্ভত বিভাগটোৰ তিনিগৰাকী প্ৰশিক্ষক ক্ৰমে ৰিদীপ দাস (গুৱাহাটী), আমিৰুদ্দিন লস্কৰ (শিলচৰ) আৰু ওমপ্ৰকাশ শইকীয়া (নগাঁও) উপস্থিত থাকি বিশদিনীয়া প্ৰশিক্ষণটোৰ বাবে প্ৰশিক্ষাৰ্থীসকলক নমুনা (Demo) প্ৰদৰ্শন কৰি প্ৰশিক্ষণটোৰ সন্দৰ্ভত আভাস দাঙি ধৰে। সভাত প্ৰশিক্ষক কেইগৰাকীয়ে অদৰকাৰী বুলি ভবা এডোখৰ কাঠৰ টুকুৰা তথা অনুৰূপ সামগ্ৰীৰ দ্বাৰা কিদৰে পুনঃ ব্যৱহাৰ্য সামগ্ৰী নিৰ্মাণ কৰিব পাৰি, চৰকাৰে এনে প্ৰশিক্ষাৰ্থীসকলক কিদৰে সহযোগিতা আগবঢ়াব আৰু লগতে নিৰ্মিত সামগ্ৰীৰ বিক্ৰীৰ ব্যৱস্থাৰ সন্দৰ্ভতো বক্তব্য আগবঢ়ায়। সভাত উপস্থিত থকা শুভাকাংক্ষীসকলৰ হৈ পৰেশ কুমাৰ কাকতি, মুকেশ চাচনীয়ে গ্ৰামোদ্যোগ বিকাশ যোজনাৰ এটি কেন্দ্ৰ উদ্বোধন কৰিবলৈ দাইচা গাঁৱৰ দৰে ঠাই নিৰ্বাচন কৰা বাবে প্ৰশিক্ষকসকলক ধন্যবাদ আৰু কৃতজ্ঞতা প্ৰকাশ কৰাৰ লগতে প্ৰশিক্ষাৰ্থীসকলক শুভেচ্ছা জ্ঞাপন কৰে। বয়ন শিল্প বিভাগৰ প্ৰশিক্ষক ব্ৰজনাথ বৰুৱাই সভাপতিত্ব কৰা সভাৰ শেষত শলাগৰ শৰাই আগবঢ়ায় সভাৰ আহ্বায়ক তথা দাইচা গাঁৱৰ উদ্যোগী যুৱক মানৱ ডেকাই।

## গোলকগঞ্জত সন্দেহজনক চোৰাং ইউৰিয়া জব্দ

**ই-সংবাদ, গোলকগঞ্জ, ৬ ফেব্ৰুৱাৰীঃ** ধুবুৰী জিলাৰ গোলকগঞ্জ থানাৰ অন্তৰ্গত বিৰাট নগৰ চাৰিআলি হৰিৰহাট পথৰ পৰা যোৱা নিশা আৰক্ষীয়ে এখন ই-ৰিক্সাৰ পৰা সন্দেহজনক পোন্ধৰ বস্তা চোৰাং ইউৰিয়া সাৰ জব্দ কৰা ঘটনাই অঞ্চলটোত চাঞ্চল্যৰ সৃষ্টি কৰিছে। জানিব পৰা মতে, কালি নিশা গোলকগঞ্জ থানাৰ ভাৰপ্ৰাপ্ত বিষয়া দেৱজিৎ কলিতাৰ নেতৃত্বত আৰক্ষীৰ দলে নিয়মীয়া টহল দি থকাৰ সময়ত সন্দেহবশতঃ ইউৰিয়া সাৰৰ বস্তা কঢ়িওৱা এখন ই-ৰিক্সা জব্দ কৰে। চালকে সাৰৰ চালানকে ধৰি কোনো নথি-পত্ৰ দেখুৱাব নোৱাৰাত ই-ৰিক্সাখন জব্দ কৰি থানালৈ নিয়ে। সাৰবোৰ পশ্চিম ৰতিয়াদহ দ্বিতীয় খণ্ড গাঁৱৰ টাইবান্ধত থকা আকবৰ আলী(চিক্ৰা)ৰ দোকানৰ পৰা সংগ্ৰহ কৰা বুলি আৰক্ষীৰ আগত প্ৰকাশ কৰে।

# ৰয়েল গ্ল'বেল ইউনিভাৰ্ছিটিত মাৰোৱাৰী যুৱ মঞ্চৰ কামাখ্যা মহিলা শাখাৰ উদ্যোগত ৰক্তদান অনুষ্ঠান

**ই-সংবাদ, গুৱাহাটী, ৬ ফেব্ৰুৱাৰীঃ** আজি ৰয়েল গ্ল'বেল ইউনিভাৰ্ছিটিত মাৰোৱাৰী যুৱ মঞ্চৰ কামাখ্যা মহিলা শাখাৰ উদ্যোগত এক ৰক্তদান অনুষ্ঠান অনুষ্ঠিত হৈ যায়। গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পাতালৰ ব্লাড বেংকলৈ এই ৰক্ত দান কৰা হয়। মাৰোৱাৰী যুৱ মঞ্চৰ ৰাষ্ট্ৰীয় সংস্থাপক অধ্যক্ষ প্ৰয়াত প্ৰমোদ সৰাফৰ সোঁৱৰণত আয়োজন কৰা এই অনুষ্ঠানটি আনুষ্ঠানিকভাৱে শুভাৰম্ভ কৰে পৰাগজ্যোতি প্ৰকাশনৰ সচিব তথা সাংবাদিক দীপক শৰ্মাই। মঞ্চৰ কামাখ্যা মহিলা শাখাৰ সভাপতি স্নেহাল বিড়াসৰিয়া, মন্ত্ৰী শ্ৰীয়া শৰ্মা, সহঃ মন্ত্ৰী মীনা জৈন, কোষাধ্যক্ষ খুজবু মৌৰ, ব্যৱস্থাপক মমতা শেঠী, চান্দনী বেড, কৃত্তিকা আগৰৱালা উপস্থিত থাকে। অনুষ্ঠানৰ সংযোজক ৰয়েল গ্ল'বেল ইউনিভাৰ্ছিটিৰ কম্পিউটাৰ বিজ্ঞান বিভাগৰ অধ্যাপিকা অংকিতা আগৰৱালাই অংশগ্ৰহণ কৰি কয় যে ছাত্ৰ -ছাত্ৰীসকলক দেশমাতৃৰ প্ৰতি থকা দায়িত্ববোধৰ সজাগতাৰ বাবে, এটোপাল তেজৰ মূল্য আৰু ইয়াৰ দ্বাৰা উপকাৰ বিষয়ে বুজাই কয়। অনুষ্ঠানটিত চিকিৎসা মহাবিদ্যালয় হাস্পাতালৰ চিকিৎসকৰ লগতে নিৰাময় নামৰ স্বেচ্ছাসেৱী অনুষ্ঠানৰ ভালেসংখ্যক প্ৰতিনিধি উপস্থিত থাকে। ৰয়েল গ্ল'বেল ইউনিভাৰ্ছিটিৰ ৭০ জন ছাত্ৰ-ছাত্ৰীয়ে ৰক্ত দান কৰে। প্ৰতিগৰাকী বিদ্যাৰ্থীক মানপত্ৰ প্ৰদান কৰা হয়।

# কলগাছিয়াৰ মুহিয়াত গাঁঠিৰ ধন খৰচ কৰি ৰাইজে নিৰ্মাণ কৰিলে পথ

**ই-সংবাদ, কলগাছিয়া, ৬ ফেব্ৰুৱাৰীঃ** বৰপেটা জিলাৰ ৰূপসী উন্নয়ন খণ্ডৰ অন্তৰ্গত মুহিয়াত জনপ্ৰতিনিধিৰ ওপৰত ভৰসা নাই স্থানীয় ৰাইজৰ। পঞ্চায়ত নিৰ্বাচন সমাগমৰ প্ৰাক মুহূৰ্তত নিজৰ গাঁঠিৰ ধন খৰচ কৰি পথ নিৰ্মাণ কৰিবলৈ ওলাই আহিল স্থানীয় শতাধিক পুৰুষ-মহিলা। কলগাছিয়াৰ মুহিয়াৰ পৰা পশ্চিম মইনবৰীলৈ যোৱা একমাত্ৰ পথছোৱাত প্ৰায় আঠখন গাঁৱৰ দহ সহস্ৰাধিক লোক তথা কেইবাখনো বিদ্যালয়-মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীয়ে প্ৰত্যেক বছৰৰ প্ৰায় ছমাহতকৈ অধিক সময় বোকা-পানী গছকি যমৰ-যতনা ভুগি যাতায়াত কৰিব লগা হৈছে। এই বৃহৎ অঞ্চলৰ শতকৰা নব্বৈভাগ লোকেই হৈছে কৃষিজীৱি। অধিক কষ্টেৰে কৃষিজাত সামগ্ৰী উৎপাদন কৰি একমাত্ৰ ভাল ৰাস্তা নথকাৰ বাবে উৎপাদিত সামগ্ৰীবোৰ পানীৰ দামত বিক্ৰী কৰিব লগা হৈছে। দেশে স্বাধীনতা লাভৰ ৭৮ বছৰ পাছতো চৰকাৰী পথ নেদেখিলে এই পিছপৰা অঞ্চলৰ গাঁও কেইখনৰ ৰাইজে। অৱশেষত উপায়ন্তৰ হৈ গাঁৱৰ পুৰুষ-মহিলাসকলে নিজৰ নিজৰ গাঁঠিৰ ধন খৰচ কৰি পথ নিৰ্মাণ কৰিবলৈ ওলাই আহে। অতিশীঘ্ৰে অসমৰ মুখ্যমন্ত্ৰীক পথ নিৰ্মাণ কৰি দিয়াৰ কাতৰ অনুৰোধ জনায় বৃহত্তৰ অঞ্চলৰ ভুক্তভোগী ৰাইজৰ লগতে অধ্যয়নৰত ছাত্ৰ-ছাত্ৰীসকলে।

# সোণাৰিত নিষিদ্ধ ড্ৰাগছসহ এজনক আটক

**ই-সংবাদ, সোণাৰি, ৬ ফেব্ৰুৱাৰীঃ** অসম-নগালেণ্ড আৰু অৰুণাচল প্ৰদেশ সীমান্তৱৰ্তী চৰাইদেউ জিলাত অব্যাহত থকা নিষিদ্ধ ড্ৰাগছ বিৰোধী অভিযান অব্যাহত ৰাখিছে চৰাইদেউ আৰক্ষীয়ে। জিলাখনৰ বিভিন্ন প্ৰান্তত অভিযান চলাই আৰক্ষীয়ে ইতিমধ্যে বহু কেইগৰাকী নিষিদ্ধ ড্ৰাগছ তথা গাঞ্জা সৰবৰাহকাৰীক আটক কৰা লগতে বুজন পৰিমাণৰ নিষিদ্ধ ড্ৰাগছ তথা নিচাজাতীয় সামগ্ৰী জব্দ কৰিবলৈ সক্ষম হৈছে। সোণাৰিত আজিও এক অভিযান চলাই সোণাৰি আৰক্ষীয়ে এজন নিষিদ্ধ ড্ৰাগছ সৰবৰাহকাৰীৰ ঘৰৰপৰা বুজন পৰিমাণৰ নিষিদ্ধ ড্ৰাগছসহ সৰবৰাহকাৰী এজনক আটক কৰিবলৈ সক্ষম হয়। সোণাৰি আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত বিষয়া চৰণ মহন সিংহ চেতিয়াৰ নেতৃত্বত সোণাৰি আৰক্ষীৰ এটা দলে চলোৱা অভিযানত আটক কৰে জীতেন শ্বাহ নামৰ এজন যুৱক। সোণাৰি নগৰৰ ধনঞ্জয় পথত থকা ড্ৰাগছ সৰবৰাহকাৰীজনৰ বাসগৃহত তালাচী চলাই আৰক্ষীয়ে জব্দ কৰে নিষিদ্ধ ড্ৰাগছখিনি। অবৈধ নিচাজাতীয় সামগ্ৰী তথা নিষিদ্ধ ড্ৰাগছ সৰবৰাহৰ লগত দীৰ্ঘদিন ধৰি জড়িত থকাৰ অভিযোগ আটকাধীন যুৱকজনৰ বিৰুদ্ধে। চুবুৰীয়া ৰাজ্য নগালেণ্ডৰ পৰা সীমান্তৰ নামতোলা হৈ সোণাৰিলৈ নিষিদ্ধ ড্ৰাগছ সৰবৰাহ কৰাৰ অভিযোগ দীৰ্ঘদিনীয়া। অভিযোগ অনুসৰি নিষিদ্ধ ড্ৰাগছ দীৰ্ঘদিনধৰি সোণাৰিৰ বিভিন্ন ঠাইলৈ প্ৰেৰণ কৰি আহিছে ধৃত যুৱকজনে।

# চেলেংহাটত ব্যৱসায়িক প্ৰতিষ্ঠানত চুৰি কাণ্ড

**ই-সংবাদ, মৰিয়নি, ৬ ফেব্ৰুৱাৰীঃ** যোৰহাট জিলাৰ মৰিয়নি সমষ্টিৰ চেলেংহাট আৰক্ষী চকীৰ অন্তৰ্গত চেলেংহাট ষ্টেচন চাৰিআলিত যোৱা নিশা কেইবাখনো ব্যৱসায়িক প্ৰতিষ্ঠানত চুৰি কাণ্ড সংঘটিত হয়। জানিব পৰা মতে মাজ নিশা চুৰে কেইবা হাজাৰ টকাৰ সা সামগ্ৰীৰ লগতে নগদ ধন লৈ উধাও হয়। পুৱা ব্যৱসায়ী সকল আহি দোকান খোলাত পোহৰলৈ আহে চুৰি হোৱা ঘটনা। প্ৰাপ্ত তথ্য অনুসৰি চুৰে প্ৰথম এখন মাংসৰ দোকানত সোমাই তাৰ পৰা এখন দা লৈ টিং কাটি ক্ৰমে এখন চেলুন আৰু চাৰিখন কাপোৰ আৰু ষ্টেচনাৰী দোকানত সোমাই কাপোৰ মোৱাইল চাৰ্জাৰকে ধৰি নগদ ধন লৈ উধাও হয়। উল্লেখযোগ্য যে চুৰি কাৰ্য্য সংগঠিত হোৱাৰ প্ৰায় দুশ মিটাৰ নিলগতে চেলেংহাট আৰক্ষী চকী থকাৰ পাছতো চুৰি সংঘটিত হোৱাৰ ঘটনাই চকু কপালত উঠিছে স্থানীয় ৰাইজৰ লগতে সংকিত হৈ পৰিছে ব্যৱসায়ী সকল।

# ৰৌমাৰী বিষ্ণু মন্দিৰত পঞ্চম বাৰ্ষিক ধৰ্মালোচনা সভাৰ ব্যাপক আয়োজন

**ই-সংবাদ, ছিপাঝাৰ, ৬ ফেব্ৰুৱাৰীঃ** দৰং জিলাৰ ৰৌমাৰী বিষ্ণু মন্দিৰত বিগত বৰ্ষৰ দৰে এইবেলিও অহা ১৭, ১৮ আৰু ১৯ ফেব্ৰুৱাৰীত তিনিদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে পঞ্চম বাৰ্ষিক ধৰ্মালোচনা সভাৰ ব্যাপক আয়োজন কৰা হৈছে। উদযাপন সমিতিৰ সভাপতি শিৱ প্ৰসাদ শৰ্মা আৰু মুখ্য সম্পাদক গজেন চহৰীয়াই সদৰি কৰা অনুসৰি, প্ৰথম দিনা পুৱা প্ৰাতঃ বন্দনা, পৰিৱেশ নিকাকৰণ, তোৰণ উন্মোচন, শিখা প্ৰজ্বলন, ধৰ্মধ্বজা উত্তোলন, স্মৃতি তৰ্পণ, ভঁৰাল ঘৰৰ দ্বাৰ উন্মোচন, গছপুলি ৰোপণ, কাৰ্যালয় উদ্বোধন, ভোজনালায়ৰ দ্বাৰ উন্মোচন, ৰভা মঞ্চৰ দ্বাৰ উন্মোচন, ভাগৱত শোভাযাত্ৰা, ভাগৱত পাঠ আৰু সন্ধিয়া আয়তীৰ নামেৰে প্ৰথম দিনাৰ কাৰ্যসূচীৰ সামৰণি পৰিব। দ্বিতীয় দিনা পুৱা পৰিৱেশ নিকাকৰণ, পানীতোলা অনুষ্ঠান, সম্বৰ্ধনা অনুষ্ঠান, ভাগৱত পাঠ, ব্যাসৰ ওজাপালি পৰিৱেশন, শিখা প্ৰজ্বলন আৰু সন্ধিয়া মহিলাৰ নাগাৰা নাম পৰিৱেশনেৰে দ্বিতীয় দিনাৰ কাৰ্যসূচীৰ সামৰণি পৰিব। আনহাতে, অন্তিম দিনা পুৱা পৰিৱেশ নিকাকৰণ, ভাগৱত পাঠ, বিশিষ্ট পশু চিকিৎসক ডাঃ যুগব্ৰত নাথৰ দ্বাৰা মুকলি সভাৰ মঞ্চ উদ্বোধন কৰাৰ পিছত দুপৰীয়া হাজৰিকাপাৰা সাহিত্য সভাৰ সভাপতি হৰেশ্বৰ চহৰীয়াৰ সভাপতিত্বত অনুষ্ঠিত হ'ব এখনি মুকলি সভা। পৰিসংখ্যা বিভাগৰ অৱসৰপ্ৰাপ্ত কৰ্মচাৰী শৰৎ চন্দ্ৰ চহৰীয়াই উদ্বোধন কৰিবলগীয়া সভাখনত মুখ্য অতিথি হিচাপে উপস্থিত থাকিব দৰং-ওদালগুৰি লোকসভা সমষ্টিৰ সাংসদ দিলীপ শইকীয়া। সভাখনত নিৰ্দিষ্ট বক্তা হিচাপে উপস্থিত থাকিব কটন বিশ্ববিদ্যালয়ৰ গৱেষক ছাত্ৰ ত্ৰিদীপ ভাগৱতী। মঙলদৈ সমষ্টিৰ বিধায়ক বসন্ত দাস, ছিপাঝাৰ সমষ্টিৰ বিধায়ক ড০ পৰমানন্দ ৰাজবংশী আৰু মীন উন্নয়ন নিগমৰ অধ্যক্ষ গুৰু জ্যোতি দাস বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকিব লগীয়া সভাখনত ৰঙামাটি সাহিত্য সভাৰ সভাপতি টংকেশ্বৰ শইকীয়া সন্মানীয় অতিথি হিচাপে উপস্থিত থাকিব। এন কে টিভিৰ সাংবাদিক জবা দাস নিমন্ত্ৰিত অতিথি হিচাপে উপস্থিত থাকিবলগীয়া সভাখনত কেবাগৰাকীও বিশিষ্ট ব্যক্তি আমন্ত্ৰিত অতিথি হিচাপে উপস্থিত থাকিব। সন্ধিয়া শিখা প্ৰজ্বলন আৰু নিশা গুৱাহাটীৰ নিশা মনি হালৈ আৰু ৰঙিয়াৰ হিৰামণি বৈশ্যৰ দলৰ দ্বাৰা নাগাৰা নাম পৰিৱেশনেৰে তিনিদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰ সামৰণি পৰিব।



**অভিনেতা নয়ন নীলিমলৈ হলী মেৰী স্কুলৰ বৰ্ষশ্ৰেষ্ঠ অসমীয়া বঁটা, ফটোঃ ই-সংবাদ, দুমুনীচকী**

# চাবুৱাৰ আলহী গাঁৱত বিনামূলীয়া স্বাস্থ্য পৰীক্ষা, ঔষধ বিতৰণ শিবিৰ

**ই সংবাদ, চাবুৱা-লাহোৱাল, ৬ ফেব্ৰুৱাৰীঃ** বৃহস্পতিবাৰে চাবুৱাৰ আলহী গাঁৱৰ নামঘৰ প্ৰাংগণত আলহী গাঁৱৰ যুৱক-যুৱতী বৃন্দৰ উদ্যোগত, সেৱা ভাৰতী পূৰ্বাঞ্চল আৰু নেচনেল মেডিকোজ অৰ্গেনাইজেশ্বন আৰু অইল ইণ্ডিয়া লিমিটেডৰ সহযোগত ধন্বন্তৰী সেৱা যাত্ৰা ২০২৫ শীৰ্ষক এক আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ৰ বিনামূলীয়া এদিনীয়া স্বাস্থ্য শিবিৰৰ আয়োজন কৰা হয়। গ্ৰামাঞ্চলত স্বাস্থ্য সম্পৰ্কীয় সজাগতা আৰু চিকিৎসক সকলক গাঁৱলৈ অনাৰ উদ্দেশ্যে আয়োজিত শিবিৰটোৰ দ্বাৰ মুকলি কৰে পানীতোলা উন্নয়ণ খণ্ডৰ খণ্ড উন্নয়ন বিষয়া হাচিনা দলে টায়ুংএ। সুদূৰ লণ্ডনত কৰ্মৰত প্ৰৱাসী ভাৰতীয় চিকিৎসক ডাঃ বিশ্বাস চপটনেকাৰ, অসম চিকিৎসা মহাবিদ্যালয়ৰ প্ৰাক্তন অধীক্ষক ডাঃ প্ৰশান্ত দিহিঙীয়া, এইমচ পাটনাৰ (AIIMS) ডাঃ ধীৰাজ কুমাৰ, ৰাজস্থানৰ ডাঃ প্ৰখৰ ৰাজ, অসম চিকিৎসা মহাবিদ্যালয়ৰ মেডিচিন বিশেষজ্ঞ ডাঃ শ্ৰীমন্ত মাধৱ বৰুৱা, ইন্টাৰ্ণ ডাঃ অনয় গোয়েল, কেঞ্চাৰ কেয়াৰ চেন্টাৰৰ চয়নিকা মিলি, জোনমণি ডেকা আদিকে ধৰি দেশখনৰ আগশাৰীৰ এটি পোন্ধৰজনীয়া চিকিৎসকৰ দলে অংশগ্ৰহণ কৰে। দলটিত আছিল, কেঞ্চাৰ, চকু, দন্ত, মেডিচিন, প্ৰসুতি আদি স্বাস্থ্য সংক্ৰান্তীয় আটাইকেইটা গুৰুত্বপূৰ্ণ বিভাগৰ চিকিৎসকৰ দল। আলহী গাঁৱৰ লগতে চুবুৰীয়া প্ৰায় আটাইকেইখন গাঁৱৰ প্ৰায় তিনি শতাধিক লোকে শিবিৰত উপস্থিত থাকি স্বাস্থ্য পৰীক্ষা কৰাৰ লগতে বিনামূলীয়া ঔষধ গ্ৰহণ কৰে। ইয়াৰোপৰি সকলো লোককে কেঞ্চাৰ আদি মাৰাত্মক ৰোগৰ পৰা সাৱধানতা, নিচাযুক্ত মাদকদ্ৰব্য সেৱনৰ অপকাৰিতা আদি সম্পৰ্কে গাঁওবাসীক এক সজাগতামূলক বক্তব্য প্ৰদান কৰে প্ৰৱাসী ভাৰতীয় চিকিৎসক ডাঃ বিশ্বাস চপটনেকাৰ আৰু মেডিচিন বিশেষজ্ঞ সুবক্তা ডাঃ শ্ৰীমন্ত মাধৱ বৰুৱাই। আলহী গাঁৱৰ দৰে এটি অতি ভিতৰুৱা অঞ্চলত এনে এটি সুন্দৰ সজাগতা আৰু স্বাস্থ্য শিবিৰ আয়োজনেৰে গাঁওবাসীক উৎফুল্লিত আৰু আনন্দ দান কৰাৰ বাবে আয়োজক আলহী গাঁৱৰ যুৱক-যুৱতী বৃন্দৰ হৈ সমন্বয়ক ড০ বাৰীন্দ্ৰ দাসে সেৱা ভাৰতীৰ ডিব্ৰুগড়, তিনিচুকীয়া আৰু চৰাইদেউ মণ্ডলৰ সংযোজক প্ৰশান্ত বকলিয়াল আৰু সেৱা ভাৰতীৰ পূৰ্ণকালীন কাৰ্যকৰ্তা স্মৃতি কোঁৱৰক অশেষ কৃতজ্ঞতা জ্ঞাপন কৰিছে।

# ১১ ফেব্ৰুৱাৰীৰ পৰা জিনকাটা ৰাজহুৱা সত্ৰৰ প্ৰতিষ্ঠা দিৱসৰ প্ৰস্তুতি

**ই-সংবাদ, গোলকগঞ্জ, ৬ ফেব্ৰুৱাৰীঃ** ধুবুৰী জিলাৰ অসম-পশ্চিমবংগ সীমান্তৱৰ্তী শ্ৰীশ্ৰী জিনকাটা ৰাজহুৱা সত্ৰৰ প্ৰতিষ্ঠা দিৱস অহা এঘাৰ ফেব্ৰুৱাৰীৰ পৰা তিনিদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে পালন কৰাৰ প্ৰস্তুতি আৰম্ভ হৈছে। অনুষ্ঠানটি সাফল্যমণ্ডিত কৰাৰ বাবে ইতিমধ্যে শ্যামল চন্দ্ৰ ভকতক সভাপতি আৰু শিবানন্দ ভকতক সম্পাদক হিচাপে লৈ উদযাপন সমিতি গঠন কৰা হয়। কাৰ্যসূচী মতে, প্ৰথম দিনা পুৱা সাত বজাত পৰিৱেশ নিকাকৰণ, ন বজাত গছ পুলি ৰোপণ, দহ বজাত পৰম্পৰাগতভাৱে ক্ৰমে আইসকলৰ নাম প্ৰসংগ আৰু বাপুসকলৰ নাম প্ৰসংগ। বিয়লি তিনি বজাত পাঁচ বুঢ়ীৰ নাম প্ৰসংগ। সন্ধিয়া বন্তি প্ৰজ্বলন, ভাগৱত পাঠৰ পিছতে প্ৰতিযোগিতামূলক বৰগীত, বক্তৃতা, সত্ৰীয়া নৃত্য গীত আদি অনুষ্ঠিত হ'ব। দ্বিতীয় দিনা পুৱা পাঁচ বজাত প্ৰভাত ফেৰী, পুৱাৰ গীত, পৰিৱেশ নিকাৰণৰ পিছত ধৰ্মীয় ধ্বজা উত্তোলন কৰিব অসম সত্ৰ মহাসভাৰ সভাপতি তথা জিনকাটা ৰাজহুৱা সত্ৰৰ সত্ৰাধিকাৰ জিতেন্দ্ৰ নাথ প্ৰধানীয়ে। আইসকলৰ নাম প্ৰসংগ আৰু যুগল প্ৰসংগ অনুষ্ঠিত হ'ব। এঘাৰ বজাত অখণ্ড পালনামৰ শুভাৰম্ভ কৰিব পৰিবহণ বিভাগৰ সহঃ পৰিদৰ্শক ৰামকৃষ্ণ ভকত। তেৰ ফেব্ৰুৱাৰীৰ পুৱা আঠ বজাত পালনামৰ সামৰণি পৰিব। ন বজাত বৰ্ণাঢ্য শোভাযাত্ৰা উলিওৱা হ'ব। দুপৰীয়া সমূহীয়া নাম প্ৰসংগৰ লগতে সেৱাৰ বস্তু প্ৰদৰ্শন কৰা হ'ব। বিয়লি বঁটা বিতৰণী সভা সন্ধিয়া শংকৰী কলা কৃষ্টি প্ৰদৰ্শন কৰিব জিনকাটাৰ জগৎ গুৰু শংকৰী কলা কৃষ্টি দলে। সাংস্কৃতিক সন্ধিয়াত "গান্ধাৰীৰ অভিশাপ" নামৰ ভাওনা প্ৰদৰ্শন কৰা হ'ব।

# সত্ৰ ভূমি সত্ৰশালত অবৈধ বিলাতী সুৰাৰ দোকান

**ই-সংবাদ, গোলকগঞ্জ, ৬ ফেব্ৰুৱাৰীঃ** ধুবুৰী জিলাৰ অসম-পশ্চিমবংগ আৰু বাংলাদেশ ত্ৰিসীমান্তৰ সত্ৰ ভূমি হিচাপে খ্যাত ঐতিহ্যপূৰ্ণ সত্ৰশাল বজাৰত দুখনকৈ অনুজ্ঞাপত্ৰ বিহীন বিলাতী সুৰাৰ দোকান চলি থকা ঘটনাই অঞ্চলটোৰ সন্মানত কালিমা সনাৰ অভিযোগ উত্থাপিত হৈছে। অসমৰ সত্ৰসমূহ সংৰক্ষণ সংবৰ্ধনত ৰাজ্য চৰকাৰে বিশেষ আঁচনি গ্ৰহণ কৰাৰ সময়ত ঐতিহাসিক সত্ৰ ভূমি সত্ৰশালত মুকলিভাৱে অবৈধ সুৰাৰ দোকান চলি থকা ঘটনাই আগমনি থানা এলেকাত আৰক্ষী প্ৰশাসন আৰু আবকাৰী বিভাগৰ অন্তঃসাৰ শূন্যতাকে প্ৰমাণ কৰিছে। এই সন্দৰ্ভত আৰক্ষীৰ পৰা কোনো সুফল নাপাই অৱশেষত আজি স্থানীয় মহিলাসকল প্ৰাক্তন বিধায়ক তথা অসম প্ৰদেশ বিজেপিৰ অ'বিচি মৰ্চাৰ সভাপতি অশ্বিনী ৰায় সৰকাৰ ঘৰলৈ গৈ লিখিত অভিযোগ প্ৰদান কৰে। জানিব পৰা মতে, সত্ৰশাল বজাৰত দুই ভাতৃয়ে অবৈধভাৱে সুৰাৰদোকান চলাই আহিছে। তিনিআলিত ডাঙৰ ভাতৃয়ে নামতহে এখন প্ৰসাধন সামগ্ৰীৰ দোকান দি মুকলিভাৱে বিলাতী সুৰা বিক্ৰী কৰি আহিছে। আনহাতে, সত্ৰশালৰ দৈনিক বজাৰৰ ভিতৰত থকা নিজ বাসগৃহৰ পৰাই সৰু ভাতৃয়ে অবৈধ সুৰা আৰু চুলাই মদ বিক্ৰী কৰাৰ অভিযোগ উত্থাপিত হৈছে। অকল মদ বিক্ৰীৰে সামাজিক অৱস্থা বিনষ্ট কৰাই নহয় দুই ভাতৃয়ে নিশা মদ সেৱন কৰি বাহিৰা লোকৰ লগত অভব্য আচৰণ কৰাৰো অভিযোগ উত্থাপিত হৈছে। সেয়ে অঞ্চলটোৰ সুস্থ সামাজিক পৰিৱেশৰ স্বাৰ্থত অবৈধ সুৰাৰ দোকান বন্ধ কৰাৰ দাবী জনাইছে স্থানীয় মহিলাসকলে।

Nucleomed- পেটচিটি স্কেন / PETCT Scan- 970701223

# দক্ষিণ কামৰূপ মহাবিদ্যালয়ত লেখক ধনমণি দাসৰ 'শংকৰদেৱ অধ্যয়ন' গ্ৰন্থ উন্মোচন

**ই-সংবাদ, মিৰ্জা, ৬ ফেব্ৰুৱাৰীঃ** মিৰ্জাৰ দক্ষিণ কামৰূপ মহাবিদ্যালয়ত যোৱা ৫ ফেব্ৰুৱাৰীত গুৱাহাটী বিশ্ববিদ্যালয়ৰ গৱেষক ছাত্ৰ তথা লেখক ধনমণি দাসৰ "শংকৰদেৱ অধ্যয়ন" গ্ৰন্থখনি এক গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানত উন্মোচন কৰা হয়। এই উপলক্ষে ভাস্কৰজ্যোতি দাসে আঁত ধৰা আৰু দক্ষিণ কামৰূপ মহাবিদ্যালয় মিৰ্জাৰ অধ্যক্ষ ড০ নৰজ্যোতি দাসৰ সঞ্চালনাত অনুষ্ঠিত এই গ্ৰন্থ উন্মোচনী সভাত আৰম্ভণিতে উদ্বোধনী ভাষণ প্ৰদান কৰে প্ৰগতিশীল লেখক, প্ৰবন্ধকাৰ মইনা গোস্বামীয়ে। এই গ্ৰন্থৰ জৰিয়তে ধনমণিৰ চেতনা সম্প্ৰসাৰণৰ বাটটো বহল হ'ব লাগিব বুলি তেওঁ কয়। চৌত উটি নগৈ ধনমণিয়ে এটা সুস্থ সংস্কৃতিৰ বাটেৰে আগবাঢ়ি যোৱাৰ তেওঁ কামনা কৰে। এই সভাতে বৰগীত পৰিৱেশন কৰে ৰাগিণী প্ৰিয়া কলিতাই। সভাত এই গ্ৰন্থখনি উন্মোচন কৰে গুৱাহাটী বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ অধ্যাপক ড০ কনক চন্দ্ৰ চহৰীয়াই। তেওঁ এই গ্ৰন্থখন উন্মোচন কৰি লেখকৰ উত্তৰণ কামনা কৰে। বিশ্ববিদ্যালয়ৰ সময়ছোৱাতো লেখকে দেখুওৱা বিভিন্ন পাৰদৰ্শিতাই তেওঁলোকক আনন্দিত কৰাৰ কথা ব্যক্ত কৰে। সভাত নিৰ্দিষ্ট বক্তা হিচাপে অংশগ্ৰহণ কৰি গুৱাহাটী বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ সহযোগী অধ্যাপক ড০ দীপামণি হালৈ মহন্তই ধনমণি দাসৰ শংকৰদেৱ অধ্যয়ন গ্ৰন্থ অসমীয়া সাহিত্য-সংস্কৃতিলৈ এক বিশেষ বাৰ্তা হোৱাৰ কামনা কৰে। তেওঁ লগতে কয় যে কিতাপখনৰ লেখাসমূহত লেখক দাসৰ দুটা ধাৰা দেখিবলৈ পাইছোঁ। পৰিপূৰ্ণ চিন্তাৰে ভৰা এটা স্তৰৰ লেখা, আনটোত সময় আৰু পাৰিপাৰ্শ্বিকতাই প্ৰভাৱিত কৰা ভিন্ন সময়ৰ লেখা। ভাষাগত আৰু ব্যাকৰণগত দুই-এটা অসুবিধাই মাজে-মাজে দেখা দিছে যদিও ভাল অধ্যয়ন অব্যাহত ৰাখিলে সেয়া নিশ্চয়কৈ ঠিক হ'ব। আমন্ত্ৰিত সন্মানীয় অতিথি হিচাপে অধ্যাপক যুগল চন্দ্ৰ বৈশ্যই অশেষ সংকটৰ মাজতো নিজৰ শৈক্ষিক কৃতিত্ব অব্যাহত ৰখাৰ বাবে ধনমণিক লৈ গৌৰৱ অনুভৱ কৰে। শিক্ষাবিদ মায়াৰাম দাসে দক্ষিণ কামৰূপৰ এটা সমল আৰু সম্পদ হিচাপে পোৱাৰ বাবে ধনমণিৰ ওপৰত আস্থা প্ৰকাশ কৰে। লগতে তেওঁলোকৰ মালিয়াটা অফছেট প্ৰেছৰ পৰা এই গ্ৰন্থখনি প্ৰকাশ কৰিবলৈ পাই সুখী অনুভৱ কৰে। দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয় মিৰ্জাৰ অধ্যক্ষ ড০ নৰকান্ত অধিকাৰীয়ে অংশগ্ৰহণ কৰি শংকৰী সাহিত্য চৰ্চালৈ এই গ্ৰন্থখনৰ অৱদান নিশ্চয় থাকিব বুলি আশা প্ৰকাশ কৰে। এই সভাতে বৰিহাট মাহিলী বৈঠকীৰ শিল্পীবৃন্দৰ দ্বাৰা গীত পৰিৱেশন কৰা হয়। জ্যোতি সংগীত পৰিৱেশন কৰে গুৱাহাটী বিশ্ববিদ্যালয় ইংৰাজী বিভাগৰ ছাত্ৰী ড্ৰিমলী কাশ্যপে, আবৃত্তি পৰিৱেশন কৰে ভাৰ্গৱ কলিতাই।

# আমিনগাঁৱত এডভাণ্টেজ আছামক লৈ কৰ্মশালা সম্পন্ন

**ই-সংবাদ, উত্তৰ গুৱাহাটী, ৬ ফেব্ৰুৱাৰীঃ** এক অঞ্চলক উদ্যোগিক আৰু বাণিজ্যিক কেন্দ্ৰৰূপে গঢ়ি তোলাৰ বাবে প্ৰথম প্ৰয়োজনীয়তা হৈছে উন্নত যোগাযোগ ব্যৱস্থা। অসমত বৰ্তমান উন্নত ঘাইপথ, ৰে'লপথ, আকাশীপথ আৰু জলপথৰ সুবিধা আছে। ইফালে, বৰ্তমান সময়ত বাণিজ্য ক্ষেত্ৰৰ প্ৰসাৰৰ বাবে প্ৰয়োজনীয় দ্ৰুত ইণ্টাৰনেট সেৱা কাৰ্যক্ষম কৰি তোলাৰ ক্ষেত্ৰতো ৰাজ্য চৰকাৰ সফল হৈছে। অসমে বিনিয়োগ আৰু বাণিজ্যৰ বিকাশৰ প্ৰচুৰ সম্ভাৱনীয়তা বহন কৰিছে।- এই মন্তব্য ৰাজ্য চৰকাৰৰ পৰিৱেশ আৰু বন, এক্ট ইষ্ট পলিচী পৰিক্ৰমা আদি বিভাগৰ মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰীৰ। ৰাজ্যখনলৈ বিনিয়োগ আকৰ্ষণৰ লক্ষ্যৰে অহা ২৫ আৰু ২৬ ফেব্ৰুৱাৰীত খানাপাৰাৰ পশুচিকিৎসা মহাবিদ্যালয় খেলপথাৰত ৰাজ্য চৰকাৰে অনুষ্ঠিত কৰিবলৈ লোৱা এডভাণ্টেজ আছাম ২.০ বিনিয়োগ আৰু আন্তঃগাঁথনি সন্মিলনৰ সৈতে সংগতি ৰাখি কামৰূপ জিলাৰ আমিনগাঁওস্থিত গুৱাহাটী বায়'টেক পাৰ্কত অনুষ্ঠিত জিলা পৰ্যায়ৰ এক কৰ্মশালাত আজি মন্ত্ৰীগৰাকীয়ে এইদৰে কয়। আজিৰ অনুষ্ঠানত মুখ্য অতিথিৰূপে উপস্থিত থাকি ভাষণত তেওঁ কয় যে এক্ট ইষ্ট পলিচীৰ ফলস্বৰূপে অসম সম্প্ৰতি দক্ষিণ-পূব এছিয়াৰ দেশসমূহ তথা বাংলাদেশ, ভুটান আৰু নেপালৰ সৈতে যোগাযোগৰ অন্যতম কেন্দ্ৰ হৈ পৰিছে। সেয়ে ৰাজ্যখনক এক উদ্যোগিক কেন্দ্ৰৰূপে গঢ়ি তুলিব লাগিব আৰু এই চুবুৰীয়া দেশসমূহৰ বজাৰ অসমত উৎপাদিত সামগ্ৰীৰে দখল কৰিবৰ বাবে আগবাঢ়ি যাব লাগিব। ভাষণ প্ৰসংগত মন্ত্ৰীগৰাকীয়ে অসমক এক অৰ্থনৈতিকভাৱে সবল তথা চহকী ৰাজ্য কৰি তোলাৰ বাবে ৰাজ্যজুৰি বিয়পি থকা ক্ষুদ্ৰ আৰু অতি ক্ষুদ্ৰ উদ্যোগসমূহৰ উত্তৰণৰ বাবেও সমূহীয়া প্ৰচেষ্টা লাগিব বুলি মন্তব্য কৰে। তেওঁ ভাষণ প্ৰসংগত ৰাজ্যখনত কৃষি, পৰ্যটন, নবীকৰণযোগ্য শক্তি আৰু হাইড্ৰ'কাৰ্বন, খাদ্য সংসাধন, হস্ততাঁত আদি খণ্ডত থকা বিনিয়োগৰ সম্ভাৱনা সম্পৰ্কেও ব্যাখ্যা আগবঢ়ায়। আজি কামৰূপ, কামৰূপ মহানগৰ, নলবাৰী আৰু গোৱালপাৰা জিলাৰ বিভিন্ন উদ্যোগপতি, ঔদ্যোগিক সংস্থা, কৃষক উৎপাদক সংস্থাৰ প্ৰতিনিধি, উদ্যোগী ব্যক্তিৰ অংশগ্ৰহণৰে অনুষ্ঠিত এডভাণ্টেজ আছাম ২.০ ৰ সৈতে সংগতি ৰাখি আয়োজন কৰা জিলা পৰ্যায়ৰ কৰ্মশালাত আদৰণি ভাষণ প্ৰদান কৰে কামৰূপৰ জিলা আয়ুক্ত দেৱ কুমাৰ মিশ্ৰই। আদৰণি ভাষণত জিলা আয়ুক্তগৰাকীয়ে ৰাজ্য চৰকাৰে ৰাষ্ট্ৰীয় তথা আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ৰ বিনিয়োগৰ বাবে অসমত থকা সুযোগ আৰু সম্ভাৱনাসমূহৰ বিষয়ে বিশ্ববাসীক অৱগত কৰা আৰু অসমক ভাৰতৰ এক আগশাৰীৰ ব্যৱসায়িক তথা বিনিয়োগ কেন্দ্ৰৰূপে গঢ়ি তোলাৰ লক্ষ্যৰে আয়োজন কৰা এডভাণ্টেজ আছাম ২.০- বিনিয়োগ আৰু আন্তঃগাঁথনি সন্মিলনত স্থানীয় উদ্যোগী ব্যক্তিসকলে অংশগ্ৰহণ কৰি কিদৰে লাভান্বিত হ'ব পাৰিব সেই সম্পৰ্কে ব্যাখ্যা আগবঢ়ায়। তেওঁ লগতে এই সন্মিলনত অংশগ্ৰহণৰ জৰিয়তে উদ্যোগীসকলে ৰাষ্ট্ৰীয়-আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ৰ বিনিয়োগকাৰীসকলে বৰ্তমান অগ্ৰাধিকাৰ প্ৰদান কৰা খণ্ডসমূহৰ সম্পৰ্কে অৱগত হোৱাৰ লগতে বিভিন্ন খণ্ডৰ সৈতে জড়িত সুবিধা আৰু প্ৰত্যাহ্বান, চৰকাৰী নীতি, ব্যৱসায় সম্প্ৰসাৰণৰ বাবে উপলব্ধ উদগনি আদি সম্পৰ্কে জনাৰ সুবিধা লাভ কৰিব বুলি উল্লেখ কৰে। লগতে সন্মিলনৰ বিভিন্ন আলোচনাচক্ৰত অংশ লৈ যুৱক-যুৱতীসকলে দেশৰ তথা বিশ্বৰ আগশাৰীৰ উদ্যোগপতিসকলৰ সৈতে বাৰ্তালাপ কৰা, তেওঁলোকৰ সৈতে ব্যৱসায়িক সম্পৰ্ক স্থাপনৰ সুবিধাৰ লগতে ৰাষ্ট্ৰীয় তথা আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত প্ৰতিদ্বন্দ্বিতা আগবঢ়াব পৰাকৈ ন ন প্ৰযুক্তি তথা উদ্ভাৱনীমূলক অনুশীলন সম্পৰ্কে জনাৰ সুযোগ লাভ কৰিব বুলিও উল্লেখ কৰে। আজিৰ অনুষ্ঠানত কামৰূপৰ জিলা উদ্যোগ আৰু বাণিজ্য কেন্দ্ৰৰ তৰফৰ পৰা এডভাণ্টেজ আছাম ২.০ৰ ৱেবছাইটলৈ গৈ কিদৰে এই সন্মিলনত অংশগ্ৰহণৰ বাবে ইচ্ছুক আগ্ৰহী উদ্যোগীসকলে নিজৰ নাম পঞ্জীয়ন কৰিব পাৰিব সেই সম্পৰ্কেও ব্যাখ্যা আগবঢ়োৱা হয়। কৰ্মশালাত কামৰূপ জিলাৰ জিলা উদ্যোগ আৰু বাণিজ্য কেন্দ্ৰৰ প্ৰধান পৰিচালক ভাৰ্গৱ শৰ্মাৰ লগতে গোৱালপাৰা, কামৰূপ মহানগৰ, নলবাৰী জিলাৰ জিলা উদ্যোগ আৰু বাণিজ্য কেন্দ্ৰৰ প্ৰধান পৰিচালকসকলো উপস্থিত থাকে।

# মাধৱদেৱ হাইস্কুলত কেৰিয়াৰ কৰ্মশালা

**ই-সংবাদ, মিৰ্জা, ৬ ফেব্ৰুৱাৰীঃ** সমগ্ৰ শিক্ষাৰ কামৰূপ জিলাৰ উদ্যোগত আৰু ভাগৰতীপাৰাস্থিত মাধৱদেৱ উচ্চ মাধ্যমিক বিদ্যালয়ৰ সহযোগত যোৱা ৪ ফেব্ৰুৱাৰীত নতুন শিক্ষানীতিৰ আধাৰত নতুন প্ৰজন্মৰ ছাত্ৰ-ছাত্ৰীৰ উপযোগী হোৱাকৈ এখন কেৰিয়াৰ বিষয়ক গুৰুত্বপূৰ্ণ সভা মাধৱদেৱ হাইস্কুলত অনুষ্ঠিত হৈ যায়। সমগ্ৰ শিক্ষাৰ কামৰূপ জিলাৰ জিলা আঁচনি বিষয়া চুইটি বেজবৰুৱাৰ সঞ্চালনাত অনুষ্ঠিত হোৱা কৰ্মশালাখনত জিলাখনৰ বিভিন্ন শিক্ষাখণ্ডৰ আৰু বিভিন্ন বিদ্যালয়ৰ ১৮ গৰাকীকৈ প্ৰশিক্ষকে অংশগ্ৰহণ কৰে। প্ৰশিক্ষকসকলে একৈশ শতিকাত নৱ-প্ৰজন্মৰ ছাত্ৰ-ছাত্ৰীসকলে কেৰিয়াৰৰ কৌশলসমূহ আয়ত্ব কৰাত সংশ্লিষ্ট বিদ্যালয়ৰ কৰ্তৃপক্ষসমূহে যে এক সঠিক পদক্ষেপ ল'ব লাগিব সেই সম্পৰ্কে পৰামৰ্শ দাঙি ধৰে। মাধৱদেৱ হাইস্কুলৰ নৱম শ্ৰেণীত অধ্যয়নৰত ছাত্ৰ-ছাত্ৰীসকলে অংশগ্ৰহণ কৰা এই কৰ্মশালাখনত কেৰিয়াৰ সম্পৰ্কীয় আলোচনাৰ আঁত ধৰে লাচিত মহন্ত, ৰেখাৰাণী শৰ্মা প্ৰমুখ্যে সমল ব্যক্তিসকলে। কৰ্মশালাত বৃত্তিমুখী শিক্ষাৰ প্ৰয়োজনীয়তা সম্পৰ্কে বক্তব্য ৰাখে টুকৰাপাৰা আঞ্চলিক ছোৱালী হাইস্কুলৰ শিক্ষক কল্পজ্যোতি কলিতাই। কৰ্মশালাত পি এমশ্ৰী তুলসীবাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ বিষয় শিক্ষয়িত্ৰী অনিমা পামগেং কুটুম, মেজিক বাছ ফাউণ্ডেচনৰ কৰ্মকৰ্তা প্ৰত্যাশী বৰা, মাধৱদেৱ হাইস্কুলৰ জ্যেষ্ঠ শিক্ষক বিচিত্ৰ কুমাৰ প্ৰমুখ্যে কেইবাগৰাকীও বিশেষজ্ঞ ব্যক্তিয়ে বক্তব্য ৰাখে। কৰ্মশালাত নিমন্ত্ৰিত অতিথি হিচাপে উপস্থিত থকা বিশিষ্ট সাংবাদিক বিমল শৰ্মাই নতুন শিক্ষানীতিত ছাত্ৰ-ছাত্ৰীয়ে কিদৰে নিজৰ কৌতুহলী চিন্তা-পৰিকল্পনাৰে কেৰিয়াৰ গঢ়ি তুলিব লাগিব আৰু এইক্ষেত্ৰত শিক্ষা বিভাগৰ বিষয়াসকলে সু-চিন্তিত পৰ্যালোচনাৰে সেয়া বাস্তৱায়িত কৰি তুলিব লাগিব সেই সম্পৰ্কে চমুকৈ বক্তব্য ৰাখে। সভাখনত নৱস্মিতা ডেকা, তীৰ্থমণি ডেকা, চন্দন শৰ্মা, সমীক্ষা বৰা, প্ৰণৱ দাস, যুতিকা ডেকাকে ধৰি কেইবাগৰাকীও অভিজ্ঞ ব্যক্তিয়ে গঠনমূলক পৰামৰ্শ আগবঢ়ায়।

# হাপজান স্বাস্থ্য খণ্ডত ১০-১৯ ফেব্ৰুৱাৰীলৈ চলিব ফাইলেৰিয়া নিৰ্মূল অভিযান

**ই-সংবাদ, ডুমডুমা, ৬ জানুৱাৰীঃ** হাপজান খণ্ড প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰ, তিনিচুকীয়াৰ অন্তৰ্গত অঞ্চলত লিম্ফেটিক ফাইলেৰিয়া অৰ্থাৎ গোধা ৰোগৰ বীজাণু ধৰা পৰিছে। সেয়েহে, স্বাস্থ্য কেন্দ্ৰৰ অধীনস্থ এলেকাৰ প্ৰতিজন ব্যক্তিকে ফাইলেৰিয়া ৰোগৰ ঔষধ সেৱনৰ এক সামুহিক কাৰ্যসূচী গ্ৰহণ কৰা হৈছে, যাতে এই বিপজ্জনক ৰোগবিধ সমুলি নিৰ্মূল কৰিব পৰা যায়। এই উদ্দেশ্যেৰে অহা ১০-১৯ ফেব্ৰুৱাৰীলৈ চলিবলগীয়া সমূহীয়া ঔষধ সেৱন (এম ডি এ) কাৰ্যসূচীৰ অধীনত হাপজান স্বাস্থ্য খণ্ডৰ উপৰি মাকুম আৰু তিনিচুকীয়া পৌৰসভা অঞ্চলৰ প্ৰতিজন বাসিন্দা আৰু প্ৰতিটো পৰিয়ালকে সামৰি লোৱা হ'ব। এই সন্দৰ্ভত আজি বৰগুৰিস্থিত তিনিচুকীয়া জিলা আয়ুক্তৰ কাৰ্যালয়ৰ সভাকক্ষত অনুষ্ঠিত হয় এক সংবাদমেল। সংবাদমেলত অতিৰিক্ত আয়ুক্ত চিন্ময় পাঠকে কয় যে, এই অঞ্চলৰ ৫,৮১,০৯৯ জন বাসিন্দাৰ ৫,১৫,০০০ জনক বিশ্ব স্বাস্থ্য সংস্থা আৰু কেন্দ্ৰীয় চৰকাৰৰ অনুমোদন ক্ৰমে ডাইথাইলকাৰবামাজাইন (ডিইচি) আৰু এলবেণ্ডাজ'ল( Albendazole) টেবলেট একেলগে প্ৰদান কৰা হ'ব। গৰ্ভৱতী মহিলা, স্তনপান কৰোৱা মাতৃ, দুবছৰৰ অনূৰ্ধৰ শিশু আৰু গুৰুতৰভাৱে অসুস্থ লোকক এই ঔষধ খাবলৈ দিয়া নহয়। জিলাৰ যুটীয়া স্বাস্থ্য সঞ্চালক ডাঃ জয়ন্ত ভট্টাচাৰ্যই কয় যে, আশাকৰ্মীসকলে হাপজান স্বাস্থ্য খণ্ড এলেকাত এই সময়ছোৱাৰ ভিতৰত ঘৰে ঘৰে গৈ প্ৰতিটো পৰিয়ালৰ লোকক বয়স অনুযায়ী পৰ্যাপ্ত পৰিমাণৰ ঔষধ প্ৰদান কৰাৰ উপৰি কিছুমান কাৰখানা, কাৰ্যালয়, ৰে'লৰ ষ্টেচন আদিত অস্থায়ী কেন্দ্ৰ স্থাপন কৰি এই ঔষধ প্ৰদানৰ ব্যৱস্থা কৰা হ'ব। তেওঁ সকলো নিৰোগী লোককে এই ঔষধ সেৱন কৰি জিলাখনৰ পৰা ফাইলেৰিয়া নিৰ্মূল কৰাৰ লগতে নিজকে তেনে ৰোগৰ সম্ভাৱনাৰ পৰা মুক্ত কৰিবলৈ আহ্বান জনায়। তেওঁ লগতে এই ঔষধৰ বিশেষ কোনো পাৰ্শ্বক্ৰিয়া নাই বুলিও উল্লেখ কৰি কয় যে, ক'ৰবাত সাধাৰণ পাৰ্শ্বক্ৰিয়া দেখা গ'লেও, সেয়া তেনেই সাধাৰণ। জিলা মেলেৰিয়া বিষয়া উজলা বৰুৱাই লিম্ফেটিক ফাইলেৰিয়া ৰোগৰ লগতে আৰু এই সম্পৰ্কত ল'ব লগা সাৱধানতাৰ বিষয়ে বুজাই কয়। তেওঁ কয় যে, ফাইলেৰিয়া বা গোধা ৰোগৰ সংক্ৰমণ মহৰ পৰাই হ'য় যদিও তেনে ৰোগৰ বীজাণু নিজৰ অজ্ঞাতে যিকোনো লোকৰ দেহত থাকিব পাৰে। কিন্তু ঔষধ সেৱনে তেনে সম্ভাৱনা নোহোৱা কৰে। যোৱা বছৰৰ পৰা আৰম্ভ হোৱা এই অভিযানৰ এইবাৰ দ্বিতীয় পৰ্যায়ৰ কাৰ্যসূচী ৰূপায়ন কৰিবলৈ লোৱা হৈছে। এই ৰোগ সম্পূৰ্ণ নিৰ্মূল কৰিবলৈ পাঁচ বছৰলৈ প্ৰতি বছৰে এপালিকৈ দৰৱ সেৱন কৰিবই লাগিব। আজিৰ সংবাদমেলত জিলা তথ্য আৰু জনসংযোগ বিষয়া বিকাশ শৰ্মা, সহকাৰী শ্ৰম আয়ুক্ত ভাস্কৰ মিলিৰ উপৰি তিনিচুকীয়া আৰু মাকুম পৌৰসভাৰ সভানেত্ৰী তথা কাৰ্যবাহী বিষয়াসকল উপস্থিত থাকে। সংবাদমেলৰ পিছতে অনুষ্ঠিত এই সম্পৰ্কীয় এখন বৈঠকত অহা চলিবলগীয়া সমূহীয়া ঔষধ সেৱন কাৰ্যসূচীৰ সফলতাৰ বাবে বিভিন্ন বিভাগৰ কৰ্তব্য সম্পৰ্কে আলোচনা কৰা হয়।

# মহীশূৰত অসমীয়া তথ্যচিত্ৰ 'নিউ ইয়েৰ ইন ঈশান ভাৰত'ৰ বিশেষ সাফল্য




■ প্ৰাঞ্জল এ. শৰ্মা


**অসমৰ আগশাৰীৰ** চিত্ৰ নিৰ্মাণ প্ৰতিষ্ঠান SSDEKA Media & entertainment Pvt Ltd এ ২০১৭ চনৰে পৰা একেৰাহে উত্তৰ পূৰ্ব ভাৰতৰ বিভিন্ন বিষয়ক লৈ কলাত্মক তথ্যচিত্ৰ নিৰ্মান কৰি আহিছে। SSDEKAৰ অন্যতম তথ্যচিত্ৰ 'নিউ ইয়াৰ ইন ঈশান ভাৰতে' বিদ্যাৰ্থী শিতানত শ্ৰেষ্ঠ তথ্যচিত্ৰ সন্মান লাভেৰে উজলি উঠিছে পৰিদৃশ্য আন্তৰ্জাতিক চুটি ছবি আৰু তথ্যচিত্ৰ মহোৎসৱত। সমীৰণ ডেকাৰ প্ৰযোজনা আৰু গুঞ্জন শৰ্মাৰ পৰিচালনাৰে নিৰ্মাণ হোৱা ছবিখনৰ সাফল্যই উৎফুল্লিত কৰি তুলিছে অসমীয়া সচেতন ছবিপ্ৰেমীসকলক। মাইছোৰৰ কে.এছ.অ'.ইউ কেম্পাছত অনুষ্ঠিত হোৱা মহোৎসৱত প্ৰদান কৰা হয় এই সন্মান। চিদা বৰা, সৰ্পিল নন্দন ডেকা আৰু গুঞ্জন শৰ্মাই দৃশ্যগ্ৰহণ কৰা ছবিখনত অসম তথা উত্তৰ-পূৰ্বাঞ্চলৰ ভিন্ন জনজাতিয়ে নিজ নিজ ধৰণেৰে পালন কৰা নৱবৰ্ষ উদযাপনৰ পৰম্পৰাবোৰৰ অধ্যয়নেৰে ভাৰতীয় দৃশ্যকোণত বিশ্লেষণ কৰা হৈছে। ছবিখনৰ শব্দগ্ৰহণ অলকেশ বুজৰবৰুৱা, প'ষ্টাৰ ধীৰাজ ভাগৱতী আৰু সম্পাদনা ৰূপাংকৰ দাস আৰু সৰজিৎ তালুকদাৰৰ।

লক্ষণীয়ভাৱে তথ্যচিত্ৰখনে ইতিমধ্যে হিমাচল আন্তৰ্জাতিক ছবি মহোৎসৱ, ২০২৪ত শ্ৰেষ্ঠ তথ্যচিত্ৰৰ সন্মান লাভ কৰিবলৈ সক্ষম হৈছে। তদুপৰি চলচ্চিত্ৰম ৰাষ্ট্ৰীয় ছবি মহোৎসৱ, ২০২৩ত দ্বিতীয় শ্ৰেষ্ঠ ছবি, মুম্বাইৰ ৰাষ্ট্ৰীয় শিক্ষাৰ্থী ছবি মহোৎসৱত শ্ৰেষ্ঠ তথ্যচিত্ৰ, মালদোভাৰ চাৰবেষ্ট আন্তৰ্জাতিক ছবি মহোৎসৱত ছেমি ফাইনেলিষ্ট আৰু আন্তৰ্জাতিক আন্তঃবিশ্ববিদ্যালয় চুটি ছবি মহোৎসৱত তথ্যচিত্ৰখনে আঁজুৰি আনিছে বিভিন্ন সন্মান। উল্লেখযোগ্য যে তথ্যচিত্ৰখনৰ পৰিচালক গুঞ্জন শৰ্মা ইন্দিৰা গান্ধী ৰাষ্ট্ৰীয় মুক্ত বিশ্ববিদ্যালয়ৰ স্নাতকোত্তৰ দ্বিতীয় ষাণ্মাসিকৰ ছাত্ৰ।

# নগাঁৱৰ পশ্চিমাঞ্চলত ইটোৰ পিছত সিটো ভ্ৰাম্যমাণ নাট্যদলৰ নাট প্ৰদৰ্শন

> পূৰ্বতে উক্ত অঞ্চলবোৰত ভ্ৰাম্যমাণ নাট্যদলৰ প্ৰেক্ষাগৃহ দৰ্শকৰ উপস্থিতিত উদুলি-মুদুলি হৈ পৰিছিল যদিও এইবাৰ কোনোটো নাট্যদলৰ ক্ষেত্ৰতেই তেনে পৰিৱেশৰ সৃষ্টি নহ'ল।

■ জয়ন্ত মুদৈ



**অসমৰ ভ্ৰাম্যমাণ** নাট্যদলৰ প্ৰতি দৰ্শকৰ আছে এক সুকীয়া আকৰ্ষণ। গাঁঠিৰ ধন ভাঙি দৰ্শক ঢাপলি মেলে নাটকৰ সোৱাদ ল'বলৈ। যাৰ বাবেই প্ৰতিবছৰে নতুন নতুন ভ্ৰাম্যমাণ নাট্যদলৰ আত্মপ্ৰকাশ ঘটা দেখিবলৈ পোৱা যায়। প্ৰতিটো দলেই তীব্ৰ প্ৰতিদ্বন্দ্বিতাত নামি পৰি দৰ্শকৰ ৰুচিৰ প্ৰতি লক্ষ্য ৰাখি আস্থা লাভৰ বাবে যৎপৰোনাষ্টি চেষ্টা চলায়। ঘাইকৈ ভ্ৰাম্যমাণ নাট্যদলবোৰৰ প্ৰতি নগৰাঞ্চলৰ তুলনাত গ্ৰামাঞ্চলৰ ৰাইজৰ আকৰ্ষণ যথেষ্ট বেছি। বৰ্তমান প্ৰতিটো সৰু-বৰ ভ্ৰাম্যমাণ নাট্যদলেই ৰাইজৰ মাজত নাট প্ৰদৰ্শন অব্যাহত ৰাখিছে। ইয়াৰ মাজতে শেহতীয়াভাৱে নগাঁও জিলাৰ পশ্চিমাঞ্চলত কেইবাটাও আগশাৰীৰ ভ্ৰাম্যমাণ নাট্যদলে পদাৰ্পণ কৰিছে। যোৱা মাহৰ পহিলা ভাগৰ পৰা এতিয়ালৈকে ধাৰাবাহিকভাৱে ইটোৰ পিছত সিটো ভ্ৰাম্যমাণ নাট্যদল পশ্চিম নগাঁৱৰ গ্ৰামাঞ্চলত সোমাই পৰি নাট প্ৰদৰ্শন কৰিছে। জাজৰিৰ পাঘালী আৰু কটহগুৰিত ৰাজতিলক, কাছমাৰীত হেঙুল, বৰছিলাত ৰাজলক্ষ্মী, দলংঘাটত বীণাপানি, ৰাইদঙীয়াত ইতিহাস আৰু ঘাঁহীত সূৰ্যই ইতিমধ্যে নাট প্ৰদৰ্শন কৰিছে। ইয়াৰ বিপৰীতে চলিত মাহৰ প্ৰথম পষেকত বেবেজীয়াৰ সমীপৰ চমুৱাগাঁৱত ৰাজধানী, কাছমাৰীত নটসূৰ্য, ৰাইদঙীয়াত আৱাহন থিয়েটাৰে নাট প্ৰদৰ্শন কৰিব। মুঠতে নগাঁৱৰ পশ্চিম প্ৰান্তৰ গ্ৰামাঞ্চলত এতিয়া যেন লেথাৰিনিছিগাকৈ চলিছে ভ্ৰাম্যমাণ নাট্যদলৰ প্ৰদৰ্শন।

পিছে লক্ষণীয় কথাটো হ'ল ইতিমধ্যে নাট প্ৰদৰ্শন কৰা নাট্যদলকেইটাই দৰ্শকৰ পৰা পোৱা নাই আশাব্যঞ্জক সঁহাৰি। পূৰ্বতে উক্ত গ্ৰামাঞ্চলবোৰত ভ্ৰাম্যমাণ নাট্যদলৰ প্ৰেক্ষাগৃহ দৰ্শকৰ উপস্থিতিত উদুলি-মুদুলি হৈ পৰিছিল যদিও এইবাৰ কোনোটো নাট্যদলৰ ক্ষেত্ৰতেই তেনে পৰিৱেশৰ সৃষ্টি হোৱা দেখা নগ'ল। গ্লেমাৰ শিল্পীৰে দপদপাই থকা সত্বেও এই নাট্যদলকেইটাৰ নাটক চাবলৈ হিলদল ভাঙি নগ'ল দৰ্শক। আনকি, বলিষ্ঠ অভিনেতা যতীন বৰাৰ অভিনীত ইতিহাস থিয়েটাৰৰ প্ৰতিও দৰ্শকে বিশেষ গুৰুত্ব নিদিয়াটো লক্ষণীয় দিশ হিচাপে চিহ্নিত হৈছে। অৱশ্যে এইক্ষেত্ৰত বৰ্তমান সমগ্ৰ ৰাজ্যতে সমাগত পৰীক্ষাকেন্দ্ৰিক ব্যস্ততাৰ বাবেই এনেদৰে দৰ্শক ভ্ৰাম্যমাণৰ প্ৰেক্ষাগৃহত উবুৰি খাই নপৰাৰ অন্যতম কাৰণ বুলি সচেতন মহলে মন্তব্য কৰিছে।

# গুৱাহাটী শিশু নাট্য বিদ্যালয়ৰ বিশেষ শিশু নাট প্ৰতিযোগিতা

**শ্ৰীমন্ত শংকৰদেৱ** কলাক্ষেত্ৰৰ মাধৱদেৱ আন্তৰ্জাতিক প্ৰেক্ষাগৃহত অহা ৫ আৰু ৬ এপ্ৰিলত গুৱাহাটী শিশু নাট্য বিদ্যালয়ে বৃষ্টিপ্ৰীয়া সোঁৱৰণী অসম ভিত্তিক শিশু নাট প্ৰতিযোগিতা আয়োজন কৰিবলৈ লৈছে। অসমৰ বিভিন্ন প্ৰান্তৰ শিশু নাট্যদল তথা বিদ্যালয়সমূহক এই প্ৰতিযোগিতাত যোগদান কৰিবলৈ আহ্বান জনাইছে। শ্ৰেষ্ঠ দলে নগদ ধন, স্মাৰক আৰু প্ৰমাণপত্ৰ প্ৰদান কৰা হ'ব। নাটকৰ দৈৰ্ঘ্য ২০-২৫ মিনিট আৰু অভিনেতা, অভিনেত্ৰী, পৰিচালককে ধৰি সদস্যৰ সংখ্যা ১২জনৰ ওপৰত হ'ব নোৱাৰিব। নাট্যদলে যাতায়াতৰ খৰচ নিজেই বহন কৰিব লাগিব। গুৱাহাটী শিশু নাট্য বিদ্যালয়ৰ দ্বাৰা আয়োজিত পূৰ্বে হৈ যোৱা প্ৰতিযোগিতাত ভাগ লোৱা পাণ্ডুলিপিয়ে এই প্ৰতিযোগিতাত ভাগ ল'ব নোৱাৰিব। নতুন নাটকক অগ্ৰাধিকাৰ দিয়া হ'ব। নাটৰ পাণ্ডুলিপি ডিটিপি কৰিহে জমা দিব লাগিব। পাণ্ডুলিপি নিৰ্বাচিত হোৱাৰ পাছতহে নাট্যদলটোক প্ৰতিযোগিতাৰ বাবে আমন্ত্ৰণ কৰা হ'ব। পাণ্ডুলিপি জমা দিয়া শেষ তাৰিখ অহা ২০ মাৰ্চ ২০২৫। পাণ্ডুলিপি gsnv1998@gmail.com/ sisunatghar@gmail.comলৈ মেইল কৰিব পাৰিব। যোগাযোগ নম্বৰ: 9864074363।

# সদৌ অসম মুকলি যোগাসন প্ৰতিযোগিতাত কোকৰাঝাৰৰ বিশেষ সাফল্য

**ই-সংবাদ, কোকৰাঝাৰ ৬ ফেব্ৰুৱাৰীঃ** ধেমাজিত অনুষ্ঠিত হৈ যোৱা ৰাজ্যিক পৰ্যায়ৰ প্ৰথম সদৌ অসম মুকলি যোগাসন ক্ৰীড়া প্ৰতিযোগিতাত পদক অৰ্জনেৰে কোকৰাঝাৰ জিলালৈ সুনাম কঢ়িয়াই আনিছে কোকৰাঝাৰ চহৰৰ মাহী, ৰীতিকা, মৌমিতা আৰু সংগীতাই। আনকি কোকৰাঝাৰৰ এই চাৰিগৰাকী প্ৰতিযোগী ৰাষ্ট্ৰীয় যোগাসন প্ৰতিযোগিতাৰ বাবে নিৰ্বাচিত হৈছে। উল্লেখ্য যে সদৌ টাই আহোম ছাত্ৰ সন্থাৰ উদ্যোগত তথা যোগাসন ক্ৰীড়া সন্থাৰ সহযোগত যোৱা ৩১ জানুৱাৰীৰ পৰা ২ ফেব্ৰুৱাৰীলৈ ধেমাজিৰ কৰ্ট পথাৰত প্ৰথম সদৌ অসম মুকলি যোগাসন ক্ৰীড়া প্ৰতিযোগিতা অনুষ্ঠিত হৈছিল। উক্ত প্ৰতিযোগিতাত অংশ লৈ কোকৰাঝাৰ চহৰৰ এমচিএম উডলেণ্ড স্কুলৰ ছাত্ৰী মাহী কুণ্ডুৱে তৃতীয় স্থান (৯ বছৰ অনুৰ্ধ্ব শাখাত) আৰু ৰিয়েলিটি পাব্লিক স্কুলৰ ছাত্ৰী ৰীতিকা মুছাহাৰীয়ে কলাত্মক যোগাসনৰ কনিষ্ঠ শাখাত পঞ্চম স্থান দখল কৰিবলৈ সক্ষম হৈছে। আনহাতে প্ৰতিযোগিতাত কোকৰাঝাৰৰ মৌমিতা দত্ত কুণ্ডুৱে মহিলা ছিনিয়ৰ শাখাৰ কলাত্মক আৰু পৰম্পৰাগত এই দুয়োটা শাখাতে প্ৰথম স্থান দখল কৰিবলৈ সক্ষম হৈছে। কোকৰাঝাৰ চহৰৰে সংগীতা মিত্ৰই মহিলা ছিনিয়ৰ কলাত্মক যোগাসন শাখাত তৃতীয় স্থান দখল কৰিছে। প্ৰশিক্ষক ৰূপক ৰায়ৰ নেতৃত্বত কোকৰাঝাৰৰ চাৰিজনীয়া দলটোৱে ধেমাজিত অনুষ্ঠিত হৈ যোৱা ৰাজ্যিক যোগাসন প্ৰতিযোগিতাত অংশ লৈছিল।

# মাধপুৰত দিবা-নৈশ ক্ৰিকেট প্ৰতিযোগিতা

**ই-সংবাদ, বৰমা, ৬ ফেব্ৰুৱাৰীঃ** বাক্সা জিলাৰ বৰমাৰ মাধপুৰত সদৌ বাক্সা জিলা গৰিয়া মৰিয়া দেশী পৰিষদৰ উদ্যোগত তথা মাধপুৰ জ্যোতি সন্ধান সংঘ আৰু নিউ মিলন সংঘৰ সহযোগত দিবা-নৈশ টেনিছ বল ক্ৰিকেট প্ৰতিযোগিতাৰ আয়োজন কৰা হৈছে। মাধপুৰ মছজিদ চ'ক খেলপথাৰত অহা ৯-১১ ফেব্ৰুৱাৰীলৈ তিনিদিনীয়াকৈ অনুষ্ঠিত হ'ব দিবা-নৈশ টেনিছ বল ক্ৰিকেট প্ৰতিযোগিতাখন। চূড়ান্ত খেলত বিজয়ী প্ৰথম দলে পুৰস্কাৰ ৪০ হাজাৰ টকা আৰু দ্বিতীয় দলে পুৰস্কাৰ হিচাপে ২০ হাজাৰ টকা লাভ কৰিব বুলি জনাইছে উদ্যোক্তাই। প্ৰতিযোগিতাৰ ভৰ্তি মাচুল ১০০০ টকা।

## ৭ সমষ্টিৰ ১৫০০ খেলুৱৈৰে উথপথপ নুৰুল আমিন ষ্টেডিয়াম

# উদুলি-মুদুলি পৰিৱেশত নগাঁৱত আৰম্ভ খেল মহাৰণ ২.০

**ই-সংবাদ ক্ৰীড়া সেৱা, নগাঁও, ৬ ফেব্ৰুৱাৰীঃ** অসম চৰকাৰৰ ক্ৰীড়া আৰু যুৱকল্যাণ বিভাগৰ উদ্যোগত তথা নগাঁও জিলা প্ৰশাসনৰ ব্যৱস্থাপনাত বিগত বৰ্ষৰ দৰে এইবাৰো নগাঁও ক্ৰীড়া সংস্থাৰ নুৰুল আমিন ষ্টেডিয়ামত আয়োজন কৰা খেল মহাৰণৰ দ্বিতীয় সংস্কৰণ "খেল মহাৰণ-২.০"ৰ নগাঁও জিলা পৰ্যায়ৰ প্ৰতিযোগিতাৰ খেলসমূহ আজিৰে পৰা ব্যাপক উৎসাহ-উদ্দীপনাৰে উদুলি-মুদুলি পৰিৱেশত আৰম্ভ হৈছে। জিলাখনৰ ধিং, ৰহা, কলিয়াবৰ, চামগুৰি, বঢ়মপুৰ, ৰূপহীহাট আৰু নগাঁও-বটদ্ৰৱা বিধানসভা সমষ্টিৰ পৰা প্ৰায় পোন্ধৰশ খেলুৱৈয়ে ভাগ লোৱা এই প্ৰতিযোগিতা আজি পুৱা নগাঁও ক্ৰীড়া সংস্থাৰ সভাপতি তথা স্থানীয় বিধায়ক ৰূপক শৰ্মাই আনুষ্ঠানিকভাৱে শুভাৰম্ভ কৰে। সেই অনুষ্ঠানত বিশিষ্ট ক্ৰীড়া সংগঠক তপন কুমাৰ দাস, প্ৰশান্ত কুমাৰ বৰা, উজ্জল বৰুৱা, অমিতাভ বৰা, অসীম কুমাৰ ভাৱাল, নগাঁও জিলা আয়ুক্ত নৰেন্দ্ৰ কুমাৰ শ্বাহ, অতিৰিক্ত জিলা আয়ুক্ত সুদীপ নাথ, নগাঁও জিলা প্ৰশাসনৰ জ্যেষ্ঠ বিষয়া নৱ কুমাৰ পেগু, অনুৰণ মেধি আদিৰ লগতে জিলাখনৰ কেইবাগৰাকীও সমাজকৰ্মী উপস্থিত থাকে। নগাঁও জিলা ক্ৰীড়া বিষয়া প্ৰতিম বৰুৱাই জনোৱামতে, প্ৰাক্তন খেলুৱৈ প্ৰভাত চন্দ্ৰ বৰা, শুভৰাম শইকীয়া, বিক্ৰমজিৎ পাল, গিৰিমা শইকীয়া, কান্টা সাহানী আৰু অ'হিদুজ জামানে শিখা প্ৰজ্বলন ষ্টেডিয়ামত বহনৰে আগবঢ়াই নিয়ে আৰু ভলীবল খেলুৱৈ ভাৰ্গৱ শৰ্মাই খেলুৱৈ সকলৰ হৈ শপত বাক্য পাঠ কৰে। শাৰীৰিক শিক্ষাৰ নিৰ্দেশক মুকুট ভূঞা আৰু সাংস্কৃতিক কৰ্মী ৰেখা শৰ্মাই আঁতধৰা শুভাৰম্ভণি অনুষ্ঠানত জ্যেষ্ঠ শাৰীৰিক শিক্ষাৰ নিৰ্দেশক প্ৰভাত চন্দ্ৰ বৰাৰ পৰিচালনাত আৰ্কষণীয় মাৰ্চ পাষ্ট, অঞ্জন কুমাৰ শৰ্মাৰ তত্ত্বাবধানত সাংস্কৃতিক অনুষ্ঠান আৰু হলি ক্ৰচ স্কুলৰ বেণ্ড বাদন পৰিবেশিত হয়। অহা ৯ ফেব্ৰুৱাৰীলৈকে চলিবলগীয়া জিলা পৰ্যায়ৰ এই প্ৰতিযোগিতাত আজি অনুষ্ঠিত কাবাডী ইভেণ্টৰ অনূৰ্ধ্ব-১৬ বছৰ বয়সৰ ল'ৰাৰ শাখাত নগাঁও-বটদ্ৰৱা দলে চেম্পিয়নৰ খিতাপ আৰু বঢ়মপুৰ দল ৰাণাৰ্ছ আপ হোৱাৰ বিপৰীতে ছোৱালীৰ শাখাতো নগাঁও-বটদ্ৰৱা চেম্পিয়ন আৰু ধিং দলে ৰাণাৰ্ছ আপৰ সন্মান লাভ কৰে। আনহাতে, ভলীবলৰ অনূৰ্ধ-১৭ বছৰ বয়সৰ ছোৱালীৰ শাখাত ৰহা চেম্পিয়ন আৰু নগাঁও-বটদ্ৰবা ৰাণাৰ্ছ আপ হোৱাৰ বিপৰীতে ল'ৰাৰ শাখাত ৰূপহীহাট চেম্পিয়ন আৰু নগাঁও-বটদ্ৰৱা দল ৰাণাৰ্ছ আপ হয়। ফুটবল ইভেণ্টৰ অনূৰ্ধ্ব-১৭ বছৰ বয়সৰ ল'ৰাৰ শাখাৰ ছেমিফাইনেলত নগাঁও-বটদ্ৰৱা দলে ধিঙক আৰু চামগুৰি দলে ৰহা দলক হৰুৱাই ফাইনেলত উপনীত হৈছে। নগাঁও ক্ৰীড়া সংস্থাৰ ইনড'ৰ ষ্টেডিয়ামত পুৰুষ আৰু মহিলাৰ মুকলি শাখাত দবা ইভেণ্টৰ খেলসমূহ চলিছে। বাকী ইভেণ্টৰ বিভিন্ন শাখাৰ খেলসমূহ কাইলৈ পুৱাৰ ভাগৰ পৰা হ'ব।

# তামুলপুৰত এমএলএ কাপ ভলীবল প্ৰতিযোগিতা, উত্তৰ প্ৰদেশ ৱাৰিয়ৰৰ জয়

**ই-সংবাদ, তামুলপুৰ, ৬ ফেব্ৰুৱাৰীঃ** তামুলপুৰ জিলাৰ কুমাৰীকাটাত ৪ ফেব্ৰুৱাৰীৰ পৰা দুদিনীয়াকৈ অনুষ্ঠিত হোৱা এমএলএ কাপ ভলীবল প্ৰতিযোগিতাৰ কালি নিশা অনুষ্ঠিত চূড়ান্ত খেলখনত উত্তৰ প্ৰদেশ ৱাৰিয়ৰে অসম ৰাজ্যিক বিদ্যুৎ পৰিষদ ভলীবল দলক ৩-১ চেটত পৰাস্ত কৰি চূড়ান্ত খিতাপ দখল কৰে। তামুলপুৰৰ বিধায়ক জলেন দৈমাৰীৰ বিশেষ উদ্যোগত অনুষ্ঠিত আমন্ত্ৰণমূলক দিবা নৈশ ভলীবল প্ৰতিযোগিতাৰ চূড়ান্ত খেলখন উদ্বোধন কৰে তামুলপুৰ জিলাৰ আয়ুক্ত পংকজ চক্ৰৱৰ্তীয়ে। অতিথি হিচাপে উপস্থিত থাকে বিচিআৰৰ উপ মুখ্য কাৰ্যনিৰ্বাহক সদস্য গোবিন্দ বসুমতাৰী, অধ্যক্ষ কাতিৰাম বড়ো, মনোনীত সদস্য হেমন্ত কুমাৰ ৰাভাৰ লগতে কে'বাগৰাকী বিশিষ্ট লোক। খেলৰ অন্তত বটা বিতৰণ কৰে তামুলপুৰৰ বিধায়ক জলেন দৈমাৰীয়ে। বিজয়ী দলে লাভ কৰে ট্ৰফী, স্মাৰকসহ নগদ ত্ৰিশ হাজাৰ নগদ ধন। বিজিত দলক প্ৰদান কৰা হয় ট্ৰফী, নগদ বিশ হাজাৰ টকা। প্ৰতিযোগিতাৰ শ্ৰেষ্ঠ খেলুৱৈৰ বটা লাভ কৰে বিদ্যুৎ পৰিষদে। উল্লেখ্য যে তামুলপুৰৰ বিধায়ক জলেন দৈমাৰীৰ উদ্যোগত প্ৰথমবাৰৰ বাবে অনুষ্ঠিত ভলীবল প্ৰতিযোগিতাখনিত ৰাজ্য তথা ৰাজ্যৰ বাহিৰৰ আগশাৰীৰ আঠটাকৈ দলে অংশগ্ৰহণ কৰে।

# খেল মহাৰণত ভৱানীপুৰ-সৰভোগৰ সাফল্য

**ই-সংবাদ, বৰপেটাৰোড, ৬ফেব্ৰুৱাৰীঃ** মুখ্যমন্ত্ৰী হিমন্তবিশ্ব শৰ্মাৰ পৰিকল্পনাত অসম চৰকাৰৰ ক্ৰীড়া আৰু যুৱ কল্যাণ বিভাগে অনুষ্ঠিত কৰা 'খেল মহাৰণ ২.০'ত ভৱানীপুৰ-সৰভোগ সমষ্টিয়ে শীৰ্ষ স্থান লাভ কৰিছে। বৰপেটা জিলাভিত্তিত অনুষ্ঠিত খেল মহাৰণত ভৱানীপুৰ-সৰভোগ সমষ্টিৰ প্ৰতিযোগীসকলে প্ৰদৰ্শন কৰা বিশেষ পাৰদৰ্শিতাৰ বাবে ভৱানীপুৰ-সৰভোগ সমষ্টিয়ে শ্ৰেষ্ঠ সমষ্টি হিচাপে বিবেচিত হয়। বুধবাৰে বৰপেটাত অনুষ্ঠিত খেল মহাৰণৰ বঁটা প্ৰদান অনুষ্ঠানত বৰপেটাৰ জিলা আয়ুক্ত ৰোহণ কুমাৰ ঝা, আন্তঃৰাষ্ট্ৰীয় মহিলা এথলীট তৈবুন নেছা, সৰভোগ সমষ্টিৰ বিধায়ক মনোৰঞ্জন তালুকদাৰ আৰু খেল মহাৰণ আয়োজক সমিতিৰ অধ্যক্ষ মনজিৎ দাসে বিজয়ী প্ৰতিযোগীসকলক বঁটা প্ৰদান কৰি তেওঁলোকৰ উজ্বল ভৱিষ্যতৰ কামনা কৰে।

newsnextone.comৰ হৈ গুৱাহাটীৰ পৰা অনলাইনযোগে ছফি জামালৰ দ্বাৰা প্ৰকাশিত, ই-মেইলঃ newsnextne@gmail.com, যোগাযোগ/হোৱাটছএপ নম্বৰঃ ৯৩৬৫২২৫২৪৮, কাৰ্যালয়ঃ জ্যোতিনগৰ, বামুণীমৈদাম (বা-বাতৰিৰ বাবে বাৰ্তা সম্পাদক দায়ৱদ্ধ)। কাৰ্যবাহী সম্পাদকঃ ধ্ৰুৱজ্যোতি ধনন্তৰি